# মহীয়সী

নৱম সংখ্যা

৫৬২ শঙ্কৰাব্দ, ডিচেম্বৰ, ২০১০ চন

জয় গুৰু শঙ্কৰ

সম্পাদিকা

ড° ইন্দিৰা শইকীয়া বৰা

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

**MAHIYASHI :** ***9th Issue,2010***

*Women Magazine of Srimanta Sankaradeva Sangha, Edited by Dr. Indira Saikia Bora and published by Sahitya Sakha Samittee of Srimanta Sankaradeva Sangha, December:2010, Price Rs. 25.00 only.*

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

পুহ ঃ ৫৬২ শঙ্কৰাব্দ ঃ ডিচেম্বৰ, ২০১০

**প্ৰকাশক**

সাহিত্য শাখা সমিতি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীকৈলাস দাস

সম্পাদক ঃ শ্ৰীজীৱকান্ত নাথ

**সদস্যসকল**

ড° সুৰেশ চন্দ্ৰ বৰা, সম্পাদক ঃ ‘মহাপুৰুষ জ্যোতি’

শ্ৰীকমলাকান্ত বৰা, সম্পাদক ঃ ‘ডেকাগিৰী’

শ্ৰীগোবিন্দ চন্দ্ৰ ডেকা, সম্পাদক ঃ ‘শিশু-মঞ্জৰী’

শ্ৰীহেমপ্ৰসাদ বৰা, সম্পাদক ঃ ‘প্ৰাচীৰ পত্ৰিকা’

শ্ৰীভৱেন দুৰৰী

শ্ৰীনাৰায়ণ গগৈ

শ্ৰীজগত কলিতা

**সম্পাদিকা**

**ড° ইন্দিৰা শইকীয়া বৰা**

**মূল্য ঃ ২৫.০০ (পঁচিশ) টকা**

ছপা সংখ্যা ঃ **১,৫০০** (পোন্ধৰশ)

**প্ৰাপ্তিস্থান**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস**

সত্যসন্ধা প্ৰেছ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ**

মাতৃ অফ্‌ছেট প্ৰেছ,

হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

# মহীয়সী

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ , শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মহীয়সী
আইমাতৃ
সন্তানৰ প্ৰতি
তোমাৰ মৰমৰ
সীমা নাই—
সেই সন্তানেই যদি
বাট হেৰুৱাই
অবাটে যায়
কি সুখ লৈ
থাকিবা জীয়াই
সময় থাকোঁতে
হোৱা সাৱধান
শিকোৱা সন্তানক
নৈতিক জ্ঞান
ঐশ্বৰিক জ্ঞান
কৰা প্ৰদান
সজ আচৰণ
শিকাই বুজাই
সুচৰিত্ৰ কৰা গঠন
সাম্প্ৰতিক সময়
অতি বিষময়
কুপ্ৰবৃত্তিৰ দাসত্ব
কৰি স্বীকাৰ
দৈত্য ৰূপ ধৰি
মানুহেই মানুহক
কৰি অত্যাচাৰ
আনিছে নমাই
দুৰ্যোগৰ ঘোৰ অন্ধকাৰ
হিংসা-প্ৰতিহিংসা
ঘৃণা বিদ্বেষ
অসূয়া-অপ্ৰীতিৰ
তুলিছে গঢ়ি
দুৰ্ভেদ্য পাহাৰ
শিশুৰ ওপৰতো
চলিছে যৌন নিৰ্যাতন
নাৰকীয় অপহৰণ
এনে এটা সময়ত
তোমাৰ সন্তানক
বচাই ৰখাৰ
তোমাৰেই দায়িত্ব মহান
গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ
আদৰ্শ ধিয়াই
গঢ়া তোমাৰ জীৱন
দিয়া সন্তানকো
সেই দিব্য আদৰ্শৰ
দিব্য সন্ধান
ধন্য হ'ব তোমাৰ জীৱন■■

**জয় গুৰু শঙ্কৰ**

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একেষাৰ

আইমাতৃসকলৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একমাত্ৰ মহিলা আলোচনী 'মহীয়সী'ৰ নৱম সংখ্যা প্ৰকাশিত হোৱাৰ লগে লগে আলোচনীখনৰ এটি দশক সম্পূৰ্ণ হ'ল (প্ৰস্তাৱনা সংখ্যাটিৰ সৈতে)।

বৈদিক যুগৰে পৰা নাৰীসকলৰ মাজত আধ্যাত্মিক চিন্তা-চেতনাৰ স্ফুৰণ ঘটিছিল বুলি ইতিহাসে সোঁৱৰণ কৰে যদিও পৰৱৰ্তী কালত নাৰীসমাজৰ ওপৰত আধ্যাত্মিক, সামাজিক আৰু ব্যৱহাৰিক জীৱনত পুৰুষ-সমাজৰ অৱদমন বিভিন্ন প্ৰকাৰে আৰম্ভ হ'ল। যাৰ পৰিণতিত গঢ়ি উঠিল পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থা। পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ অপশাসনে মধ্যযুগলৈকে মানৱ সমাজক কোঙা কৰি পেলালে যদিও আধুনিক যুগত এই অপশাসনৰ পৰা নাৰী-সমাজ কিছু মুক্ত হোৱাৰ বাতাবৰণ গঢ়ি উঠিল। বাল্য-বিবাহ বন্ধকৰণ, বিধৱা-বিবাহ আদি ইয়াৰ উদাহৰণ। বৃটিচৰাজ আৰু আমেৰিকান মিশ্যনেৰীসকলৰ আগমনো নাৰী-মুক্তিৰ বাতাবৰণ সৃষ্টিৰ অন্যতম কাৰণ।

সৰ্বভাৰতীয় পটভূমিত এনে অৱস্থাৰ বিপৰীতে ভাৰতৰ উত্তৰ-পূৱৰ এই অসম ভূমিৰ সৌভাগ্যবশতঃ ভাগ্যৰবিৰ উদয় হৈছিল মধ্যযুগতেই (১৪৪৯ খ্ৰীঃ) শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ ফলত। তাৰাই মানৱ মুক্তিৰ বিভিন্ন আহিলা সৃষ্টি কৰি আধ্যাত্মিক ভাৱপুষ্ট এটি জাগৰণ আনিবলৈ সক্ষম হৈছিল সেই মধ্যযুগৰ ঘোৰ অমানিশাৰ নিদ্ৰাকালতেই। সৰ্বসাধাৰণ-হোজা-চহা-নিৰক্ষৰ জনতাক ধৰ্মীয় ধাৰণাৰ সংবাদ দিছিল। এজন দেৱতাক ঈশ্বৰ জ্ঞান কৰিবলৈ শিক্ষা প্ৰদান কৰি "একশৰণ হৰি নামধৰ্ম" প্ৰচাৰৰ মাধ্যমেৰে তাৰাই স্ত্ৰী-শূদ্ৰ পতিত-অন্ত্যজাতিক উদ্ধাৰৰ পথ প্ৰদৰ্শন কৰিছিল। নাৰীসকলক উচিত মৰ্যদা দিয়াৰ অনেক উদাহৰণ তাৰাৰ জীৱন-কালত দেখা গৈছিল। আধ্যাত্মিক ভক্তি জাগৰণে আগবঢ়াই নিয়া আইসকলে গীত-পদ গাই ভক্তিমতি হোৱাৰ ইতিহাস জলন্ত হৈ আছে। বৰগীতৰ সুন্দৰ কণ্ঠস্বৰ শুনি আকৰ্ষিত হোৱা চিলাৰায় মহাবীৰে শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল। এনে সুমধুৰ স্বৰৰ বৰগীত গাইছিল গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাতৃ ৰামৰায়ৰ জীয়ৰী ভূৱনেশ্বৰী আইয়ে, যিগৰাকী চিলাৰায় দেৱানৰ ধৰ্ম-পত্নী। গুৰুজনাৰ দিনত এনে বিদুষী মহিলা সকলৰ পৰা সমাজত নাৰীমুক্তিৰ পৰিবেশ সৃষ্টি হৈছিল। চন্দৰী আইৰ বৈকুণ্ঠৰ পটত দিবলৈ কল্পতৰু বৃক্ষৰ নিৰ্দেশনা, বাৰবাসী আইৰ বদান্যতা, ৰাধিকা শান্তিৰ সতীত্বৰ গৌৰৱ গুৰুজনাই প্ৰদৰ্শন কৰাই নাৰী-সমাজলৈ আদৰ্শ দেখুৱাই গৈছে। গুৰুজনাৰ ধৰ্ম-পত্নী আই কালিন্দীয়ে স্বামীৰ প্ৰয়াণৰ পাচত অশেষ নিষ্ঠা-সততা-সাহস আৰু কৌশলেৰে মহাপুৰুষ মাধৱদেৱৰ বিচক্ষণতাৰ বলত ধৰ্ম আচৰণ প্ৰৱৰ্তনৰ নিৰৱচিন্নতা ৰক্ষা কৰিছিল। সেই ধাৰাৰেই তাৰাৰ নাতিবোৱাৰী আই কনকলতাৰ বীৰত্বব্যঞ্জক বিচক্ষণ বুদ্ধিৰ ফলত বৰদোৱা থানখনৰ পুনৰ উদ্ধাৰ এক ঐতিহাসিক সত্য। অকল সেয়ে নহয় স্থানে স্থানে সন্তলোকৰ সন্ধান কৰি ধৰ্ম প্ৰচাৰৰ দায়িত্ব দি শৰণ ভজন প্ৰদান কৰাৰ সম্পৰ্কে গুৰুচৰিতসমূহে সাক্ষ্য দিয়ে।

সেৱাৰে--

**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**

নগাঁও
১০/৯/২০০৯

**জয় গুৰু শঙ্কৰ**

# সম্পাদকীয়...

দেৱৰো দুৰ্ল্লভ ইহেন জন্মক
ব্যৰ্থ কৰা কোন কামে।
গৃহতে থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰি নামে।। - কীৰ্ত্তন, অজামিল উপ্যাখ্যান-২১৪

শিষ্যৰ অজ্ঞান অন্ধকাৰ নাশ কৰি জ্ঞানৰ পোহৰ বিলোৱা জনেই 'গুৰু'পদৰ অধিকাৰী। ভাৰতীয় জনমানসত 'গুৰু' সদায়েই নমস্য ব্যক্তি। সেয়েহে কোৱা হৈছে—

গুৰুৰ্ব্ৰহ্মা গুৰু ৰ্বিষ্ণুঃ গুৰুদেৱো মহেশ্বৰঃ।
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰীগুৰৱে নমঃ।।

গুৰু শিষ্যৰ বাবে ব্ৰহ্মা স্বৰূপ। ব্ৰহ্মা সৃষ্টি কৰ্মৰ লগত জড়িত হৈ আছে। সেইদৰে গুৰুৱে শিষ্যক উপদেশ আদৰ্শৰ দ্বাৰা উপযুক্ত ব্যক্তিৰূপে গঢ়ি তোলে। শিষ্যৰ বাবে গুৰু সদায়েই আশ্ৰয়ৰ স্থল। সেয়ে গুৰুক পালনকৰ্তা বিষ্ণুৰ লগত তুলনা কৰা হৈছে। সকলো বিপদৰ পৰা শিষ্যক গুৰুৱে ৰক্ষা কৰিব বিচাৰে। আনহাতে গুৰু সংহাৰকৰ্তা ৰুদ্ৰৰো স্বৰূপ। শিষ্যৰ আসোঁৱাহবোৰ আঙুলিয়াই দিয়াটো গুৰুৰ কৰ্তব্য। গতিকে, গুৰু পৰমপুৰুষ নাৰায়ণ স্বৰূপ। ভগৱান সত্ত্ব, ৰজ আৰু তমো গুণৰ সমষ্টি। ভগৱানে ৰজো গুণৰ সহায়ত ব্ৰহ্মাৰূপে জগত সৃষ্টি কৰে, সত্ত্বগুণেৰে বিষ্ণুৰূপে পালন কৰে আৰু তমো গুণৰ প্ৰভাৱত ৰুদ্ৰৰূপে জগৎ সংহাৰ কৰে। গতিকে শিষ্যৰ বাবে গুৰু পৰম ব্ৰহ্ম বা ভগৱান স্বৰূপ।

শিক্ষাগুৰু পিতৃ-মাতৃতকৈও শ্ৰেষ্ঠ বুলি কোৱা হৈছে। 'গুৰুগৰীয়ান্ পিতৃতো মাতৃতশ্চেতি।' (মহাভাৰত, শান্তিপৰ্ব, ১০৮/১৭) গুৰুক পিতৃ-মাতৃতকৈয়ো শ্ৰেষ্ঠ বুলি এইবাবেই কোৱা হৈছে, যিহেতু সন্তানৰ শৰীৰকহে পিতৃ-মাতৃয়ে সৃজন কৰে, কিন্তু গুৰুৱে সৎ উপদেশৰ দ্বাৰা শিষ্যক দ্বিতীয় জন্ম প্ৰদান কৰে। এজন লোকৰ এই দ্বিতীয় জন্ম অজৰ-অমৰ হৈ ৰয়। মহাভাৰত (শান্তিপৰ্ব ১০৮/১৮)ত কোৱা হৈছে- শিক্ষা গ্ৰহণৰ পিছত যিজনে শাৰীৰিক বা মানসিকভাৱে গুৰুক মান্য নকৰে তেওঁ ভ্ৰূণ হত্যাকাৰীতকৈও অধিক পাপী আৰু কোৱা হৈছে (শান্তিপৰ্ব ১০৮/২৩) শিষ্যৰ যি কৰ্মৰ দ্বাৰা গুৰু প্ৰসন্ন হয়, সেই কৰ্মৰ দ্বাৰা পৰমব্ৰহ্ম পৰমাত্মাৰো পূজা সম্পন্ন হয়।

ব্যৱহাৰিক দিশতেই হওঁক নাইবা আধ্যাত্মিক ক্ষেত্ৰতে হওঁক গুৰু অবিহনে কোনো শিক্ষাই সম্পূৰ্ণ নহয়। যি আধ্যাত্মিক জ্ঞান-বিজ্ঞানৰ দ্বাৰা মানুহৰ মোক্ষত্ব প্ৰাপ্তি ঘটে তেনে জ্ঞান গুৰু উপদেশ অবিহনে সম্ভৱ নহয়। কাৰণ সংসাৰ সাগৰ উত্তৰণৰ নৌকা যেনেকৈ আধ্যাত্মিক জ্ঞান, তেনেকৈ গুৰু হৈছে সেই নৌকাৰ নাবিক। (শান্তিপৰ্ব ৩২৬/২৩)

তেনেদৰে ভক্তিমাৰ্গত সংসাৰ সাগৰ পাৰ হ'ব পৰা নৌকাৰ গুৰিবঠা ধৰোঁতা নাবিক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তাৰাৰ পৰিচালিত নৌকাখনি হৈছে- 'একশৰণ হৰিনাম ধৰ্ম'। তাৰাৰ প্ৰৱৰ্তিত ধৰ্ম সুদৃঢ় কৰিবৰ বাবে সাহিত্য কৰ্মতো হাত দিয়ে। মহাপুৰুষৰ ৰচিত গীত-পদ-নাটসমূহ চৰ্চা কৰিয়েই ভক্তিৰ তত্ত্ব উপলব্ধি কৰিব পাৰি।

অসমত বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ চৰ্চা পুৰণি কালৰ পৰাই চলি আহিছে। একালত সত্ৰসমূহত 'চৰিত তোলা' বুলি এটা প্ৰথা আছিল। তাত বৈষ্ণৱ ধৰ্মগুৰুসকলৰ জীৱন আৰু কৃতি চৰ্চা কৰা হৈছিল। ক'বলৈ গ'লে চৰিতপুথিসমূহ ৰচনাৰো প্ৰধান উৎস। চৰিত পুথিসমূহ বিশ্লেষণাত্মক জীৱনী নাছিল। এইবোৰত ধৰ্ম গুৰুসকলক গণ্য কৰা হৈছিল একোজন অৱতাৰী পুৰুষৰূপে। ব্ৰিটিছ সাম্ৰাজ্যবাদীসকল অসমলৈ অহাৰ আগলৈকে বৈষ্ণৱ সাহিত্যৰ চৰ্চা সত্ৰ-নামঘৰ আদিতে আৱদ্ধ আছিল। ভক্তি গদগদ মনোভাৱেৰেহে বৈষ্ণৱ সাহিত্যৰ আলোচনা সম্ভৱ বুলি সকলোৱে মানি লৈছিল। ঊনবিংশ শতিকাৰ পৰা এই পৰিস্থিতি ক্ৰমে সলনি হ'বলৈ আৰম্ভ কৰে। এই শতিকাত বঙ্গদেশ তথা অসমত ছপাযন্ত্ৰৰ

আৰ্ভিাৰে বৈষ্ণৱ পুথি-পাঁজিসমূহ জনসাধাৰণৰ বাবে সুচল কৰি তুলিছিল। অসমত শিক্ষাৰ প্ৰসাৰো লাহে লাহে হ'বলৈ লৈছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদীসকলে সূচনা কৰা নতুন পৰিৱেশে এই শতিকাটোত জন্ম দিছিল এক আধুনিক বিদ্বৎ সমাজৰ, যাৰ প্ৰতিভূ আছিল আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা- এই বিখ্যাত ত্ৰিমূৰ্তি। অসমৰ বৈষ্ণৱ ঐতিহ্যৰ লগত এওঁলোকৰ পৰিচয় আছিল। সম্ভৱতঃ আনন্দৰামৰে ছপাশাল কলিকতাৰ 'নিউপ্ৰেছ'ত তেওঁৰ সম্পৰ্কীয় ভতিজাক গুণাভিৰামে 'নাম-ঘোষা' পুথি পোনপ্ৰথম বাৰৰ বাবে ছপাই উলিয়াইছিল। হেমচন্দ্ৰ বৰুৱাই যে বৈষ্ণৱ সমাজৰ তলানলা ভালকৈ জানিছিল তেওঁৰ *'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰি'* পুথিখনেই তাৰ প্ৰমাণ। কিন্তু এওঁলোকৰ কোনো এজনেই বৈষ্ণৱ সাহিত্যৰ বহল বিদ্যায়তনিক চৰ্চা কৰা নাছিল।

অসমৰ নৱবৈষ্ণৱ সাহিত্যৰ বিদ্যায়তনিক চৰ্চা আৰম্ভ হয় কুৰি শতিকাত আৰু ইয়াক আৰম্ভ কৰে লক্ষ্মীনাথ বেজবৰুৱাই। বেজবৰুৱাৰ জন্ম হৈছিল এটা বৈষ্ণৱ পৰিয়ালত। তেওঁৰ দেউতাক দীননাথ বেজবৰুৱা কমলাবাৰী সত্ৰৰ শিষ্য আছিল। *'বৰচৰিত্ৰ'* নামৰ এখন পদপুথি লিখি বৈষ্ণৱ সাহিত্যলৈ তেওঁ অৰিহণা যোগাইছিল। দীননাথ বেজবৰুৱাৰ টোলৰ নৈষ্ঠিক বৈষ্ণৱ পৰিৱেশে লক্ষ্মীনাথক এক গভীৰ জ্ঞান আৰু আত্মপ্ৰত্যয় দিছিল। আনফালে কলিকতীয়া পাশ্চাত্য শিক্ষাই পুৰণি যুগটিক প্ৰকৃতভাৱে চাবৰ শক্তি পাইছিল। লক্ষ্মীনাথে বৈষ্ণৱ ধৰ্ম সংক্ৰান্ত ৰচনাৱলীক এক বিজ্ঞানময়তা প্ৰদান কৰিছিল। ১৯১১ চনত তেওঁ *'শ্ৰীশ্ৰীশঙ্কৰদেৱ'* আৰু ইয়াৰ তিনি বছৰৰ পিছত *'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ'* নামৰ গ্ৰন্থখন লিখি উলিয়ায়। অসমত আধুনিক শঙ্কৰী চৰ্চাৰ এই দুখন হ'ল মাইলৰ খুটি। এই দুখনৰ উপৰিও লক্ষ্মীনাথে বৈষ্ণৱ ধৰ্ম-সংক্ৰান্তীয় ভালেমান প্ৰবন্ধ-পাতি লিখিছিল, যিবোৰ পাছত অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত *'তত্ত্বকথা'* নামেৰে গ্ৰন্থ আকাৰে প্ৰকাশিত হয়। ১৯৩৪ চনত তেওঁ বৰোদা মহাৰাজৰ আমন্ত্ৰণ ক্ৰমে বৰোদাত 'অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম' সম্পৰ্কে এটা বক্তৃতা প্ৰদান কৰে যাৰ ফলত অসমৰ বাহিৰৰ মানুহেও শঙ্কৰদেৱ-মাধৱদেৱৰ মাহাত্ম্য সম্পৰ্কে জানিবলৈ পায়।

পৰৱৰ্তীকালত লক্ষ্মীনাথ বেজবৰুৱাই দেখুৱাই থৈ যোৱা বাটেৰে আগবাঢ়িছিল বাণীকান্ত কাকতি, কালিৰাম মেধি, ডিম্বেশ্বৰ নেওগ, ৰাজমোহন নাথ, হৰমোহন দাস প্ৰমুখ্যে অনেক ধীমান ব্যক্তি।

এই বৈষ্ণৱ সাহিত্যৰ চৰ্চাক আদি আৰু মধ্য পৰ্যায় বুলি অভিহিত কৰিব পাৰি। এই দুই পৰ্যায়ৰ পুৰোধা ব্যক্তি দুজন হ'ল লক্ষ্মীনাথ বেজবৰুৱা আৰু মহেশ্বৰ নেওগ। এই দুই পৰ্যায়ৰ ঘাই বৈশিষ্ট্য হ'ল- প্ৰাচীন কালত শঙ্কৰদেৱ-মাধৱদেৱৰ ব্যক্তিত্বত যি অলৌকিতা আৰোপণ কৰা হৈছিল, আধুনিক কালত সেইবোৰ পৰিহাৰ কৰা হ'ল আৰু মানুহ হিচাপে চাবলৈ প্ৰয়াস কৰা হ'ল। অৱতাৰী পুৰুষৰ পৰা শঙ্কৰদেৱ-মাধৱদেৱক 'মহাপুৰুষ' ৰূপে মানি লোৱা হ'ল। ই নিঃসন্দেহে এক প্ৰগতিশীল উত্তৰণ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভাই আমাৰ বৰ্তমানৰ জাতীয় চেতনাক প্ৰভাৱান্বিত কৰি ৰাখিছে।

শঙ্কৰোত্তৰ সাহিত্যৰ যুগত আতাপুৰুষসকলে যিদৰে গুৰু শঙ্কৰদেৱৰ আদৰ্শৰে গীত-পদ ৰচনা কৰি তেওঁলোকৰ কীৰ্তি যুগমীয়া কৰি থৈ গৈছে তেনেদৰে ভালেমান বৈষ্ণৱ যুগৰ মহীয়সী নাৰীয়েও ধৰ্মৰ আদৰ্শৰে আধ্যাত্মিক গুণেৰে নিজ প্ৰতিভাক প্ৰকাশিত কৰি থৈ গৈছিল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেনে এগৰাকী মহিলা কবি হৈছে 'পদ্মপ্ৰিয়া'। তেওঁ অসমৰ প্ৰথম মহিলা কবি তথা গীতিকাৰ। পদ্মপ্ৰিয়া আছিল ভৱানপুৰীয়া গোপাল আতাৰ কন্যা। গোপাল আতাই দুবাৰ বিয়া কৰাইছিল। দুয়োগৰাকী পত্নীৰ গৰ্ভত জন্ম হৈছিল দুটাকৈ সন্তান। প্ৰথম পত্নী সুভাগীৰ গৰ্ভত ক্ৰমে কমললোচন আৰু যোগমায়া, দ্বিতীয় পত্নী বৃন্দাৱতীৰ গৰ্ভত ক্ৰমে দামোদৰ আৰু পদ্মপ্ৰিয়া। পদ্মপ্ৰিয়া গোপাল আতাৰ তৃতীয় সন্তান।

পদ্মপ্ৰিয়া শিক্ষিতা আছিল। কিন্তু টোলাদিত তেওঁ নিশ্চয় শিক্ষা লোৱা নাছিল, কাৰণ সেই যুগত এনে ব্যৱস্থা অকল্পনীয় আছিল। তেওঁ শিক্ষালাভ কৰিছিল সম্ভৱতঃ পিতৃ গোপালৰ পৰাই। পদ্মপ্ৰিয়াই সংসাৰ বান্ধোনত সোমাইছিল নে নাই, সেই কথাও সঠিককৈ জনা নাযায়। পূৰ্ণানন্দদেৱ ৰচিত, শ্ৰীশ্ৰীগোপালদেৱৰ চৰিতৰ মতে গোপাল আতাই পদ্মপ্ৰিয়াৰ বাবে পাত্ৰ নিৰ্বাচন কৰিছিল গজলাসত্ৰৰ যদুমণি দেৱক। কিন্তু পদ্মপ্ৰিয়াক 'মাতৃ' বুলি সম্বোধন কৰি যজুমণিয়ে আতাৰ প্ৰস্তাৱ বিনয়েৰে প্ৰত্যাখ্যান কৰে আৰু পদ্মপ্ৰিয়া অবিবাহিতা হৈ থাকি যায়।

আন এক আখ্যান মতে এজন শাক্তধৰ্মী পুৰুষৰ লগত পদ্মপ্ৰিয়াৰ বিবাহ হৈছিল। কিন্তু স্বামীৰ ধৰ্মীয় মতাদৰ্শ তেওঁৰ লগত নিমিলা হেতু তেওঁ স্বামীগৃহ ত্যাগ কৰি পিতৃগৃহলৈ উভতি আহে। হৰিবল্লভ ৰচিত অধুনা অপ্ৰকাশিত ৰামকৃষ্ণদেৱৰ চৰিত পুথি মতে পিতৃৰ মৃত্যুৰ পাছত পদ্মপ্ৰিয়াই কালঝাৰ ত্যাগ কৰি বাৰৈমৰা জানৰ পাৰত নিজাকৈ ধৰ্মগৃহ সাজি তাত বাস কৰিছিল।

পদ্মপ্ৰিয়াৰ সাহিত্যকৃতি সৰহ নহয়। তেওঁৰ এতিয়ালৈকে মুঠ চাৰিটি গীতহে সংগৃহীত হৈছে। গীতবোৰত সংসাৰ বৈৰাগ্য, হৰিভক্তি আদি নৱবৈষ্ণৱ আদৰ্শাৱলীৰ কাব্যিক প্ৰতিফলন ঘটিছে। গীতবোৰত শঙ্কৰ-মাধৱৰ লগতে পিতৃ গোপালৰো বন্দনা আছে যদিও গোপাল বন্দনা বহু সময়ত হৰি বন্দনাৰ সৈতে একে হৈ পৰিছে। পদ্মপ্ৰিয়াৰ সাহিত্য-সম্ভাৰ পৰিমাণত তাকৰীয়া হ'লেও অসমৰ প্ৰথম মহিলা সাহিত্যিক হিচাপে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ পাতত তেওঁৰ নাম সদায় উজ্জ্বল হৈ থাকিব।

**কেন্দ্ৰীয় শিশু আৰু আইমাতৃ কল্যাণ সমিতি আৰু মহীয়সীৰ নৱম সংখ্যাৰ বিষয়ে একাষাৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মহান উদ্দেশ্য হৈছে প্ৰতিগৰাকী আইমাতৃৰ অন্তৰত ভক্তিভাৱ জগাই তোলা আৰু মানসিক, বৌদ্ধিক দিশৰ বিকাশ ঘটোৱা। সেয়ে প্ৰতিবছৰে শঙ্কৰদেৱ সঙ্ঘই কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহ উদ্‌যাপিত কৰে আৰু 'মহীয়সী' নামৰ মহিলা আলোচনীখনি প্ৰকাশৰ ব্যৱস্থা কৰে। কাৰণ, এগৰাকী মাতৃয়েহে তেওঁৰ সন্তানক সুসংস্কৃত কৰিব পাৰে। শিশুকালতেই গুৰুধৰ্মৰ তত্ত্ব সন্তানক বুজাব লাগে যাতে নিজক বিপথে চালিত কৰিব নোৱাৰে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰতিবছৰে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ স্বীকৃতি স্বৰূপে আইসকলক বঁটা প্ৰদান কৰি আহিছে। ২০১০ চনত হোৱা ৭৯ সংখ্যক বাৰ্ষিক অধিৱেশনত 'সমন্বয়ক্ষেত্ৰ ঃ তিতাবৰত দুগৰাকী আইক বঁটা প্ৰদান কৰিছে। তেখেতসকল ক্ৰমে শ্ৰীযুতা কুন্তী বৰা আই আৰু শ্ৰীযুতা অপৰাজিতা বৰকাকতিলৈ আগবঢ়োৱা হৈছে।

**কৃতজ্ঞতা জ্ঞাপন ঃ** মহীয়সীৰ নৱম সংখ্যাটিলৈ যিসকল লেখক-লেখিকাই কৰ্মব্যস্ততা আৰু বিভিন্ন অসুবিধাৰ সত্ত্বেও আমালৈ লেখনিসমূহ পঠিয়াইছে সেইসকলৰ প্ৰতি পোনপ্ৰথমে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আটাইবোৰ প্ৰবন্ধ একেলগে গোট নোখোৱাৰ বাবে ক্ৰমসমূহ সজোৱাত আসোঁৱাহ থাকি যাব পাৰে। তাৰোপৰি কলেৱৰ বৃদ্ধিৰ সীমাবদ্ধতাৰ বাবে আমাৰ হাতত পৰা সকলো প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

সম্প্ৰতি ষষ্ঠদশ (১৬) বাৰ্ষিক কেন্দ্ৰীয় শিশু আৰু আইমাতৃ সমাৰোহখনি ধেমাজি জিলা শাখাৰ উদ্যোগত 'সতী ৰাধিকাক্ষেত্ৰ'ত ধেমাজিত ২০১০ বৰ্ষৰ ১, ২, ৩ পুহ (৫৬২ শঙ্কৰাব্দ) ইংৰাজী ১৭, ১৮, ১৯ ডিচেম্বৰ ২০১০ খ্ৰীষ্টাব্দৰ, শুক্ৰ, শনি আৰু দেওবাৰে অনুষ্ঠিত হ'ব। এইখিনিতে সমাৰোত সমবেত সমূহ ধৰ্মপ্ৰাণ ৰাইজলৈ সশ্ৰদ্ধ প্ৰণিপাত জনালো।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীকৰুণাকান্ত কলিতা বাপ, প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় শ্ৰীকৈলাস দাস বাপ, সম্পাদক মাননীয় জীৱকান্ত নাথ বাপ প্ৰমুখ্যে মাননীয় সদস্যসকলে আগবঢ়োৱা বিভিন্ন দিহা-পৰামৰ্শৰ বাবে তেখেসকলৰ প্ৰতি সশ্ৰদ্ধ সেৱা নিৱেদন কৰিলোঁ।

শঙ্কৰী সংস্কৃতি কেন্দ্ৰ (ৰূপনগৰ, গুৱাহাটী), সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধিৰ লগতে মাতৃ অফ্‌ছেটৰ স্বত্বাধিকাৰ মাননীয় শ্ৰীকমলাকান্ত বৰা বাপ আৰু কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শলাগ যাচিলোঁ। সাৱধানতা অৱলম্বন কৰা সত্ত্বেও অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে সেৱা জনালোঁ।

নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকীদায়াদ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ।।-- নাম-ঘোষা, ৩১৭

সেৱাৰে--
ইন্দিৰা শইকীয়া বৰা

গুৱাহাটী
০৯/১২/১০

বিষয় সূচীপত্ৰ পৃষ্ঠা


| | | |
|---|---|---|
| ✸ বোধি বৃক্ষ ঃ গুৰু শঙ্কৰ | ঃ শ্ৰীস্বৰ্ণলতা বণিক্য | ১ |
| ✸ মাতৃ | ঃ শ্ৰীনীলমণি বৰুৱা | ১ |
| ✸ আইমাতৃ কল্যাণ শাখা | ঃ শ্ৰীভূৱনেশ্বৰী শইকীয়া | ২ |
| ✸ সংকল্প | ঃ শ্ৰীবৰদা শইকীয়া | ৩ |
| ✸ আই অসমী | ঃ শ্ৰীক্ষীৰদা প্ৰভা দাস | ৪ |
| ✸ বৈদিক সমাজ ব্যৱস্থাত নাৰীৰ মৰ্যদা ঃ এক দৃষ্টিপাত | ঃ শ্ৰীপ্ৰণৱজ্যোতি কলিতা | ৫ |
| ✸ নামঘোষাত গীতা-দৰ্শন | ঃ শ্ৰীবোধেশ্বৰ কাকতি | ৯ |
| ✸ কৃষ্ণ কাহিনীৰ ওপৰত বৈদিক সাহিত্যৰ প্ৰভাৱ | ঃ শ্ৰীঅপৰাজিতা বৰকাকতি | ১৩ |
| ✸ ‘গুৰু-চৰিত-কথা’ত বৈষ্ণৱ ভক্তি সম্পৰ্কীয় বিবিধ বিষয় | ঃ ড° গোলকেশ্বৰ গোস্বামী | ১৭ |
| ✸ মানৱতাবাদৰ দৃষ্টিৰে মহাপুৰুষ শঙ্কৰদেৱ | ঃ ড° মুক্তা বিশ্বাস | ২২ |
| ✸ শঙ্কৰদেৱৰ অন্তিম ৰচনা - শ্ৰীৰামবিজয় নাটৰ এক বিশ্লেষণাত্মক অধ্যয়ন | ঃ শ্ৰীবেবীমণি গগৈ চমুৱা | ২৬ |
| ✸ মাধৱদেৱৰ ‘ৰাজসূয়’ কাব্যত ভক্তি আৰু কাব্যসম্পদ | ঃ ড° কনক চন্দ্ৰ চহৰীয়া | ৩২ |
| ✸ ফকৰা-যোজনাৰ উৎপত্তি, পৰম্পৰা আৰু বৈষ্ণৱ যুগৰ ফকৰা- যোজনাৰ এক আলোকপাত | ঃ ড° চিত্ৰলেখা ফুকন | ৪০ |
| ✸ আদৰ্শ সমাজ গঠনত নাৰীৰ ভূমিকা | ঃ শ্ৰীৰূপালী শইকীয়া | ৪৫ |
| ✸ মহীয়সীৰ পাতে পাতে.... | ঃ শ্ৰীনিৰ্মলা দাস | ৪৮ |
| ✸ নীৰৱকৰ্মী মহীয়সী মাতৃ শ্ৰীযুতা অপৰাজিতা বৰকাকতি আই | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ৫২ |
| ✸ বৈদিক যুগৰ নাৰী- দেৱমাতা অদিতি | ঃ ড° থানেশ্বৰ শৰ্মা | ৫৫ |
| ✸ কবি ভাৰৱিৰ দৃষ্টিত দ্ৰৌপদী | ঃ ড° সুদেষ্ণা ভট্টাচাৰ্য | ৬৪ |
| ✸ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৰ প্ৰথম নাৰী শৈব্যা | ঃ ৰামমল ঠাকুৰীয়া | ৬৭ |
| ✸ হৰণ কাব্যৰ দুই নায়িকা ঃ ৰুক্মিণী আৰু উষা | ঃ ড° মঞ্জু গোস্বামী | ৭০ |
| ✸ কৃষ্ণভক্তা চণ্ডালিনীৰ সম্বাদ | ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া | ৭৪ |
| ✸ ‘গুৰু-চৰিত-কথা’ত ভৱানীপুৰীয়া গোপালআতা | ঃ ড° মুকুল চক্ৰৱৰ্তী | ৭৮ |
| ✸ শিশুৰ আইনগত আৰু সাংবিধানিক অধিকাৰ আৰু ইয়াৰ সুৰক্ষা ঃ এক বিশ্লেষণ | ঃ শ্ৰীশান্তনু কুমাৰ সৰকাৰ | ৮২ |
| ✸ মহিলাৰ অধিকাৰ— কিয় আৰু কেনেকৈ ? | ঃ শ্ৰীজোনালী বৰুৱা | ৮৯ |
| ✸ ভাৰতীয় নাৰীৰ আইনগত সুৰক্ষা ব্যৱস্থাৰ কিয়দাংশ আৰু আনুসংগিক কিছু কথা | ঃ শ্ৰীবিজয় চেতিয়া | ৯৫ |
| ✸ আয়ুৰ্বেদ শাস্ত্ৰ ‘চৰকসংহিতা’ৰ বিষয়ে কিছু কথা | ঃ শ্ৰীনীলাক্ষি দেৱী | ৯৮ |
| ✸ বহুমূত্ৰত ব্যায়ামৰ সবিশেষ | | ১০২ |
| ✸ বৃক্কৰ পাথৰ কেনেকৈ প্ৰতিৰোধ কৰিব ? | | ১০৭ |
| ✸ ষ্ট্ৰ’ক ঃ এক নীৰৱ ঘাতক | | ১০৮ |
| ✸ জন্মগত হৃদপিণ্ডৰ ৰোগ | ঃ ডাঃ নগেন্দ্ৰ নাথ ডেকা | ১১২ |

## বোধি বৃক্ষ ঃ গুৰু শঙ্কৰ

**শ্ৰীস্বৰ্ণলতা বণিক্য**

অহাবোৰ আহি আছে
যোৱাবোৰ গ'ল অহা বাটে
জীৱৰ তৰণি নাই
দেহাৰ ভৰসা নাই
যাতনাতে সৃষ্টি
যাতনাতে লয়
যাতনাৰ নপৰে ওৰ
যাতনা জীৱৰ সহচৰী
'কৃষ্ণ এক দেৱ দুখহাৰী'
জীৱন ব্যাপি যাতনা গচকি
ভাগৰুৱা জীৱনে ল'লে জিৰণি
বোধি বৃক্ষ ঃ গুৰু শঙ্কৰ
তোমাৰ শীতল ছায়াত
মৃতপ্ৰায় জীৱনে পালে
নতুন প্ৰাণৰ সঞ্চাৰ
অসহায় দু-নয়নে দেখিলে
নতুন আশাৰ ৰেঙণি
গুৰু তুমি নৱনিধি
ভকতৰ মনোবাঞ্ছা কৰা সিদ্ধি
অন্তৰে অন্তৰে দিলা সিঁচি
ভকতি সুৰৰ ঝংকাৰ
অন্তৰে অন্তৰে দিলা গাঠি
মূল মন্ত্ৰ কৃষ্ণ দেৱতাৰ
উচ্চ-নীচ জাত-পাত ভেদভাৱ কৰি পৰিহাৰ
বোধিবৃক্ষৰ তলত পাতিছা
ৰাম নামৰ হাট
কিনো ভাগ্য কিনো ভাগ্য মিলিল আমাৰ
অপৰাহ্নৰ অন্তিম লগনত পালো আশ্ৰয়
গুৰু তোমাৰ চৰণ ছত্ৰৰ ছায়াত
ধন্য হ'ল মানৱী জনম
পূৰ্ণ হ'ল মনোষ্কাম
কি দিয়া পূজিম গুৰু তোমাৰ চৰণ
ভকতৰ সংগত ৰাখিবা আমৰণ।■■

*লেখিকা প্ৰাক্তন সম্পাদিকা, শিশু-আইমাতৃ কল্যাণ সমিতি, বঙাইগাঁও জিলা।*

## মাতৃ

**শ্ৰীনীলমণি বৰুৱা**

উপজি পুৱাতে পোৱা
মাতৃৰ অপত্য স্নেহত
উমাল বুকুৰ স্তনামৃতৰে
নিপোটল নিষ্পাপ শিশুৰ শৈশৱ।
মাতৃৰ সুকোমল মৰমী কোলাত
মৰম আকলুৱা হেঁপাহেৰে
দুগালত যাচি দিয়া কাচিয়লি ৰ'দ।
তোমাৰ নিচুকণি গীতৰ সুৰতেই
আত্মবিভোৰ অজলা প্ৰাণ,
মাতৃৰ মৰমসনা বাক্য বচনতে
থুনুক থানাক মৌসনা মিঠামাত।
হে মাতৃ, কি বিচিত্ৰ বিস্ময় তোমাৰ উদৰ
স্থিতি হৈছিল যত জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণৰ
তোমাৰ গৰ্ভতে দেখো কলিত ল'লে
শঙ্কৰ স্বৰূপে আহি পুনৰ জনম।
তোমাৰ বাবেই দেখিলো বিচিত্ৰ সংসাৰ
স্নেহাশীষ বিচাৰিছোঁ মাতৃ বাৰে বাৰ
দিবলৈ নাই একো ঋণময় জীৱনত
সভক্তিৰে নিবেদিলো সেৱা তোমাৰ চৰণত।■■

*লেখক শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সঙ্গী*
*মাজবাট, ওদালগুৰি*

# আইমাতৃ কল্যাণ শাখা

**শ্ৰীভূৱনেশ্বৰী শইকীয়া**

হে মহান সঙ্ঘ
তোমাৰ কালজয়ী সৃষ্টি এই
আইমাতৃ কল্যাণ শাখা।
যি শাখাৰ জ্যোতিয়ে
পোহৰাই তুলিছে
সমগ্ৰ নাৰী জাতি
এটি দিন আছিল
সমাজৰ এলান্ধু কলীয়া
পঙ্কিলতাপূৰ্ণ ৰীতি-নীতিয়ে
নাৰী জাতিক নিদিছিল আগুৱাবলৈ
চাৰিবেৰৰ মাজতে আৱদ্ধ আছিল
তেওঁলোকৰ প্ৰতিভাৰাশি
তোমাৰ কৃপাতে আজি
নাৰী সমাজে পালে নৱপ্ৰজন্ম
বিকশিত হ'ল নানা গুণ গৰিমা
বৰগীত, নাম আৰু কীৰ্ত্তন-ঘোষাৰে
আপ্লুত কৰি সকলোকে
আগুৱাই গ'ল প্ৰগতিৰ পথত
সময়ৰ সদ্ব্যৱহাৰেৰে সমাজৰ বিভিন্ন স্থানত
একগোট হৈ কৰে আলোচনা
ধৰ্ম, শিক্ষা, সংস্কৃতি আদি
বিভিন্ন বিশৰ
তাৰ বলতে আজি বলীয়ান হৈ নাৰী জাতি
উদ্ভাসিত হৈ সকলো দিশতে
সমস্থান পাবলৈ হ'ল সক্ষম
হে,
আইমাতৃ কল্যাণ শাখা
তোমাক কৰো কোটি নমস্কাৰ
তোমাৰ যোগেদিয়েই আমি
গ'লো বহুদূৰ
বিকশিত হ'ল আমাৰ
সুপ্ত জ্ঞান আৰু অভিজ্ঞতা
পাইছোঁ সুবিধা কণ কণ
শিশুহঁতক দিবলৈ
জ্ঞান আৰু কৰ্ম সংস্কৃতিৰ আভাস
তোমাৰ দক্ষতা আৰু গুণৰ
তুলনা নাই
নতুন আলোকেৰে প্ৰভাবিত কৰি
লৈ যোৱা মাতৃ আৰু শিশুহঁতক
নতুন দিগন্তলৈ।■■

*লেখিকা তেজপুৰ জিলাৰ আইমাতৃ কল্যাণ শাখাৰ প্ৰাক্তন সম্পাদিকা*

# সংকল্প

**শ্ৰীবৰদা শইকীয়া**

আমি আহিছো ওলাই সদলে-বলে
আই-মাতৃ সমাৰোহলৈ
নতুন পথৰ সংকল্প ল'বলৈ।।
যুগে যুগে প্ৰবাহমান
নিষ্পেষিতা, নিৰ্যাতিতা, ধৰ্ষিতা
নাৰীৰ কৰুণ ক্ৰন্দনে
আকাশে বতাহে তুলিছে ধ্বনি,
নাৰী কাহানিও নহয় অবলা
ইতিহাসে সুঁৱৰিছে তাৰেই বকলা।।
উৰ্বৰা শইছ তুমি মাতৃ জাতি
তুমি সৃষ্টি, স্থিতি, প্ৰলয়ৰ মাতৃ
তুমি আদ্যশক্তি, তুমি মহা জাগৃতি
তুমিয়েই ধৰিত্ৰী।
তুমিয়েই অসুৰ সংহাৰি
শান্তি স্থাপন কৰা প্ৰহ্লাদৰ মাতৃ
তুমিয়েই ৰাৱণ বধৰ কাৰক
সতী সাধ্বী সীতা
যুগে যুগে নৰৰূপে কৰিছা ধাৰণ।।
তুমিয়েই মহীয়সী খেৰসুঁতি আইতা,
জগত উদ্ধাৰকাৰী গুৰুজনাক দিলা দিব্যজ্ঞান।
তুমিয়েই সতী ৰাধিকা,
জাতি বৰ্ণ নিৰ্বিশেষে ৰাখিলা চানেকি।
তুমিয়েই সহিষ্ণুতাৰ প্ৰতীক
অদাহ্য, অচ্ছেদ্য সতী জয়মতী,
তুমিয়েই কনকলতা, মূলাগাভৰু
শত-সহস্ৰ বীৰঙ্গনা।।
হে নাৰী, মাতৃ জাতি,
দুষ্কৃতিৰ কালিমাই ছানি ধৰা
দেশখনিক কৰা মুকলি,
নতুন প্ৰজন্মক দিয়া আমোঘ বাণী
দুৰ্যোধন, দুঃশাসনৰ ভাও লৈ
নকৰে যেন সৃষ্টি আৰু মহাপ্ৰলয়ৰ।
গুৰুজনাৰ অমৃতবাণীৰে
উদ্ধাৰ কৰা দেশবাসীক।
সমতাৰ মহান বীজেৰে
নতুন প্ৰজন্মক দিয়া গজালি।
অহিংসা, মানৱতাৰে
ফুলি উঠক কলিটি।
ঐক্য সংহতিৰে সুবাসিত
কৰা সমগ্ৰ বিশ্বখনি।।
বলি বিধান ত্যাগ কৰি,
মহাপুৰুষীয়া ধৰ্ম মানি
সৃষ্টি কৰা পবিত্ৰ ভূ-ধাৰা।
কেশমুক্ত পাঞ্চালীৰ অঙ্গীকাৰ লৈ
কৰা অব্যৰ্থ জয়যাত্ৰা
চিৰসুন্দৰ সমাজ গঠনৰ।।
আজি আমি আহিছো সদলে-বলে
আই মাতৃৰ সমাৰোহলৈ
সবকে জনাইছো সেৰা
নতুন পথৰ সংকল্প ল'বলৈ।■■

*লেখিকা মঙ্গলদৈ সাহিত্য শাখাৰ সম্পাদিকা*

# আই অসমী

**শ্ৰীক্ষীৰদা প্ৰভা দাস**

আই অসম চিৰ চেনেহী ৰূপ নাই তুলনা।
ৰূপে গুণে ধন্যা জগততে বন্যা নাই তোমাৰ দৰে উপমা।।
তোমাৰ কোলাত জনম লভিছিল কৃষ্ণ-ভাৰ্যা ৰুক্মিণী আৰু যে কত
সতী সাৱিত্ৰী, বেউলা, জয়মতী, কনকলতা, মূলা গাভৰু
তেনেস্থলত তোমাক আজি কৰিলে কোনে বাৰু ইমান সৰু।।
হে মাতৃ, তোমাৰ শক্তিক আজি কোনে কৰে চাৰখাৰ।
তুমিতো অৱলা মাতৃ তোমাৰ বুকুত কৰে কোন পাপী অত্যাচাৰ।।
তোমাৰ বুকু আজি হ'ল তেজেৰে ৰাঙলি
উচুপি উচুপি কান্দিছা আই কিয়নো হ'লা জীৱন দুখুনী
তোমাৰ সুসন্তান শঙ্কৰ-মাধৱে দিলে ভকতি সুগম পথৰ সন্ধান
ভকতিৰ বান্ধোন মহামিলনেৰে ৰচিছিল বৈকুণ্ঠপুৰী
কৃষ্ণ ভকতিহীন মানুহ যে পশুতুল্য সমান।
৩১ অক্টোবৰ'০৮ত দেখিলো দানৱে কৰা মানৱৰ ৰক্ত পান।।
চৌদিশে মৰা শ আৰু কেঁচা তেজৰ গোন্ধ
আই তোমাৰ সন্তানসকলে জুৰিছে কান্দোনৰ ৰোল
ক'ত মাতৃয়ে পুত্ৰ, পত্নীয়ে স্বামী, সন্তানে পিতৃ-মাতৃ হেৰুৱালে
মাটিত বাগৰি ভাত-পানী এৰি ধুলি-ধূসৰহৈ হিয়া ঢাকুৰি কান্দিছে
কোনে কাক বুজাব কোনে দিব কাক সমিধান
আই তোমাৰ সন্তান আজি শোকত ম্ৰিয়মান
দেশতকৈ মোমাই ডাঙৰ নহয় বুলি ক'বলৈ
গঢ় বান্ধি যুঁজিবলৈ লাচিতো নাই
শান্তিৰ পতাকা উৰুৱাবলৈ কনকলতাও নাই
সেয়েহে আই তোমাৰ বুকুত জ্বলিছে বিষাদৰ জুই।।
আই অসমী তোমাৰ সন্তানসকলক এবাৰ ৰিঙিয়াই কোৱা।
মোৰ সু-সন্তান শঙ্কৰ-মাধৱৰ অহিংসা পথেৰে আগুৱাই যোৱা
অহিংসা পথেৰে গ'লে পাবা সত্যৰ সন্ধান।
তেতিয়াহে হ'ব মানৱ জীৱনৰ পথ মহান।।
জীৱশ্ৰেষ্ঠ মানুহ অমৃতৰ সন্তান শাস্ত্ৰে হেন কয়।
শাস্ত্ৰ সন্মত কৃষ্ণ ভকতি মানুহৰ বাবে শ্ৰেষ্ঠ হয়।।
ভকতিহে দিব মানুহৰ মাজত মানুহৰ দাম।
ভকতি বিহীন সমাজ শ্মশানৰ সমান।■■

*লেখিকা- বৰপেটা জিলাৰ উপ-সভানেত্ৰী,*
*শিশু-আইমাতৃ কল্যাণ সমিতি*

প্ৰবন্ধ

# বৈদিক সমাজ ব্যৱস্থাত নাৰীৰ মৰ্যদা ঃ এক দৃষ্টিপাত

শ্ৰীপ্ৰণৱজ্যোতি কলিতা

জাতিৰ দাপোণ হিচাপে সাহিত্যৰ পৰিচয় বিদ্বানসমাজত সৰ্বজন স্বীকৃত। কোনো এক সমাজ ব্যৱস্থাৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, চালচলন, প্ৰচলিত বিশ্বাস আদিৰ প্ৰভাৱ সেই সমাজৰ সাহিত্যৰ ওপৰত বাৰুকৈয়ে পৰে। কথাষাৰ ওলোটাকৈ ক'লে এনে ধৰণৰ যে কোনো সভ্যতাৰ বা কোনো এখন সমাজৰ ধাৰ্মিক-আধ্যাত্মিক-সামাজিক-সাংস্কৃতিক-বিশ্বাসৰ বিষয়ে জানিবলৈ হ'লে সেই সমাজব্যৱস্থাত সৃষ্ট হোৱা সাহিত্যৰ ওপৰত সূক্ষ্মাতিসূক্ষ্ম অধ্যয়ন অত্যন্তপ্ৰয়োজনীয়। যিহেতু এই প্ৰবন্ধত বৈদিক সমাজত নাৰীৰ মৰ্যদাৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে, সেয়েহে, মূল বিষয়বস্তুত প্ৰৱেশ কৰাৰ আগতে বৈদিক সাহিত্যৰ সামগ্ৰিক জ্ঞানৰ প্ৰয়োজন অনুভূত হয়।

বেদ চাৰিখন— এই কথা কাৰো বাবে অবিদিত নহয়। কিন্তু চাৰিবেদৰ কথা ক'লে ঋক্, যজু, সাম আৰু অথৰ্ব নামৰ ডাঙৰ ডাঙৰআকৃতিৰ চাৰিখন কিতাপৰ যি ধাৰণা সৰ্বসাধাৰণৰ মাজত প্ৰচলিত, সেয়া প্ৰকৃত সত্য নহয়। বেদ হ'ল প্ৰাচীন ভাৰতীয় ঋষিসকলে প্ৰকৃতিৰ ওপৰত গভীৰ ভাৱে তপস্যা কৰি আন কথাত গৱেষণা কৰি উদঘাটন কৰা সত্যজ্ঞান সন্নিবিষ্ট একশ্ৰেণীৰ সাহিত্য বিশেষ, যি সাহিত্য সংহিতা -ব্ৰাহ্মণ-আৰণ্যক-উপনিষদ নামৰ চাৰিটা ভাগত বিভক্ত। সংহিতা হ'ল বেদৰ ছন্দোবদ্ধ মন্ত্ৰাত্মক অংশৰ সংকলন। অৱশ্যে যজুৰ্বেদ সংহিতাত গদ্যৰ প্ৰৱেশো দেখা যায়। সংহিতা ভাগৰ ব্যাখ্যাত্মক অংশই হৈছে ব্ৰাহ্মণ। ব্ৰাহ্মণৰ শেষভাগ আৰণ্যক আৰু আৰণ্যক শেষভাগ হৈছে উপনিষদ। বেদৰ অন্তিমভাগ হোৱা বাবে উপনিষদক বেদান্ত বুলিও কোৱা হয়। অৱশ্যে কোনো কোনো পণ্ডিতে ষড়বেদাঙ্গকো (শিক্ষা-কল্প-নিৰুক্ত-ব্যাকৰণ-ছন্দ-জ্যোতিষ) বৈদিক সাহিত্যৰে অন্তৰ্ভুক্ত কৰে, যদিওবা উভয়ৰ মাজত বস্তুগত বা ভাষাগত দিশৰ বিশাল পাৰ্থক্য থকা দেখা যায়। এই বিশাল সাহিত্য সম্ভাৰত উপলব্ধ নিদৰ্শনসমূহ যদি পুঙ্খানুপুঙ্খভাৱে চালি-জাৰি চোৱা হয়, তেনেহ'লে দেখা যায় যে বৈদিক সাহিত্যত নাৰীয়ে এক মিশ্ৰিত স্থান লাভ কৰিছিল। কথাষাৰ প্ৰবন্ধৰ শেষত স্পষ্ট হৈ পৰিব।

ভাৰতবৰ্ষ এখন পৰিয়ালকেন্দ্ৰীক দেশ। এই পৰিয়ালকেন্দ্ৰীক দেশত পিতৃ পুৰুষৰ প্ৰাধান্যতা বৈদিককালীন যুগ অথবা তাৰ আগৰে পৰা চলি আহিছে। পিতৃক প্ৰধান হিচাপে গণ্য কৰা আৰু পত্নী-পুত্ৰ-কন্যা, শাহুৰ-শহু, দেওৰ-নন্দন আদি অন্যান্য সদস্যৰেপৰিপূৰ্ণ পৰিয়ালৰ উল্লেখ বৈদিক সাহিত্যত পোৱা যায়। অথৰ্ববেদত এনেধৰণৰ বহুতো যাজ্ঞিক কৰ্মৰ উল্লেখ আছে যাৰ দ্বাৰা কন্যা সন্তানৰ তুলনাত পুত্ৰ সন্তানৰ জন্মকহে নিশ্চিত কৰিবলৈ কামনা কৰা হয়।[১] কন্যা সন্তানৰ জন্ম য'তে-ত'তে হওক, কিন্তু পুত্ৰ সন্তানৰ জন্ম এই পৃথিৱীত হওক, এনে ধৰণৰ কামনাও একেখন বেদতে কৰা হৈছে।[২] এনে ধৰণৰ উল্লেখৰ পৰা সেই সময়ত যে কন্যা সন্তানক হেয় জ্ঞান কৰা হৈছিল, তাৰ প্ৰমাণ পোৱা যায়। আনকি পুত্ৰ সন্তান জন্ম দিব নোৱাৰা মাতৃকো তেতিয়াৰ সমাজত অৱজ্ঞা কৰা হৈছিল আৰু তেনে মাতৃক পৰিবৃত্তা বুলি কোৱা হৈছিল[৩]। কিন্তু গৃহিনী হিচাপে এগৰাকী নাৰীয়ে যুগ্ম জীৱনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰাও দেখা যায়। তৈত্তিৰীয় ব্ৰাহ্মণতে কোৱা আছে যে, বিবাহ অবিহনে অৰ্থাৎ পত্নী অবিহনে কোনো পুৰুষ পবিত্ৰ হ'ব নোৱাৰে।[৪] বিবাহেই যে জীৱনত এক নতুন অধ্যায়ৰ সূচনা কৰে সেই কথাৰ উল্লেখ ঋগ্বেদতে পোৱা যায়।[৫] বিবাহসূক্ত নামে

খ্যাত ঋগ্বেদৰ ১০.৮৫ সূক্তত স্ত্ৰী-পুৰুষৰ পৱিত্ৰ আৰু সম্পূৰ্ণ মিলনৰ কামনা কৰা হৈছে। সেই একে সূক্ততেই গৃহিনীকেই গৃহৰ শাসনকৰ্ত্ৰীৰূপেও গণ্য কৰা হৈছে আৰু লগতে পৰিয়ালৰ অন্যান্য সদস্যসকলৰ সৈতে স্বামী-স্ত্ৰীৰ দীৰ্ঘায়ু কামনা কৰা হৈছে। উপনদীসমূহৰ ওপৰত নদীয়ে যিদৰে অধিপত্য কৰে, তেনেদৰে স্বামীগৃহতো যে পত্নীয়ে শাহু-শহুৰ, ননদ-দেৱৰ আদিৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল সেই কথা অথৰ্ববেদতে কোৱা আছে।[৬] ঋগ্বেদৰ অক্ষসূক্তত কেৱলমাত্ৰ জুৱাখেলৰ প্ৰতি থকা দুৰ্বলতাৰ বাবেই নিজৰ প্ৰিয়তমা পত্নীক হেৰুৱাবলগীয়া হোৱা এজন জুৱাৰীৰ অনুশোচনাৰ পৰাই পৰিয়ালত পত্নীৰ ভূমিকাৰ বিষয়ে অনুমান কৰিব পৰা যায়।[৭]

বৈদিকযুগত কোনো পুৰুষে একে সময়তে এজনীতকৈ অধিক পত্নীক বিয়া কৰাব পৰাটো যদিও নিয়মৰ ভিতৰুৱা আছিল, কিন্তু নাৰীৰ ক্ষেত্ৰত এই সম্পৰ্কে নিষেধাজ্ঞা আছিল, অৰ্থাৎ কোনো নাৰীয়ে এজনতকৈ অধিক পুৰুষক বিবাহ কৰাব নোৱাৰিছিল।[৮] এই সন্দৰ্ভত এটা কথা স্পষ্ট কৰি থোৱা ভাল যে নাৰীৰ বহুবিবাহক নিষেধ কৰাৰ পৰা ধৰি ল'ব পৰা যায় যে, তাৰ পূৰ্বতে সমাজত নিশ্চয় নাৰীৰ বহুবিবাহৰ প্ৰচলন আছিল, অন্যথা তাক নিষেধ কৰাৰ প্ৰসঙ্গই নাহিলহেঁতেন। আনকি, বৈদিক ঋষিসকলে দৰ্শন কৰা মন্ত্ৰৰাশিতো অশ্বিদ্বয় আৰু মৰুৎসকলৰ উমৈহতীয়া পত্নী থকাৰ কথা উল্লেখ আছে।[৯] এইখিনিতে উল্লেখ কৰিবলগীয়া আকৰ্ষণীয় কথা এইটোৱেই যে অথৰ্ববেদত এনে এগৰাকী নাৰীৰো উল্লেখ আছে যি গৰাকীয়ে নিজৰ দহজনকৈ অব্ৰাহ্মণ স্বামী থকাৰ পিছতো একাদশবাৰৰ বাবে এজন ব্ৰাহ্মণক স্বামীবৰণ কৰে আৰু অৱশেষত একাদশতম ব্ৰাহ্মণজনেই সেই গৰাকী নাৰীৰ প্ৰকৃত স্বামীৰূপে বিবেচিত হয়।[১০]

তেতিয়াৰ সমাজ জীৱনত নাৰীৰ বিবাহ বিষয়ক নিৰ্ণয় প্ৰধানকৈ নিৰ্ভৰ কৰিছিল পৰিয়ালৰ মুৰব্বী অৰ্থাৎ পিতৃৰ ইচ্ছাৰ ওপৰত। এই ক্ষেত্ৰত শতপথ ব্ৰাহ্মণত উল্লিখিত বহুজন বিদিত চ্যৱনমুনিৰ বৃত্তান্তৰ কথাকে উনুকিয়াব পৰা যায় য'ত সুকন্যা নামৰ যুৱতী গৰাকীয়ে কেৱল মাত্ৰ নিজৰ পিতৃৰ ইচ্ছাৰ বাবেই বৃদ্ধ চ্যৱনমুনিৰ সৈতে বিবাহপাশত আৱদ্ধ হৈ মৃত্যু পৰ্যন্ত স্বামীৰ প্ৰতি বিশ্বস্ত হৈ ৰোৱাৰ সংকল্প কৰিছিল।[১১] আনফালে সূৰ্য দুহিতা সূৰ্যাই নিজৰ পছন্দ অনুযায়ী অশ্বিদ্বয়ক স্বামীৰূপে বৰণ কৰাৰ পৰা তেতিয়াৰ সমাজত যে তেনে ধৰণৰ পৰম্পৰাৰো প্ৰচলন আছিল, সেই কথাৰো প্ৰমাণ পোৱা যায়।[১২]

ঋগ্বেদৰ দশম মণ্ডলত উপলব্ধ যম-যমীৰ কথোপকথনৰ পৰা জানিব পৰা যায় যে সেই সময়তো ভাতৃ-ভগ্নীৰ মাজত বিবাহ সম্পৰ্ক নিষিদ্ধ আছিল। বৈদিক সাহিত্যত বাল্যবিবাহৰ প্ৰচলনৰো কোনো উল্লেখ পোৱা নাযায়। যদিও বা ছান্দোগ্য উপনিষদৰ উষস্তিঋষিৰ পত্নী এজনী সৰু ছোৱালী বুলি সমস্ত বৈদিক সাহিত্যৰ ভিতৰতে একমাত্ৰ উদাহৰণৰূপে উপলব্ধ।[১৩] পূৰ্বতে উল্লেখ কৰাৰ দৰে বিবাহিত জীৱনত নাৰীয়ে স্বামীগৃহত যিদৰে এক সন্মানজনক জীৱন লাভ কৰিছিল, তেনেদৰেই সেই সন্মানজনক জীৱনেই স্বামীৰ মৃত্যুৰ পিছত সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰিছিল। প্ৰাচীন ভাৰতত প্ৰচলিত আৰু বহুজন চৰ্চিত সতীদাহ প্ৰথাৰ উল্লেখ বৈদিক সাহিত্যত স্পষ্টভাৱে উল্লিখিত নহ'লেও ঋগ্বেদৰ দশমমণ্ডলত তেনে ধৰণৰ এক অস্পষ্ট ইঙ্গিত পোৱা যায়।[১৪] স্বামীৰ চিতাৰ ওচৰত এজনী বিধৱাই পালন কৰিবলগীয়া আনুষ্ঠানিকতাৰ বিষয়ে অথৰ্ববেদত উল্লেখ আছে। অৱশ্যে ধন-সম্পত্তি, সতি-সন্ততিৰ সৈতে এক উন্নত জীৱনৰ কামনাও এগৰাকী বিধৱাৰ প্ৰতি কৰা হৈছে।[১৫] বিধৱাৰ পুনৰ্বিবাহৰ অনুমতি বেদত পোৱা যায়। জ্যেষ্ঠ ভ্ৰাতৃৰ মৃত্যুৰ পিছত বৌৱেকৰ দ্বিতীয় বৰ হোৱাৰ বাবেই দেৱৰক 'দেৱৰ' বুলি কোৱা হয়, এনে উক্তি নিৰুক্তকাৰ যাস্কাচাৰ্য্যৰ।[১৬] অৱশ্যে এই বিবাহৰ কোনো আনুষ্ঠানিকতা নাছিল। এয়া আছিল তথাকথিত নিয়োগ ব্যৱস্থাৰ প্ৰকাৰ বিশেষহে। অথৰ্ববেদত এনে ধৰণৰ মিলন কেৱল পৰলোকতহে সম্ভৱ বুলি কোৱা হৈছে।[১৭]

এইখিনিতে পত্নী হিচাপে নাৰীৰ মৰ্যদাৰ বিষয়ে কিছু কথাৰ পুনৰুক্তিৰ প্ৰয়োজন অনুভূত হয়। বৈদিক সাহিত্যত নাৰীক যজমানৰ ঘৈণীয়েক হোৱাৰ অৰ্থতহে

'পত্নী' শব্দৰে সূচোৱা হৈছে। সেই কথা মহৰ্ষি পাণিনিয়েও নিজৰ 'শব্দানুশাসনম্' গ্ৰন্থত স্বীকাৰ কৰি গৈছে।[১৮] ইয়াৰ অৰ্থ এইটোৱে যে নাৰীয়ে কেৱলমাত্ৰ যজমানৰ ঘৈণীয়েক হোৱাৰ বাবতহে যজ্ঞত অংশগ্ৰহণ কৰিব পাৰিছিল, তাৰ অন্যথাই নোৱাৰিছিল। যজ্ঞৰ ভিতৰচ'ৰাতো আকৌ পত্নীয়ে তুলনামূলকভাৱে স্বামীতকৈ তলখাপৰ স্থানহে লাভ কৰিছিল। স্বৰ্গসুখ কামনা কৰি কৰা যজ্ঞত পত্নীৰ অংশগ্ৰহণ নিষিদ্ধ আছিল[১৯] আৰু এগৰাকী পত্নীয়ে সেইবোৰ যাজ্ঞিক ক্ৰিয়াতহে অংশ ল'ব পাৰিছিল, যিবোৰত পুত্ৰসন্তান, সম্পদাদি পাৰ্থিৱ বস্তুৰহে কামনা কৰা হয়।[২০] যজ্ঞানুষ্ঠানৰ সময়ছোৱাতো নাৰীৰ প্ৰতি যে এক সন্দহেৰ দৃষ্টি নিক্ষিপ্ত হৈছিল সেই কথা 'বৰুণ প্ৰযাস' নামৰ অনুষ্ঠানৰ পৰা জনা যায়, য'ত এগৰাকী নাৰীয়ে বৰুণৰ কোপদৃষ্টিত নিজৰ আত্মীয়জনক হেৰুওৱাৰ চৰ্তত দেৱতাৰ উদ্দেশ্যে কৰম্ভপাত্ৰহোম আগবঢ়োৱাৰ আগতে নিজৰ সতীত্বৰ শপত গ্ৰহণ কৰিব লাগিছিল।[২১] যাৰ বিপৰীতে, পুৰুষৰ বাবে তেনে ধৰণৰ কোনো বিধান বৈদিক সাহিত্যত পোৱা নাযায়। আনহাতে সোমযাগৰ দীক্ষণীয়েষ্টিতো যজমানক মন্ত্ৰোচ্চাৰণেৰে দীক্ষিত কৰাৰ বিপৰীতে যজমান পত্নীৰ দীক্ষা মন্ত্ৰ উচ্চাৰণ নকৰাকৈয়ে সমাপন কৰা হৈছিল।[২২] যজ্ঞৰ ক্ষেত্ৰত পুৰুষৰ বহুবিবাহ প্ৰথায়ো একাধিক পত্নী থকা যজমানৰ প্ৰথম গৰাকী স্ত্ৰীৰ বাহিৰে আনবোৰৰ মৰ্যদা হানি কৰিছিল। কাৰণ যজমানৰ পত্নী হোৱাৰ বাবত কেৱল প্ৰথম গৰাকী স্ত্ৰীয়েহে যজ্ঞত ভাগ ল'ব পাৰিছিল। আনবোৰক সেই অধিকাৰ দিয়া হোৱা নাছিল।[২৩]

অৱশ্যে সাধাৰণ জীৱন যাপনত এটা পৰিয়ালত নাৰী-পুৰুষ উভয়ে উভয়ৰ সহযোগী হোৱাৰ নিদৰ্শনো নোহোৱা নহয়। পুৰুষৰ দৰে মহিলায়ো বিভিন্ন বৃত্তি অৱলম্বন কৰি জীৱননিৰ্বাহ কৰাৰ উদাহৰণ শুক্ল যজুৰ্বেদৰ ত্ৰিংশাধ্যায়ত উপলব্ধ। বৈদিককালীন নাৰীয়ে গ্ৰহণ কৰা কিছুমান বৃত্তি হ'ল- ঊণগোঠা কাৰ্য, বাঁহ-বেত আদিৰে বিভিন্ন সঁজুলিৰ নিৰ্মাণ কাৰ্য, প্ৰসাধন দ্ৰব্যৰ প্ৰস্তুতকাৰ্য আদি প্ৰধান। পাণিনীয়শিক্ষাত উল্লেখ থকা অনুসাৰে তেতিয়াৰ নাৰীয়ে উৎপাদিত বিভিন্ন বস্তু কঢ়িয়াই ঘৰে ঘৰে বিক্ৰী কৰি ফুৰিছিল আৰু গ্ৰাহকক আকৰ্ষিত কৰিবৰ বাবে মুখেৰে এক বিশেষ ধৰণৰ শব্দৰো উচ্চাৰণ কৰিছিল।[২৪] আনকি যুদ্ধক্ষেত্ৰতো বিচক্ষণতাৰে যুদ্ধ কৰি বিজয়ী হোৱা নাৰীৰ উদাহৰণো বৈদিক সাহিত্যত পোৱা যায়।[২৫]

শিক্ষাৰ ক্ষেত্ৰতো তৎকালীন সমাজৰ নাৰীয়ে পুৰুষক চেৰ পেলোৱা বুলি নক'লেও কিছুসংখ্যক বিদূষীনাৰীয়ে তলপৰি যে থকা নাছিল তাৰ প্ৰমাণো বেদতে পোৱা যায়। ব্ৰহ্মচৰ্য পালন আৰু বেদাধ্যয়নৰ ফলত যে কন্যাই যৌৱনসম্পন্ন সুন্দৰ স্বামী লাভ কৰে, তেনে ধৰণৰ উল্লেখ বৈদিক সাহিত্য পোৱা যায়।[২৬] আনকি এনে কিছুমান মহিলাৰ নামো দৃষ্টান্তৰূপে উল্লেখ কৰিব পৰা যায়, যিসকলে নিজৰ মেধাৰ বলত বৈদিক মন্ত্ৰ পৰ্যন্ত দৰ্শন কৰিববলৈ সমৰ্থ হৈছিল। তেনে ধৰণৰ কেইগৰাকীমান বিদূষী মহিলা হ'ল— লোপামুদ্ৰা, বিশ্ববাৰা, সিকৰা, নিবাৱৰী, আম্ভূণীবাক্, কাক্ষীবতী ঘোষা আদি।[২৭] বৃহদাৰণ্যক উপনিষদত গাৰ্গী বাচাক্নবী নামৰ এগৰাকী ব্ৰহ্ম বিদূষী মহিলাৰ বৰ্ণনা পোৱা যায়।[২৮] একেখন উপনিষদৰ পৰা গম পোৱা যায় যে যাজ্ঞবল্ক্যঋষিৰ দুগৰাকী পত্নীৰ ভিতৰত মৈত্ৰেয়ী আছিল আধ্যাত্মিক জ্ঞানসম্পন্না।[২৯]

এনেদৰে বৈদিক সাহিত্যত উপলব্ধ নিদৰ্শনসমূহ বিভিন্ন দৃষ্টিভঙ্গীৰে বিচাৰ কৰি চালে দেখা যায় যে, তেতিয়াৰ সমাজত নাৰীয়ে কল্যাণৰূপতেই হওক, পত্নীৰূপতেই হওক অথবা বিধৱাৰূপতেই হওক, ভিন্ন ভিন্ন প্ৰসংগত ভিন্ন স্থান লাভ কৰিছিল। সেই সময়ৰ নাৰীয়ে কোনো সময়ত যদি সমাজৰ দ্বাৰা অৱহেলিতাও হৈছিল, আন কোনো সময়ত আকৌ উচ্চ স্থানো দখল কৰিছিল। কিন্তু নাৰীৰ এনে এক ৰূপো আছে, যি ৰূপত তেওঁ বিশ্বৰ সৰ্বকালৰ সকলো সমাজতে যথোচিত মৰ্যদাৰে বন্দিতা হৈ আহিছে। নাৰীৰ সেই স্নেহময়ী, মমতাময়ী, সৰ্ববন্দনীয়া ৰূপেই হ'ল মাতৃৰূপ। বৈদিক সমাজতো সকলোৱে জননী স্বৰূপা মাতৃৰূপা নাৰীক উপযুক্ত সন্মান দিয়া হৈছে। নিদৰ্শনৰূপে তৈত্তিৰীয় উপনিষদৰ নিম্নোক্ত মন্ত্ৰটিৰ অৱতাৰণা কৰিব পৰা যায়

যাৰ দ্বাৰা গুৰুৱে শিষ্যক শিক্ষান্তৰ সময়ত মাতৃ যাৰ দেৱতা, পিতৃ যাৰ দেৱতা আৰু আচাৰ্য যাৰ দেৱতা, তেনে হ'বলৈ পৰামৰ্শ দিছে— 'মাতৃদেৱো ভৱ, পিতৃদেৱো ভৱ আচাৰ্যদেৱো ভৱ।'৩০

বৃহদাৰণ্যক উপনিষদৰ অন্তিমাধ্যায়ত উল্লেখ থকা মতে প্ৰজাপতিলব্ধ উপনিষদ বিদ্যা বহনকাৰী গুৰু শিষ্যসকলক মাতৃৰ নামেৰে পৰিচিত কৰা হৈছে, যেনে- কাত্যায়নীপুত্ৰ, পৌতিমাষীপুত্ৰ, গৌতমীপুত্ৰ, ভাৰদ্বাজী পুত্ৰ, পাৰাশৰীপুত্ৰ, ঔপস্বস্তীপুত্ৰ, কাপীপুত্ৰ ইত্যাদি।৩১ শঙ্কৰাচাৰ্যই তেওঁৰ প্ৰাসঙ্গিক টীকাত উল্লেখ কৰিছে যে স্ত্ৰী প্ৰাধান্য হোৱা হেতুকে আচাৰ্য পৰম্পৰাত মাতৃসকলৰ নামেৰে পুত্ৰসকলৰ পৰিচয় দিয়া হৈছে।৩২ তেনেদৰে ছান্দোগ্য উপনিষদত সত্যকামজবালেও মাতৃৰ নামেৰে পৰিচিত হৈছিল৩৩ আৰু তদ্ৰূপ ইতৰাৰ পুত্ৰ মহীদাসেও মাতৃৰ নামেৰে ঐতৰেয় ব্ৰাহ্মণ তথা ঐতৰেয় আৰণ্যকৰ দ্ৰষ্টাৰূপে পৰিগণিত হয়।৩৪

সেয়েহে বৈদিক যুগত নাৰীয়ে ভাল অথবা বেয়া স্থান লাভ কৰা কথাটো একেষাৰতে কৈ শেষ কৰিব পৰা নাযায়। সেই সময়ত নাৰীয়ে মিশ্ৰিত স্থান লাভ কৰিছিল বুলি কোৱা কথাষাৰহে অধিক সংগত হ'ব বুলি বিবেচিত হয়।■■

**পাদটীকা ঃ**

১. অথৰ্ববেদ, ৩-২৩, ৬-১১
২. উক্তগ্ৰন্থ, ৬-১২-৩
৩. শতপথব্ৰাহ্মণ, ৫.৩.১১৩
৪. তৈত্তিৰীয়ব্ৰাহ্মণ, ১১-২-২৬, অযজ্ঞিয়ো বা এষ য়ো অপত্নীক
৫. ঋগ্বেদ, ১০-৮৫-২৪
৬. অথৰ্ববেদ, ১৪-১-৪৩,৪৪
৭. ঋগ্বেদ, ১০-৩৪-২
৯. ঋগ্বেদ, ৪-৪৩-৬; ৫-৬১-৪ মিলাই চাওঁক
১০. অথৰ্ববেদ, ৫-১৭-৮ মিলাই চাওঁক
১১. শতপথব্ৰাহ্মণ, ৪-১-৫-৯
১২. ঐতৰেয়ব্ৰাহ্মণ, ৪-১৭-১
১৩. ছান্দোগ্য উপনিষদ, ১-১০-১; আতিক্যা জায়য়া
১৪. ঋগ্বেদ, ১০-১৮-৭
১৫. অথৰ্ববেদ, ১৮-২-১
১৬.
১৭. অথৰ্ববেদ, ১-৫-২৭-২৮
১৮. অষ্টাধ্যায়ী, ৪-১-৩৩; পত্যুৰ্নো যজ্ঞ সংযোগে
১৯. কাঠকসংহিতা, ২৩-৯; পত্নীং তু ন সংযাজয়েত্/ অমেধ্যা বা এষা অপৃতা নেশ্বৰা স্বৰ্গং লোকং গন্তোঃ
২০. শতপথব্ৰাহ্মণ, ২-৬-২-১৪; ২-৫-২-২৫; ৩-৩-১-১২
২১. তৈত্তিৰীয় ব্ৰাহ্মণ, ১-৬-৫-২; শতপথব্ৰাহ্মণ, ২-৫-২-২০
২২. Indian Historical quarterly, June. 1941, pp. 180-195
২৩. শতপথব্ৰাহ্মণ, ২-৬-২-১৪; ২-৫-২-২৫; ১৩-৫-২-২
২৪. পাণিনীয়শিক্ষা,
২৫. ঋগ্বেদ, ১০-১০২-২
২৬. অথৰ্ববেদ, ১১-৫-১৮; ব্ৰহ্মচৰ্যেণ কন্যানাং যুৱান্ ৱিন্দতে পতিম্
২৭. লোপমুদ্ৰা, ঋগ্বেদ, ১-১৭৯-১/২; বিশ্ববাৰা, উক্তগ্ৰন্থ ৫-২৪; সিকতা নিবাৱৰী, উক্তগ্ৰন্থ ৯-৮৬; ২-২০; ৩১-৪০; ঘোষা, উক্তগ্ৰন্থ, ১০-৩৯, ৪০
২৮. বৃহদাৰণ্যক উপনিষদ, ৩.৬-৮
২৯. উক্তগ্ৰন্থ, ২-৪-৩
৩০. তৈত্তিৰীয় উপনিষদ, ১-১১-২
৩১. বৃহদাৰণ্যক উপনিষদ, ৬-৫-১,২
৩২. শাঙ্কৰভাষ্য, যথোক্তস্থান
৩৩. ছান্দোগ্য উপনিষদ, ৪-৪
৩৪. সায়ণভাষ্যভূমিকা, ঐতৰেয়ব্ৰাহ্মণ

*লেখক ঃ বি. বৰুৱা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অতিথি অধ্যাপক*

# নামঘোষাত গীতা-দৰ্শন

**শ্ৰীবোধেশ্বৰ কাকতি**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গীতা, শ্ৰীমদ্ভাগৱত আৰু সহস্ৰ নামৰ পৰা ভক্তিধৰ্মৰ সাৰ গ্ৰহণ কৰি একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তন কৰিছে। বেদৰ সাৰ ভাগ উপনিষদ। উপনিষদৰ সাৰ গীতা। গীতাই নিৰীশ্বৰবাদী আৰু ব্ৰহ্মবাদী দৰ্শনবোৰৰ সমন্বয় কৰি তাৰ দাৰ্শনিক মতবোৰ ঈশ্বৰমুখী কৰিছে। গীতাই বেদান্তৰ জ্ঞানযোগ, মীমাংসা দৰ্শনৰ কৰ্মকাণ্ড আৰু পতঞ্জলিৰ ধ্যানযোগৰ সমন্বয় কৰি একশৰণ ভক্তিযোগৰ প্ৰাধান্য দেখুৱাইছে। গীতাৰ পৰা এই শ্ৰেষ্ঠ ভক্তিযোগ, সগুণ ঈশ্বৰত একশৰণৰ মাহাত্ম্য আনি মহাপুৰুষ শঙ্কৰদেৱে নামধৰ্মত প্ৰাণ সঞ্চাৰণ কৰিছে। শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মত জ্ঞান ঈশ্বৰৰ জ্ঞান, ধ্যান- ঈশ্বৰৰ ধ্যান, কৰ্ম ঈশ্বৰৰ উদ্দেশ্যে কৰা নিষ্কাম কৰ্ম; কিন্তু এনে সাধনা সকলো ভক্তিমূলক। মহাপুৰুষীয়া ধৰ্মত ভক্তি বিৱৰ্জিত কৰ্ম, জ্ঞান, ধ্যান অসাৰ্থক।

মহাপুৰুষীয়া ধৰ্মৰ আনখন আধাৰ শাস্ত্ৰ হ'ল শ্ৰীমদ্ভাগৱত। ব্যাসে অনেক পুৰাণ, অনেক শাস্ত্ৰ ৰচনা কৰি, বেদান্তত ব্ৰহ্মাৰ স্বৰূপ নিৰ্ণয় কৰিও তেওঁ মনত শান্তি নাপালে। অৱশেষত মহাভক্ত নাৰদৰ উপদেশত তেওঁ সগুণ ঈশ্বৰৰ লীলা চৰিত্ৰ বৰ্ণনা কৰি শ্ৰীমদ্ভাগৱত ৰচনা কৰিহে শান্তি পালে। সগুণ ঈশ্বৰৰ গুণ-লীলা শ্ৰৱণ-কীৰ্তন কৰি ঈশ্বৰক ভজনা কৰিবলৈ শিক্ষা দিয়াই ভাগৱত শাস্ত্ৰ উদ্দেশ্য।

মহাপুৰুষীয়া ধৰ্মৰ অন্যতম প্ৰচাৰক মহাপুৰুষ মাধৱদেৱে গীতা ভাগৱত শাস্ত্ৰক আধাৰ হিচাপে লৈ একশৰণ হৰিনাম ধৰ্মৰৰ দাৰ্শনিক ভেটি সুদৃঢ় কৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ চাৰিপুথিৰ ভিতৰত 'নাম-ঘোষা' পুথিৰ দাৰ্শনিক ভিত্তিত গীতা-ভাগৱত শাস্ত্ৰ। নাম-ঘোষাত পুণ্য শ্লোক গুৰুজনাৰ প্ৰশস্তি, পৰম পুৰুষ কৃষ্ণৰ মাহাত্ম্য প্ৰকাশৰ লগতে নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তন ভক্তি আৰু পৰম ভজনীয় পৰম দেৱতা কৃষ্ণৰ চৰণত ভক্ত কবিৰ আত্মনিৱেদন ভাৱ প্ৰকট হৈ উঠিছে। একান্ত ভক্তিভাৱে হৰিনাম শ্ৰৱণ-কীৰ্তন কৰাই মহাপুৰুষীয়া ধৰ্মৰ মূল নীতি, এই কথা সাৰোগত কৰি মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত ভক্তিধৰ্মৰ মাহাত্ম্য প্ৰকাশ কৰিছে।

গোৱিন্দৰ নামগুণ কীৰ্ত্তন কৰন্তে জানা
কিঞ্চিতেকো নাহিকে প্ৰয়াস।
নিজ গুণ লুব্ধ হৰি কীৰ্ত্তন কৰন্তে াসি
হৃদয়তে হোৱন্ত প্ৰকাশ।।

-- নাম-ঘোষা-৮১

মহাপুৰুষীয়া ধৰ্মই প্ৰথমতে লোকক নাম লৈ থাকিবলৈ উপদেশ দিছে, কাৰণ নাম লওঁতে লওঁতে নাম লওঁতাজনৰ নামৰ প্ৰতি ৰুচি জন্মি ক্ৰমে প্ৰভু ভগৱন্তৰ নামত তেওঁৰ আসক্তি হ'ব আৰু ঈশ্বৰ তেওঁৰ হৃদয়ত প্ৰকাশিত হ'ব।

মহাপুৰুষ মাধৱদেৱৰ 'নাম-ঘোষা' পুথিখন এখন উত্তম শাস্ত্ৰ। তাৰাই এই পুথিখনিৰ মাজেৰে ভক্তি আৰু প্ৰেম ৰসৰ অফুৰন্ত নিজৰা চিৰপ্ৰবাহিত কৰি ৰাখিছে। মহাপুৰুষগৰাকীয়ে এই 'নাম-ঘোষা' পুথিৰ গীতাশাস্ত্ৰৰ আধাৰত পুৰুষোত্তম কৃষ্ণৰ ঈশ্বৰত্ব প্ৰকাশ কৰাৰ লগতে একশৰণ তত্ত্ব, ভগৱৎ ভক্তি আৰু গীতা মাহাত্ম্য প্ৰকাশ কৰিছে সেই বিষয়ে আলোচনা প্ৰমাণ কৰা হৈছে। গীতাৰ শৰণ মাহাত্ম্য প্ৰকাশ কৰিবলৈ যাওঁতে মাধৱপুৰুষে গীতাৰ অধিক সংখ্যক শ্লোক অনুবাদ কৰি নাম-ঘোষা পুথিত স্থান দিছে। এই অনুবাদমূলক ঘোষা ফাঁকিৰ মাজেদিয়েই বেদান্তৰ ব্ৰহ্মবাদৰ নিগূঢ় তত্ত্ব প্ৰাঞ্জল ভাষাত দাঙি ধৰিছে। ভক্তি আৰু দৰ্শনৰ মাজেদি প্ৰকৃতাৰ্থত একেশ্বৰবাদ সাধন পদ্ধতিৰ পথ উন্মোচন কৰি তুলিছে মহাপুৰুষ মাধৱদেৱে। মহাপুৰুষীয়া ভক্তি ধৰ্মৰ দাৰ্শনিক দিশৰ ভিত্তি হৈছে— গীতা আৰু ভাগৱতৰ পুৰুষোত্তম তত্ত্ব। ভক্তিধৰ্মৰ উপাসনাত সগুণ ব্ৰহ্মাই শ্ৰীকৃষ্ণ আৰু তেওঁৰ নিৰ্গুণ বিভাৱেই পৰমব্ৰহ্ম। মহাপুৰুষীয়া ধৰ্মৰ দৰ্শন শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদো নহয়, ৰামানুজৰ বিশিষ্ট দ্বৈতবাদো নহয়; ই হ'ল গীতা ভাগৱতৰ পুৰুষোত্তম তত্ত্ব- একেশ্বৰবাদ। এই কথা প্ৰণিধানযোগ্য যে গীতা ভাগৱতৰ সম্যক অধ্যয়ন

আৰু উপলব্ধিৰ অবিহনে এই দৰ্শনৰ ধাৰণা সম্ভৱ নহয়। নাম-ঘোষাত পুৰুষোত্তম নাৰায়ণক সৃষ্টি-স্থিতি-প্ৰলয়ৰ মূল অদ্বৈতৰূপী গৰাকী হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। অৰূপ কৃষ্ণৰ অদ্বৈত ৰূপৰ, নিৰ্গুণ কৃষ্ণৰ গুণৰ সাৰ্থক উপলব্ধিৰ অন্তত মহাজ্ঞানী-যোগীসকলে পুৰুষোত্তম কৃষ্ণৰ চৰণত শৰণে পশিছে। *নাম-ঘোষা*'ত মহাপুৰুষীয়া ধৰ্মৰ ভক্তি আৰু দৰ্শনৰ অপূৰ্ব সমন্বয় ঘটিছে। মহাপুৰুষ মাধৱদেৱে জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ অনুসৰণ কৰি সমস্ত বৈষ্ণৱ শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি নিজস্ব উপলব্ধিৰ মাজেদি গীতা-ভাগৱত শাস্ত্ৰৰ মূলাধাৰত অৱগাহন কৰি *নাম-ঘোষা*ৰ তাৰাত ধৰ্ম দৰ্শন দাঙি ধৰিছে।

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয়।।৬২০

এই ঘোষা ফাঁকি শ্ৰীধৰস্বামীৰ (গীতা) সুবোধিনী টীকাৰ ১৮,৭৮ শ্লোকৰ ভাঙনি।

মহাপুৰুষ মাধৱদেৱে ঘোষা শাস্ত্ৰখনিৰ আৰম্ভণিতে মুক্তিৰ প্ৰতি নিস্পৃহ ভকতক নমস্কাৰ কৰি ৰসময় ভকতিহে মাগিছে। এই ভকতিৰ মাজেদি তাৰাই সকলোৱে মস্তকমণি কৃষ্ণক ভজনা কৰিছে। সকলোনিগম শাস্ত্ৰৰ কল্পতৰু ফল মহাভাগৱত। ইয়াৰ অমৃতময় ৰস পান কৰিবলৈ মৌ-মাখিৰ সদৃশ একান্ত ভকসকলে সাধুসঙ্গ পাবলৈ আশা কৰে।

গীতা ঈশ্বৰবাদী শাস্ত্ৰ (Theistic Scripture)। সেই কাৰণে সগুণ ঈশ্বৰৰ প্ৰাধান্য গীতাত প্ৰকাশ পাইছে। গীতাৰ দ্বাদশ অধ্যায়ৰ প্ৰাৰম্ভতে সগুণ ঈশ্বৰ আৰু নিৰ্গুণ ব্ৰহ্মৰ উপাসনাৰ কোনটো শ্ৰেষ্ঠ সেইটো উত্থাপন কৰিছে। এই ক্ষেত্ৰত গীতাই সগুণ উপাসনাৰ সপক্ষে যুক্তি দাঙি ধৰিছে। *নাম-ঘোষা*ৰ মহিমাযুক্ত উপদেশ প্ৰসঙ্গত কৃষ্ণই অৰ্জুনক দিয়া উপদেশ এই প্ৰসঙ্গত উল্লেখযোগ্য।

বসুদেৱসুতং কৃষ্ণং কংসচানুৰমৰ্দ্দনম্।
দেৱকীহৃদয়ানন্দং কৃষ্ণং ৱন্দে জগদ্‌গুৰুম্।।
-- গীতা-মাহাত্ম্য

নাম-ঘোষাত ভাঙনি কৰিছে—

'বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চানুৰাদি বিমৰ্দ্দন।
দেৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহোঁ বন্দন।।১৩৫

বসুদেৱৰ পুত্ৰৰূপে অৱতাৰ হোৱা, দুষ্ট ৰজা কংস, চানুৰ আদি দৈত্যদমনকাৰী কৃষ্ণ ভকতৰ একমাত্ৰ ইষ্টদেৱতা হিচাপে সকলোৱে নমস্য। দেৱকীৰ আনন্দ ধন জগতৰ গুৰু কৃষ্ণ তোমাৰ চৰণত আমি বন্দনা কৰোঁ।

যস্মাৎ ক্ষৰমতীতোহমৰাদপি চোত্তমঃ।
অতোহস্মি লোকে ৱেদে চ প্ৰথিতঃ পুৰুষোত্তমঃ।।
-- গীতা- ১৫/১৮

ইয়াৰ অনুবাদ—

ক্ষৰ পদে ইটো দেহক বুলিয়
অক্ষৰ শবদে ব্ৰহ্ম।
দুইটো কৰি হৰি উত্তম নিমিত্তে
প্ৰখ্যাত পুৰুষোত্তম।।১৭১

— 'ক্ষৰ' শব্দই বিনাশশীল অৰ্থাৎ দেহক বুজায়, 'অক্ষৰ' শব্দই অবিনশ্বৰ অৰ্থাৎ নিৰাকাৰ, অব্যক্ত ব্ৰহ্মক বুজায়। 'হৰি' শব্দই পৰমাত্মাক বুজাইছে। দেহ আৰু জীৱাত্মাতকৈ পৰমাত্মা উত্তম। অৰ্থাৎ দেহটো নশ্বৰ। জীৱাত্মাতো অবিদ্যাৰ উপাধি পৰে; কিন্তু পৰমাত্মা অবিদ্যাৰ ভিতৰত প্ৰৱেশ নকৰে, গতিকে পৰমাত্মা উত্তম; এই কাৰণেই ভগৱানৰ আন এটা নাম পুৰুষোত্তম অৰ্থাৎ ভগৱান পুৰুষোত্তম বুলি প্ৰখ্যাত। ভাগৱত পুৰাণতো কৈছে—

পৰমাত্মা পৰব্ৰহ্ম নিৰ্গুণং প্ৰকৃতেঃ পৰঃ।
কাৰণং কাৰণানাঞ্চ শ্ৰীকৃষ্ণো ভগৱান্ স্বয়ম্।।

নাম-ঘোষাত ভাঙনি কৰিছে—

প্ৰকৃতি পুৰুষ দুইতো কৰি পৰ
দুইহানো নিজ কাৰণ।
পৰম ঈশ্বৰ নামক ধৰিয়া
আছা তাতে নাৰায়ণ।।১৭২

— পঞ্চভূতময় দেহ বা সত্ত্ব, ৰজ, তম গুণযুক্ত জড় জগতক প্ৰকৃতি বোলে। এই প্ৰকৃতিৰ মাজতে জীৱাত্মাই বাস কৰে। জীৱাত্মা আৰু প্ৰকৃতি দুয়ো পৰমাত্মাৰ মূল কাৰণ। পৰমাত্মা বা নাৰায়ণ প্ৰকৃতি পুৰুষ দুয়োৰো গৰাকী হোৱা বাবেই তেওঁক পৰমেশ্বৰ বোলে।

গীতাত কৈছে যে ঈশ্বৰ জ্ঞান লাভৰ অৰ্থে কৰা

কামবোৰ সত্ত্ব, ৰজ, তম গুণমূলক। মানুহে যাগ, যজ্ঞ আদি যি কৰ্ম কৰে, সেইবোৰ গুণমূলক সকাম কৰ্ম; এইবোৰ কৰিলে ঈশ্বৰ জ্ঞান হ'ব পাৰে; কিন্তু তাৰ লগত ভক্তি যোগ নহ'লে সি কেৱল স্বৰ্গসুখহে দিব পাৰে, মুক্তি দিব নোৱাৰে। গতিকে ভক্তিহীন জ্ঞানকৰ্মবোৰ বন্ধনৰহে হেতু। সেই কাৰণে মাধৱদেৱে নাম-ঘোষাত কৈছে—

তিনি গুণময় যত জ্ঞান কৰ্ম
কেৱল বন্ধ কাৰণ।
জানি তাক তেজি একান্ত ভকতি
ভজিও কৃষ্ণ চৰণ।। ২১২

গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক্।
সাধুৰেব স মন্তব্যঃ সম্যগ্ ব্যৱসিতো হি সঃ।।– ৯/৩০

অৰ্থাৎ— যদি মহাপাপীসকলে কেৱল ভগৱন্ত কৃষ্ণকে মুক্তিদানৰ গৰাকী বুলি জানি আন দেৱ-দেৱী এৰি তেওঁকে মাত্ৰ ভজে, সেই সকলকে পৰম সাধু বুলি জানিব। ভক্তিৰ মহিমা অদ্ভুত। ভক্তিৰ বলত কদাচাৰী লোকে মুক্তি লাভ কৰে। পূৰ্বজন্মৰ সুকৃতিৰ ফলত জন্ম লাভ কৰা ব্ৰাহ্মণ ক্ষত্ৰিয়ই উচ্চকুলত জন্ম লাভ কৰিছে, তথাপি পুনৰায় ভগৱন্ত কৃষ্ণক ভজিহে মুক্তি লাভ কৰিব পাৰিব; ইয়াত কোনো সংশয় নাই। সেই কাৰণে গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

মন্মনা ভৱ মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি যুক্ত্বৈবমাত্মানং মৎপৰায়ণঃ।।– ৯/৩৪

মহাপুৰুষ মাধৱদেৱে অনুবাদ কৰিছে—

মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্বক্ষণ
মোক পূজা মোকে মাত্ৰ কৰা নমস্কাৰ।
কহিলো তোহ্মাত সত্য বাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আহ্মাৰ।।৬১২

ভগৱান শ্ৰীকৃষ্ণৰ এইয়া বাণী— 'হে অৰ্জুন, যন্ত্ৰষ্ঠিত বস্তু বা পুতলাৰ নিচিনা মায়াৰ দ্বাৰা ভ্ৰম কৰাই ঈশ্বৰ সকলো প্ৰাণীৰ হৃদয়ত আছে। হে ভাৰত, তুমি সৰ্বতোভাৱে সেই ঈশ্বৰতেই শৰণাপন্ন হোৱা। তেওঁৰ কৃপাত শাশ্বত অৰ্থাৎ চিৰন্তন শান্তিপূৰ্ণ স্থান প্ৰাপ্ত হ'বা। মই তোমাক গুহ্য (ৰহস্য)তকৈ গুহ্যতৰ জ্ঞানৰ পৰিচয় প্ৰদান কৰিলো। তুমি ভালদৰে বিচাৰ কৰি চাই যি ইচ্ছা হয় তাকে কৰা।

'পুনঃ সৰ্বগুহ্যতম্' সকলো প্ৰকাৰ গুহ্যতকৈ গুহ্যতম মোৰ এই পৰম বাক্য শুনা। তুমি মোৰ অতিশয় ইষ্ট, একান্ত প্ৰিয়, সেইবাবে তোমাৰ সুখৰ কাৰণে পুনৰবাৰ কওঁ, মোতেই (পৰম ঈশ্বৰতেই) চিত্ত হৃদয় অৰ্পণ কৰা, মোৰ ভক্ত হোৱা, মোকে পূজা কৰা, মোকে নমস্কাৰ কৰা, যিহেতু তুমি প্ৰিয়জন- সেই কাৰণে মই তোমাক প্ৰতিজ্ঞা কৰি কৈছোঁ। এই ভাৱে সকলো সাধ্য সাধনাদি মোত অৰ্পণ কৰিলে মোকেই প্ৰাপ্ত হ'বা। তুমি সকলো ধৰ্মকে পৰিত্যাগ কৰি একমাত্ৰ মোত শৰণ লোৱা। তুমি ভয় নকৰিবা। মই তোমাক সকলো পাপৰ পৰা উদ্ধাৰ কৰিম।' একাদশ স্কন্ধ ভাগৱতত মহাপুৰুষ শঙ্কৰদেৱে একশৰণ তত্ত্বৰ মৰ্মাৰ্থ প্ৰকাশ কৰিছে—

এহি কথা কৈলা কৃষ্ণে গীতাৰ অন্তত।।
সৰ্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰোঁ অঙ্গীকাৰ।
সমস্ত পাপত মই কৰিবো উদ্ধাৰ।।
অৰ্জুনত গীতাত কহিলো এহি তত্ত্ব।
ঈশ্বৰ কৃষ্ণৰ আবে লয়োক সন্মত।।

একমাত্ৰ পৰম ঈশ্বৰেইহে আত্মাৰ প্ৰকৃত কল্যাণ সাধন কৰি উদ্ধাৰ কৰিব পাৰে। মুক্তি অভিলাষী হৈহে মুক্তি লাভ কৰিব পাৰে। গীতাত কৈছে—

অনন্যাশ্চিন্তয়ন্তো মাং যে জনাঃ পৰ্যুপাসতে।
তেষাং নিত্যাভিযুক্তানাং যোগক্ষেমং বহামৎহম্।।
-- ৯/২২

ভগৱান শ্ৰীকৃষ্ণই কৈছে— যিজনে মোক একান্তভাৱে চিন্তা কৰে, উপাসনা কৰে, তেনে নিত্যযুক্ত ভক্তজনৰ প্ৰাপ্তবস্তু মই ৰক্ষা কৰোঁ আৰু অপ্ৰাপ্য বস্তু প্ৰাপ্ত কৰাওঁ- মোৰ ভক্তক ভুকুতি মুকতি প্ৰদান কৰোঁ। নাম-ঘোষাত কৈছে—

কৃষ্ণকেসে মাত্ৰ ভজে যিটোজনে
অব্যভিচাৰী ভকতি।
তিনিগুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৰে সিটো মহামতি।।২১১

মহাপুৰুষীয়া ধৰ্মত পৰমব্ৰহ্ম কৃষ্ণ অদ্বিতীয়, পৰম

পুৰুষ, নিৰ্গুণ, নিৰাকাৰ, নিৰঞ্জন। এই নিৰ্গুণ কৃষ্ণক সগুণ কৰিলে জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তি ৰসেৰে। 'নাম-ঘোষা'ত মাধৱপুৰুষে লিখিছে—

নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।
শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে।।৩৫৭

গীতা শাস্ত্ৰত কোৱাৰ দৰে মাধৱদেৱৰ নামঘোষাত নিৰ্গুণ কৃষ্ণৰ ভগৱৎ ৰূপ প্ৰকাশ পাইছে। গুৰুজনাৰ কীৰ্ত্তন-ঘোষাত নিৰ্গুণ কৃষ্ণই সগুণ ৰূপ ধৰি ভক্তৰ মাজত লীলা কৰে। এই একশৰণ তত্ত্বকে শ্ৰীমন্ত শঙ্কৰদেৱে দশমত লিখিছে—

দেৱৰো দেৱতা হৰি জানিয়া যতন কৰি
লৈয়ো এক শৰণ কৃষ্ণত।

গীতাৰ মূল কথা হ'ল পৰম পুৰুষ বিষ্ণুৱেই পৰম ব্ৰহ্ম। তেওঁৰ বাহিৰে জগতত যি আছে সকলো প্ৰকৃতি। গোটেই প্ৰকৃতিখনেই পৰম পুৰুষ আশ্ৰয়ত আছে। পৰম ব্ৰহ্মৰূপে থাকি জীৱক চৈতন্য শক্তি প্ৰদান কৰে। সকলো জীৱ তেওঁৰে অধীন। যেতিয়াই লোক সমাজে পৰম পুৰুষ বিষ্ণুৰ বিষয়ে অৱগত হয় আৰু কাম, ক্ৰোধ, লোভ, মোহ আদি দুষ্ট প্ৰবৃত্তিবোৰ ত্যাগ কৰিব পাৰে তেতিয়াই মানুহে মোক্ষ লাভ কৰি পৰম ব্ৰহ্মত লীন যায়। কৃষ্ণই সত্য সনাতন প্ৰেম আৰু কৰুণাৰ মূৰ্ত্ত প্ৰকাশ। গীতাত কৈছে—

মত্তঃ পৰতৰং নান্যং কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বমিদং প্ৰোক্তং সূত্ৰে মণি গনা ইৱ।।

শ্ৰীকৃষ্ণই কৃষ্ণক কৈছে— হে অৰ্জুন, ময়েই সত্য সনাতন পৰমব্ৰহ্ম। মোতেই সকলো জীৱ অৱস্থিত। যেনেকৈ সূতাঁত মনিয়ে আশ্ৰয় লৈ থাকে তেনেকৈ জগতৰ সকলোৰে মোতেই আশ্ৰয় লৈ থাকে। এইয়া গীতাৰ তত্ত্ব। *নাম-ঘোষাত* মাধৱদেৱে গীতাৰ দাৰ্শনিক তত্ত্ব অতি প্ৰাঞ্জল ভাষাৰে দাঙি ধৰিছে—

'সমস্তৰে আত্মা নাৰায়ণ আত্মাসুখে ৰতি সৰ্বক্ষণ
এহি হেতু হৰি সমস্ত প্ৰাণীতে সম।
তাঙ্ক যিটো ভজে সুখে তৰে নভজি সংসাৰে মজি মৰে
কৃষ্ণক বিষম বোলয় কোন অধম।।৬৩৫

ভগৱান সমস্ত প্ৰাণী আত্মা, তেওঁ সদায় আত্মা সুখতে ৰতি, এই কাৰণে ভগৱান সকলো প্ৰাণীৰ প্ৰতি সমান। সেই আত্মৰূপী ভগৱানক যি আনন্দৰ আশাৰে ভজে, তেওঁ অতি অনায়াসে মুক্তি লাভ কৰে। ঈশ্বৰ কৃষ্ণই একমাত্ৰ সত্য বস্তু; তাৰ বাহিৰে সকলো মিছা। তেনে সত্য ঈশ্বৰক ভজনা নকৰি দুষ্ট বুদ্ধি মনে বিষে ভৰা বিষয়ক আশা কৰি সংসাৰ সাগৰত মজি থাকে। মহাপুৰুষ মাধৱদেৱে 'ভক্তিৰত্নাকৰ' পুথিৰ এটি শ্লোক অনুবাদ কৰি কৃষ্ণৰ নাম মাহাত্ম্য প্ৰকাশ কৰিছে। দৈৱকী নন্দন শ্ৰীকৃষ্ণই যি শাস্ত্ৰ কৈছে সেয়ে একমাত্ৰ সত্য শাস্ত্ৰ; দৈৱকীপুত্ৰ শ্ৰীকৃষ্ণৰ পদসেৱাই একমাত্ৰ কৰ্ম আৰু মন্ত্ৰও এক তেওঁৰ মাহাত্ম্যযুক্ত নামহে। একান্ত মনে ভগৱানৰ নাম শ্ৰৱণ-কীৰ্তন কৰি জীৱই মুক্তি লাভ কৰিব পাৰে। মায়াময় সংসাৰত আন সকলো পুৰুষাৰ্থই কপট অৰ্থাৎ মিছা বা অসত্য। মায়াৰ বান্ধোন এৰি একান্ত মনে ভগৱানৰ নাম শ্ৰৱণ-কীৰ্তন কৰিব পৰাটোৱেই শ্ৰেয়।

পৰম শ্ৰেয়স হৰিভকতি।
জানি হৰিপাৰে কৰিয়ো ৰতি।।৭৩০
হৰিগুণনাম কৰিয়ো সাৰ।
নিজ যশ প্ৰিয় জগআধাৰ।।৭৩১

মায়াৰ পৰা কপট ভাব জন্মে। হৰিত শৰণ ল'লে মায়াৰ হাত সাৰিব পাৰি। হৰিয়ে নিজ ভকতৰ গতি দাতা; ভক্তৰ আৰাধ্য হৰিয়েই।

'একান্তে হৰিত কৰিয়ো ৰতি।
হৰিসে নিজে ভকতৰ গতি।।'৭২৮

মাধৱদেৱে 'নাম-ঘোষা'ত গীতাশাস্ত্ৰৰ দৰ্শনেৰেই একান্ত মনে হৰিত শৰণাপন্ন হৈ ভক্তিমাৰ্গৰ পথত আগবাঢ়িবলৈ উপদেশ দিছে।

হৰিগুণনাম নিগমতত্ত্ব।
মুকুত সৱৰো মুখ্য সন্মত।।
জানি হৰি পদে নেৰিও আশ।
কহে মূঢ়মতি মাধৱ দাস।।৭৪২ ■■

[illegible]

# কৃষ্ণ কাহিনীৰ ওপৰত বৈদিক সাহিত্যৰ প্ৰভাৱ

**শ্ৰীঅপৰাজিতা বৰকাকতি**

বৈদিক সাহিত্য বিশাল, ভাৰতীয় সভ্যতা, সাহিত্য সংস্কৃতি আৰু ধৰ্মৰ ওপৰত ইয়াৰ প্ৰভাৱ অপৰিসীম। বৈদিক সাহিত্যই যুগৰ পৰিধি দাঙি পুৰাণসমূহ, মহাভাৰত আৰু শ্ৰীমদ্ভাগৱতকে ধৰি ভক্তি-কাব্যসমূহলৈকে শিপাইছে। প্ৰাচীন বৈদিক বা সনাতন ধৰ্মৰ মূল কেন্দ্ৰীভূত ব্ৰহ্মাই নিৰাকাৰ নিৰঞ্জন ৰূপে অৱস্থান কৰিলেও অব্যক্ত নিৰাকাৰজনৰ উপলব্ধ সহজসাধ্য নহয়, ব্ৰহ্মাৰ দ্বিতীয় স্তৰ সগুণ নিৰাকাৰো ব্ৰহ্ম জিজ্ঞাসাৰ কাৰণ। সেইবাবে তৃতীয় স্তৰ সগুণ সাকাৰ ৰূপ অৱতাৰ গ্ৰহণ কৰা কৃষ্ণদেৱে শ্ৰীমদ্‌ভগৱদ্ গীতাত কৈছে—

'ক্লেশোহধিকতৰস্তেষামব্যক্তাসক্তচেতসাম্।
অব্যক্তাহি গতিৰ্দুঃখং দেহৱদ্ভিৰৱাপ্যতে।।১২/৫

অৰ্থাৎ- অব্যক্ত, নিৰ্গুণ ব্ৰহ্মত আসক্তচিত্ত সাধকৰ সাধনমাৰ্গত অধিকতৰ ক্লেশ হয়। দেহধাৰী লোকসকলৰ অব্যক্ত বিষয়ত গতি দুঃখপূৰ্বকহে প্ৰাপ্ত হয়।

গতিকে শ্ৰীমদ্ভগৱতে ঘোষণা কৰা 'কৃষ্ণস্তু ভগৱান স্বয়ম্' কৃষ্ণই স্বয়ং ভগৱান বিষ্ণু। সমস্ত বেদৰ সাৰোদ্ধাৰ শ্ৰীমদভাগৱত শাস্ত্ৰই কৃষ্ণদেৱক শাশ্বত সত্য (সত্যম পৰম ধীমহি) সচ্ছিদানন্দ, চৈতন্যস্বৰূপ আনন্দমূৰ্তি, মনসোৎপৰিমেয় (মনেৰে চিন্তা কৰিব নোৱাৰি) বুলি বৰ্ণনা কৰিছে। ব্ৰহ্মৰূপী সনাতন কৃষ্ণই 'তেওঁৰ লীলা বিলাসে ৰসিক ভক্তসকলক অমৃত আস্বাদন কৰাইছে, আনফালে লোক কল্যাণ লোকস্থিতিৰ কাৰণে যুগে যুগে নানা ৰূপত অৱতাৰ ধৰি ভক্তসকলক পৰমানন্দ দান কৰে, সন্তসকলক সঙ্কটৰ পৰা পৰিত্ৰাণ কৰে, দুষ্কৃতিকাৰীক বিনাশ কৰে। গীতাশাস্ত্ৰৰ দশম অধ্যায়ত কৃষ্ণদেৱে অৰ্জুনক কৈছিল— 'তুমি অমৃত পানৰ নিচিনা প্ৰীতি অনুভৱ কৰিছা, গতিকে তোমাৰ হিতকামনাৰ্থে যি কওঁ তাকে শ্ৰৱণ কৰা।' এই বুলি 'তেওঁৰ সমগ্ৰ বিভূতি আৰু ঐশ্বৰ্য প্ৰিয় শিষ্যৰ আগত বৰ্ণালে। ঈশ্বৰ অচিন্ত্য, মানৱ বুদ্ধি বিশ্বৰূপৰ ধাৰণাতেই বিহ্বল হৈ যায়। এই বিশ্বৰ অতীত, নামৰূপৰ অতীত আৰু কিবা বস্তু থাকিব পাৰে যে সেয়া মনুষ্যৰ ভাৱনাৰ অতীত।

ন তত্ৰ বাক্ গচ্ছতি ন চক্ষু গৰ্চ্ছতি।
যতোবাচ নিৰৰ্ত্তন্তে অপ্ৰাপ্য মনসাসহ।।'

'বাক্য চকু তালৈ যাব পৰা নাই। মনেও ঢুকি পোৱা নাই।' যি সকলে কয় পৰমব্ৰহ্মক জানো প্ৰকৃততে তেওঁলোকে নাজানে আৰু যিসকলে পৰমব্ৰহ্মক নাজানো বুলি কয় তেওঁলোকে প্ৰকৃততে জানে।'

'অবিজ্ঞাতং বিজানতা বিজ্ঞাতম অৱিজানতাম্।।'

ঋগ্বেদৰ পুৰুষসূক্ত মন্ত্ৰত আছে—

সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ।
স ভূমিং বিশ্বতো বৃত্বাত্য তিষ্ঠদ্দশাঙ্গুলম।।'
'পাদোহস্য বিশ্বভূতানি ত্ৰিপাহস্যামৃতং দিবি।।'
—১০/৯০/১,৩

'এই বিৰাট পুৰুষৰ সহস্ৰশিৰ, সহস্ৰচৰণ তেওঁ সমস্তজগত ব্যাপি আছে আৰু তদতিৰিক্ত 'দশাঙ্গুল' অতিক্ৰম কৰিয়ো অৱস্থিত। তেওঁৰ একপাদে জগত আৰু অমৃত স্বৰূপ ত্ৰিপাদ জগতৰ উৰ্দ্ধে।' দশাঙ্গুল শব্দটি ইয়াত উপলক্ষণ মাত্ৰ। দশাঙ্গুলৰ দ্বাৰা পৰিমাণ কৰা হয়। বিৰাট পুৰুষ পৰিমাণৰ অতীত। 'তেওঁ' অনন্ত, অব্যক্ত, অচিন্ত্য, অজ্ঞেয়, মনোবুদ্ধিৰ অগোচৰ

ইত্যাদি। ছান্দোগ্যেপনিষদত ‘পঞ্চমবেদ ইতিহাস পুৰাণ’ (ইতিহাস পুৰাণং পঞ্চমংবেদানাং বেদম্’) বুলি উল্লেখ আছে আৰু ‘একায়ন’ (একায়নম্) বুলিও আছে। ‘একায়ন’ বুলিলে একমাত্ৰ যে কৃষ্ণৰ উপাসনা সেয়া শাস্ত্ৰজ্ঞ পণ্ডিতসকলে থিৰাং কৰিছে। ‘পঞ্চমবেদ’ ইতিহাস পুৰাণ’ বুলি মহাভাৰতকে পঞ্চম বেদ বুলি অভিহিত কৰিছে। পাণিনি ব্যাকৰণতো ‘মহাভাৰত’ শব্দৰ উল্লেখ আছে। এই ব্যাকৰণত ‘মহা’ৰ ‘আ’কাৰ উদাত্ত স্বৰ বোলা হৈছে। সংস্কৃত ভাষাত স্বৰ নাই কিন্তু বৈদিক ভাষাত স্বৰ আছে। সেই বাবে নিশ্চিত কৰিব পাৰি যে মূল মহাভাৰত বৈদিক যুগৰ শেষত ৰচিত হৈছে বা হোৱাতো সম্ভৱ। বৈদিক সাহিত্যৰ আশ্বালায়ন গৃহ্যসূত্ৰটো ভাৰত আৰু মহাভাৰতৰ উল্লেখ আছে। ছান্দোগ্যোপনিষদত যি মানৱ ব্ৰহ্মাৰ কথা উনুকিয়াইছে সেয়া দেৱকীপুত্ৰ কৃষ্ণৰ বাহিৰে আন কোনো হ’ব নোৱাৰে। মহাভাৰতত কৃষ্ণক অনেকবাৰ ব্ৰহ্ম, হৰি, পুৰুষোত্তম, বিষ্ণু বুলি কৈছে। ৰাজসূয় যজ্ঞত যুধিষ্ঠিৰে কৃষ্ণক পুৰুষোত্তম বুলি অৰ্ঘ্য দিছে। উপনিষদ খনিয়ে ইয়াৰ কাৰণ ছয়টি দেখুৱাইছে— কৃষ্ণই একেধাৰে ঋত্বিক, গুৰু, স্নাতক, নৃপতি আৰু প্ৰিয়। ‘প্ৰিয়’ একমাত্ৰ ব্ৰহ্মাৰ বাচক। কৃষ্ণো মূলং ব্ৰহ্মচ ব্ৰাহ্মণাশ্চ’ (মহাভাৰত ১/১/১১১)

ছান্দোগ্যৰ যি ‘ঋত্বিক’ শব্দই কৃষ্ণলৈ পোনাইছে। এই শব্দই ‘পুৰোহিত’ অৰ্থ কৰিলেও ইয়াত অকলে ৰথৰ সাৰথি হৈ পাণ্ডৱসকলক ৰক্ষা কৰা বুজাইছে, কুৰুক্ষেত্ৰ যুদ্ধৰ অন্তত অৰ্জুনপুত্ৰ নিহত অভিমন্যুৰ পুত্ৰক (গৰ্ভতে) বচাই দি কুৰুবংশক ৰক্ষা কৰিলে। কুৰুবংশৰ পৰিক্ষীণ অৱস্থাত জন্ম হোৱা বাবে কৃষ্ণই নাম দিলে পৰীক্ষিত। অৱশ্যে শ্ৰীমদ্ভাগৱত পুৰাণত এই কাহিনী কিছু বেলেগ অৰ্থত বুজাইছে। এই উপনিষদৰ উপৰি উক্তত বৈদিক সাহিত্যত যে কুৰুক্ষেত্ৰ যুদ্ধৰ অঘটন ঘটাৰ সুস্পষ্ট প্ৰমাণ আছে।

ভগৱদ্গীতা পঞ্চমবেদ মহাভাৰতৰ উপনিষদৰূপে সৰ্বজন স্বীকৃতি আৰু কৃষ্ণদেৱ গীতাৰ প্ৰবক্তা এই কথা তৰ্কৰ অতীত।

‘সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থোবৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।।’

‘গীতা’ নামটো উপনিষদৰ বিশেষণ। উপনিষদৰ দৰে গীতাতো গুৰু-শিষ্যৰ কথোপকথনৰ মাজেদিয়ে আত্মতত্ত্ব, কৰ্মতত্ত্ব, যজ্ঞতত্ত্ব, জন্মান্তৰবাদ আদি বিষয় আলোচিত হৈছে। উপনিষদৰ দৰে গীতাতো শিষ্য অৰ্জুনে গুৰুৰূপী কৃষ্ণক ‘ভগৱান’ সম্বোধনেৰে আত্মতত্ত্ব জ্ঞান আয়ত্ব কৰিছে। কঠোপনিষদত যম ৰজাই আত্ম-জ্ঞানৰ প্ৰবক্তা ৰূপে বালক নচিকেতাক শিষ্যৰূপত বিৰল আত্মতত্ত্বৰ বিষয়ে কৈছিল। গুৰু পিপ্পলাদ সৰ্বজ্ঞ স্বৰূপ আচাৰ্য, তেওঁকো ‘ভগৱান’ সম্বোধনেৰে ভৰদ্বাজ পুত্ৰ সুকেশা, সত্যকাম, কবন্ধী, কাত্যায়ন আদি কৰি উপযুক্ত শিষ্যসকলে ব্ৰহ্মবিদ্যাৰ দৰে কঠিন জ্ঞানপ্ৰাপ্ত হৈছিল (কেনোপনিষদ)

মহাভাৰত যদি বৈদিক সাহিত্যৰ শেষ বিন্দুত অৱস্থান কৰে, পুৰাণসমূহৰ শ্ৰেষ্ঠ পুৰাণ শ্ৰীমদ্ভাগৱততো সেই বিন্দুৰ পৰাই বিশ্বজগতত পুৰুষোত্তম কৃষ্ণৰ অলৌকিক লীলা-বিলাস, ৰসিক ভক্তৰ একান্ত আস্বাদ্য ৰূপত প্ৰকাশ পালে। সেইদৰে লোক কল্যাণ আৰু সমাজ স্থিতিৰ বাবে মৌলিক চিন্তা আৰু কাৰ্য-চেষ্টা সত্যপ্ৰেমী লোকৰ বাবে কৃষ্ণৰ দ্বাপৰ যুগত পৰিপূৰ্ণতম ৰূপত অৱতীৰ্ণ হ’ল। ভাৰত-সাধনাৰ অন্যতম ৰূপ কৃষ্ণৰ সৰ্বলোকমহেশ্বৰ, ভুৱন-মোহন, শাশ্বত সত্যক প্ৰতিষ্ঠা কৰাই এই গ্ৰন্থৰ লিপিবদ্ধতাৰ কাৰণ। সমস্ত বেদৰ সাৰোদ্ধাৰ শ্ৰীমদ্ভাগৱত শাস্ত্ৰই ঘোষণা দিছে ‘কৃষ্ণস্তু ভগৱান স্বয়ং’, কৃষ্ণ স্বয়ম্ ভগৱান বিষ্ণু। চাৰিবেদৰ বিভাজন, পুনৰ্বিন্যাস, ব্ৰহ্মসূত্ৰৰ ৰচনা, যোগসূত্ৰ দৰ্শনৰ ওপৰত কৰা ভাষ্য, সপ্তদশ পুৰাণ, মহাভাৰত মহাকাব্য ৰচনা কৰি বেদব্যাস নাম গ্ৰহণ কৰা মহৰ্ষি ব্যাসদেৱে মনৰ অস্থিৰতা, অশান্তিত ভুগিছিল। জ্ঞানৰ গভীৰতা, অনুভৱৰ বিশালতাৰ বাবে সমাধিতে ব্ৰহ্মক সাক্ষাত কৰা ঋষিজনক অৱতাৰৰ শাৰীত থোৱা হৈছে। দেৱৰ্ষি নাৰদৰ কৃপাত ব্যাসদেৱে বেদে উল্লেখ কৰা পৰমব্ৰহ্মক সগুণ সাকাৰ ৰূপত প্ৰকাশ কৰিবলৈ আশীৰ্বাদ প্ৰাপ্ত হ’ল—

জন্মাদ্যস্য যতোহন্বয়াদিৰত শ্চাৰ্থেষ্বভিজ্ঞঃ স্বৰাট্
তেনে ব্ৰহ্ম হৃদা য আদিকবয়ে মুহ্যন্তি যত্সুৰয়ঃ
তেজোবাৰিমৃদাং যথা বিনিময়ো যত্ৰ ত্ৰিসৰ্গোহমৃষা
'ধাম্না স্বেন সদা নিৰস্তকুহকং সত্যং পৰং ধীমহি।।
— ভাগৱতৰ মঙ্গলাচৰণৰ প্ৰথম শ্লোক

'যিজনাৰ স্বকীয় তেজৰ বা জ্যোতিৰ প্ৰভাৱত মায়া সদায় নিৰস্ত হৈ থাকে সেই পৰম সত্যক মই ধ্যান কৰো। নাম-ৰূপ হীন পৰম সত্যক জানিবৰ বাবে বাদৰায়ন মহৰ্ষিয়ে পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱত ৰচনা কৰিবলৈ ল'লে। পৰম ৰহস্য জ্ঞান ভক্তি দান কৰিলে নিৰ্গুণতত্ত্বিত, ব্ৰহ্মনিষ্ঠ, মহাযোগী পুত্ৰ শুকদেৱক। 'শুকদেৱে পৰীক্ষিত নৃপতিৰ আগত কথন কৰোঁতে ঋষিসকলৰ কণ্ঠস্থ হোৱাত, শিষ্য, প্ৰশিষ্যলৈ সেই পৰম জ্ঞান প্ৰচাৰিত হ'ল। কল্পতৰু বেদৰ ফলস্বৰূপ ভাগৱতে কৃষ্ণদেৱক শাশ্বত, সত্য, সচ্চিদানন্দ, চৈতন্যস্বৰূপ আনন্দমূৰ্তি, মনসাৎপৰিমেয় (মনেৰে ধৰিব বা চিন্তা কৰিব নোৱৰা, তোটয়) বুলি বৰ্ণাইছে। 'বেদৰো গুপুত বিত্ত নাৰায়ণ' জীৱৰ তৰণৰ বাবে দেৱকী পুত্ৰৰূপে সাক্ষাতে বিদিত হোৱা নিৰ্গুণ কৃষ্ণদেৱৰ গুণশীল মহিমা, নিৰ্মল যশস্যা, লীলা চৰিত্ৰৰাশি অনুপম ভাৱ ভাষাৰে বৈকুণ্ঠৰ শাস্ত্ৰভাগিক প্ৰেম অমৃতৰ নদীক ব্ৰহ্মাণ্ড ভেদি মৰ্ত্তৰ মানুহলৈ বোৱাই আনিলে। বেদৰ ঋষিসকলে অপৌৰুষেয় বেদৰ বাণীক কঠোৰ তপস্যাৰ মাজেৰে হৃদয়ত বিচাৰি পোৱাৰ দৰে। সমস্ত বেদান্তৰ সাৰ মহাভাগৱতৰ কৃষ্ণ-যশ-ৰসৰ আস্বাদনৰ বাবে ব্যাসৰ হৃদয়ত নিৰলস ধ্যান, চিন্তন, মননৰ পাছত কৃষ্ণ দৰ্শন হ'ল। বাৰটি স্কন্দত যুগে যুগে ধৰা অৱতাৰসমূহৰ বৰ্ণনা সাৱলীলভাৱে প্ৰোথিত হ'ল।

মানৱ শ্ৰুতিতে বিধৃত হৈ থকা বেদৰ পৰমজ্ঞান বহুদিন ইজনৰ পৰা সিজনৰ মুখেৰে বাগৰি ভাষা আৰু বিন্যাস ক্ৰমে পৃথক পৃথক হ'ল ফলত বিভিন্ন শাখাৰ সৃষ্টি হ'ল। প্ৰাচীনতম গ্ৰন্থ ঋগ্বেদত ঋষিসকলক বহু দেৱতা বিশ্বাসী যেন লাগিলেও তেওঁলোক এক পৰম সত্তা বা ঈশ্বৰৰ সম্বন্ধে সচেতন আছিল। সেইবাবে সমস্ত দেৱতাকে সেই পৰম সত্তাৰ বিভিন্ন প্ৰকাশৰূপে কল্পিত হৈছে। সেই এজনকেই 'হিৰণ্যগৰ্ভ' 'ক' 'পুৰুষ' প্ৰভৃতি নামেৰে অভিহিত কৰিছে। ঋগ্বেদৰ দশম মণ্ডলৰ শতাধিক একবিংশ সূত্ৰত এই কথা ভালদৰে প্ৰকাশ পাইছে—

'হিৰণ্যগৰ্ভঃ সমৱৰ্ততাগ্ৰে ভূবস্য
জাতঃ পতিৰেক আসীৎ।
স দাধাৰ পৃথিৱীং দ্যামুতেমাং
কস্মৈ দেৱায় হবিষাবিধেম।।
— ঋক্, ১০; ১২১;১

**অৰ্থ ঃ** সৃষ্টিৰ পূৰ্বত প্ৰকাশ স্বৰূপ পৰমেশ্বৰ বিদ্যমান আছিল; সমস্তৰে জনক, সমস্ত জগতৰে তেৱেঁই একমাত্ৰ স্বামী। এই পৃথিৱী আৰু আকাশ (দ্যুলোক) তেৱেঁই ধাৰণ কৰি আছে। পৰমানন্দ স্বৰূপ, সুখদায়ক পৰমেশ্বৰক শ্ৰদ্ধা আৰু ভক্তিৰে উপাসনা কৰোঁহক।' বহু ঈশ্বৰবাদ ঋগ্বেদৰ ঋষিসকলৰ প্ৰতীক স্বৰূপ। বহু দেৱতাৰ ওপৰত এজন সৰ্বাধ্যক্ষ আৰু পৰমব্যোমত স্বমহিমাৰে অৱস্থান কৰা এজনৰ কথা তেওঁলোকে কেতিয়াও পাহৰা নাছিল। সেইজনেই হ'ল সমগ্ৰ সৃষ্টিৰ কাৰণ, তেওঁ সমস্ত সৃষ্টিকে ধাৰণা কৰি আছে। এই পৰম সত্তাক বেদৰ পিছৰ পুৰাণসমূহে ভক্তিবাদী চিন্তাধাৰাকে শক্তিশালী কৰিলে। ঈশ ভক্তি ৰহিত জ্ঞানকাণ্ডত ভক্তিৰ প্ৰৱেশ ঘটালে সৰ্ব পুৰাণৰ শ্ৰেষ্ঠ শ্ৰীমদ্ভাগৱতে। কৃষ্ণদেৱত নৱবিধ ভক্তিৰে ভজনা কৰা নিৰ্দেশ দিলে এই শ্ৰেষ্ঠ পুৰাণখনিয়ে। এই নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনেই উত্তম ভক্তি যিখিনিয়ে জীৱক পৰম গতি দান কৰে। কিন্তু ঋগ্বেদ সংহিতাতো ভাগৱত পুৰাণৰ শ্ৰৱণ-কীৰ্তনৰ উৎস নিহিত আছে—

যঃ পূৰ্ব্যায় বেধসে নবীয়সে
সমুজ্জানয়ে বিষ্ণৱে দদাশতি।
যঃ জাতমস্য মহতো মহি ব্ৰৱৎ
সেদুঃ শ্ৰৱোতিৰ্থুজং চিদভসৎ।।

**ভাৱানুভাৱ ঃ** যিজনে অনাদি বিষ্ণুক উপাসনা কৰে আৰু মহৎপুৰুষ বিষ্ণুৰ গুণানুকীৰ্তন কৰে, তেওঁ যোগ্যস্থান পায়, অৰ্থাৎ তেওঁৰ মোক্ষপ্ৰাপ্তি হয়।' ঋগ সংহিতাৰ বিষ্ণুৰ গুণানুকীৰ্তনে পৰৱৰ্তী উপনিষদত শ্ৰৱণ-

কীৰ্তনৰূপে গুৰুত্ব পাবলৈ ধৰে।

কিন্তু বৃহদাৰণ্যত (উপনিষদ) যি শ্ৰৱণ-কীৰ্তনৰ উপদেশ দিছে, সেয়া ঈশ্বৰৰ গুণানুকীৰ্তনতকৈ আত্মদৰ্শন আৰু শ্ৰৱণৰ কথাহে কৈছে। আত্মদৰ্শনে ঈশ্বৰত ঐকান্তিক ভক্তিক সম্ভৱপৰ কৰি তোলে।

মহাভাৰতত নথকা কৃষ্ণৰ শৈশৱৰ মনোৰম বাল্যলীলা, ব্ৰজলীলা, ৰাসলীলাৰ মাজেদি শ্ৰীমদ্ভাগৱত পুৰাণে পুৰুষজনৰ ঐশ্বৰিক শক্তি, অলৌকিক মহিমা, অমিত বল, প্ৰতিভাৰ স্ফুৰণ ঘটাইছে। বেদ বেদান্তত প্ৰকাশ হোৱা সকলো কাৰণৰ কাৰণ পৰম পুৰুষেই ভগৱান। ভগৱানৰ অচিন্ত্য মহিমা গুণ-লীলা য'ত বৰ্ণিত হৈছে সেয়াই শ্ৰীভাগৱত শাস্ত্ৰ। দশ অৱতাৰকে ধৰি চতুৰ্বিংশতি অৱতাৰৰ কাৰণ হ'ল ভগৱান কৃষ্ণ। দশম স্কন্ধত (ভাগৱতৰ) পূৰ্ণব্ৰহ্মই পূৰ্ণ অৱতাৰ ধাৰণ কৰি যি লীলা কৰিলে সেয়া পূৰ্বৰ বিষ্ণুপুৰাণ, হৰিবংশ পুৰাণত নাই। এইখনি পুৰাণত কৃষ্ণদেৱৰ মহিমাৰ কাহিনী অসীম অনন্ত। বেদসমূহেই অনন্ত অসীমৰ বীজ ৰোপণ কৰিছে।

ঐতিহাসিক দৃষ্টিতো কৃষ্ণ, বিষ্ণু, গোৱিন্দৰ নাম, কীৰ্তি অতি প্ৰাচীন। বেদৰ জ্ঞান বিস্তাৰত ইতিহাস আৰু পুৰাণে মুখ্য ভূমিকা লৈছে। বেদৰ প্ৰকৃত তাৎপৰ্য হৃদয়ঙ্গম কৰিবলৈ হ'লে পুৰাণ আৰু ইতিহাসত অনুশীলনত আৱশ্যক। কৃষ্ণ, বিষ্ণুৰ নাম ঋগ্বেদৰ সময়তেই আৰম্ভ হৈছে। কিন্তু কাহিনীৰ ৰূপত পৌৰাণিক সাহিত্যত পোৱা যায়। ঋগ্বেদত মাত্ৰ পাঁচোটি সূক্তত বিষ্ণুক স্তুতি কৰিছে আৰু কম বেছি পৰিমাণে এশটি সূক্তত বিষ্ণুৰ নাম আছে। তথাপি 'তেওঁৰ প্ৰাধান্য কমা নাই। বিষ্ণুৰ সহযোগত ইন্দ্ৰই বৃত্ৰাসুৰক বধ কৰে (ঋগ্বেদ, ৬/২০/২) ইন্দ্ৰৰ যোগ্য সখা। 'ইন্দ্ৰস্য যুজ্যাঃ সখা' (ঋগ্বেদ, ১/১২/১১) (ভাগৱত ষষ্ঠ স্কন্ধ) দাসক জয় কৰে, সম্বৰাসুৰৰ ৯৯টা দুৰ্গ ধ্বংস কৰে, বৰ্চ্চি নামৰ অসুবিলাক বধ কৰে, সেয়েহে বিষ্ণুৰ বীৰ্য বিখ্যাত। পৰৱৰ্তী তৈত্তেৰীয় সংহিতাত বিষ্ণু মুখ্য দেৱতা। ঐতেৰেয় ব্ৰাহ্মণতো বিষ্ণুক সৰ্ব সৰ্বাত্মক বোলা হৈছে। 'বিষ্ণুমুখ বৈ দেবাঃ, বিষ্ণুঃ সৰ্বা দেৱতাঃ- ১-১।

পৰৱৰ্তী বৈদিক সাহিত্যত ঋগ্বেদৰ মুখ্য দেৱতা ইন্দ্ৰক পিছ পেলাই বিষ্ণু প্ৰধান দেৱতা হৈ পৰিল। বোধহয় ভাগৱত ধৰ্মৰ উপাস্য দেৱ কৃষ্ণক সৰ্বাদেৱাত্মক বিষ্ণুৰ লগত অভেদ স্থাপনৰো কাৰণ হ'ব পাৰে। 'গীতা' শাস্ত্ৰৰ দশমোহধ্যায়ৰ বিভূতি যোগত কৃষ্ণই নিজকে বাসব (ইন্দ্ৰ) দেৱানামস্মি বাসবঃ/২২।। বুলি কৈছে। যি যি বস্তু ঈশ্বৰ্যযুক্ত, লক্ষ্মীযুক্ত, সেই সমস্তবোৰেই তেওঁৰ পৰা অহা বা উৎপন্ন বুলি কৈছে।

মুঠতে বৈদিক দেৱতাসকলৰ কাহিনীৰ সাদৃশ্যত নৰোত্তম কৃষ্ণৰ কাহিনী গঢ়ি উঠিছে বুলি ক'ব পাৰি।

কিন্তু ভক্তিগ্ৰন্থ শ্ৰীমদ্ভাগৱত আৰু গীতাশাস্ত্ৰ আদিত ভগৱান কৃষ্ণই দেৱতাসকলৰ আদি, আদিপুৰুষ, বিশ্বৰ একমাত্ৰ লয়স্থান, তেৱেঁই জ্ঞাতব্য, পৰমাধাম, অপ্ৰতিমশালী, চৰাচৰ জগতৰ পিতৃ, গুৰু, গৰীয়ান ৰূপত প্ৰকাশ পাইছে।■■

**সহায়ক গ্ৰন্থ ঃ**

১. ইতিহাসেৰ দৃষ্টিতে কৃষ্ণ চৰিত ঃ ড° অতুলচন্দ্ৰ চক্ৰৱৰ্তী

২. সংস্কৃত সাহিত্যেৰ ৰূপকথা ঃ ড° বিমান চন্দ্ৰ ভট্টাচাৰ্য

*লেখিকা গুৱাহাটী মহানগৰীৰ অন্তৰ্গত*

*নাৰায়ণদাস ঠাকুৰ আতা আঞ্চলিকৰ সাহিত্য শাখাৰ সম্পাদিকা,*

*'মহীয়সী'ৰ প্ৰাক্তন সদস্যা*

# ‘গুৰু-চৰিত-কথা’ত বৈষ্ণৱ ভক্তি সম্পৰ্কীয় বিবিধ বিষয়

ড° গোলকেশ্বৰ গোস্বামী

**পাতনি ঃ**

অসমীয়া গুৰু-চৰিতসমূহৰ ভিতৰত বৰ্তমানে ‘গুৰু-চৰিত-কথা’ হিচাপে জনপ্ৰিয় হৈ উঠা চৰিতখন বিভিন্ন দৃষ্টিকোণৰপৰা উল্লেখযোগ্য। এই গ্ৰন্থখন বহুদিনলৈ ‘কথা-গুৰু-চৰিত’ হিচাপে প্ৰচলিত হৈ আছিল যদিও বৰ্তমানে ই ‘গুৰু-চৰিত-কথা’ হিচাপে জনাজাত হৈছে।[১] অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধত সাঁচিপাতত ৰূপ লাভ কৰিছিল বুলি অনুমান কৰিব পৰা[২] এই গ্ৰন্থখন অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ গুৰু-শিষ্যৰ জীৱন-কাহিনী হিচাপে মূল্যৱান। তদুপৰি বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় বিবিধ বিষয়ৰ প্ৰকাশক গ্ৰন্থ হিচাপেও পুথিখনৰ মূল্য নিৰূপণ কৰিব পাৰি। গুৰু-শিষ্যসকলৰ কথোপকথনৰ যোগেদি পুথিখনত ভক্তি-সম্পৰ্কীয় বিভিন্ন বিষয়ৰ অৱতাৰণা কৰা হৈছে।

‘শ্ৰীমদ্ভগৱদ্‌গীতা’ত ঈশ্বৰ কৃষ্ণ বা ভগৱানত বিশ্বাস কৰি, তেওঁৰ প্ৰতি প্ৰগাঢ় অনুৰক্তি স্থাপন কৰি, তেওঁৰ আস্থাভাজন হৈ তেওঁতেই মিলি যোৱা এক মানসিক অৱস্থাকেই ভক্তি বুলি কোৱা হৈছে।[৩] মহৰ্ষি শাণ্ডিল্যই ভক্তিক ‘পৰানুৰক্তিৰীশ্বৰে’ বুলি কৈ গৈছে আৰু নাৰদীয় ভক্তিসূত্ৰতো ভক্তিক ‘সা ত্বস্মিন্ পৰমপ্ৰেমৰূপা’ বুলি কৈছে।[৪] এই ভক্তিকেই আকৌ এবিধ যোগ হিচাপেও গ্ৰহণ কৰা হৈছে আৰু সগুণ সাকাৰ ঈশ্বৰ এজনক লাভ কৰি পৰম আনন্দময় অৱস্থাত উপনীত হ’বলৈ প্ৰয়োগ কৰা সাধন প্ৰণালীকেই ভক্তিযোগ বুলি কোৱা হৈছে।[৫]

**ভক্তি বিষয়ক কথা ঃ**

ভক্তি কাক বোলে— এই বিষয়ৰ স্পষ্ট কথা ‘গুৰু-চৰিত-কথা’ত নাই। কিন্তু ইয়াত বিভিন্ন ধৰণে ভক্তিৰ বিভিন্ন দিশ কিছুমান আলোকিত হৈ উঠিছে। পুথিখনৰ এঠাইত (গু.চ.ক. ছেদ-৫০০)[৬] হৰিভক্তি অৰ্জন কৰাৰ কথা অৱতাৰণা কৰি ভক্তিক কৃষি-কৰ্মৰ লগত তুলনা কৰা হৈছে। ইয়াত প্ৰথমতে গুৰুক কৃষিভূমি বুলি কৈ গুৰুৰ পাদপদ্মত আশ্ৰয় লৈ শৰণ গ্ৰহণ কাৰ্যক বীজ বিধান; ভক্তৰ সংগ-মাৰ্গক ভূমি চাহন কাৰ্য বুলিও কৈছে। লগতে কৃষিকৰ্ম সম্পৰ্কীয় বিভিন্ন বিষয়ক ভক্তিৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ লগত তুলনা কৰিছে। শেষত কিন্তু বিনাশী খেতিতকৈ ভক্তি খেতিক শ্ৰেষ্ঠ বুলি কৈ ভক্তিৰ ক্ষেত্ৰত ধৰ্ম-অৰ্থৰ দ্বাৰ অৰ্থাৎ দুৱাৰ খুলি কাম আৰু মোক্ষক ডাং মাৰি নিপাত কৰি মহাসুখেৰে জীৱন নিৰ্বাহৰ কথাও কৈছে। চৰিতখনৰ বৰ্ণনা অনুসৰি বৰপেটা তাঁতীকুছিৰ মথুৰাদাস বুঢ়াআতাই তেওঁৰ লগৰীয়া ওঠৰজনেৰে সৈতে মাধৱদেৱৰ ওচৰত শৰণ লোৱাৰ পাছতে এদিনাখন তেওঁ প্ৰথমতে পোন্ধৰজনৰ সৈতে গুৰু মাধৱৰ ওচৰলৈ গৈ হৰিকথা শুনিছিল। কৃষিকৰ্মত নিযুক্ত বাকী তিনিজনে কিছু পিছতহে গৈছিল। মাধৱদেৱে তেওঁলোকৰ এই কথা জানিবলৈ পাই ভক্তিক কৃষিকাৰ্যৰ সৈতে তুলনা কৰি ভক্তি-কৃষিক উচ্চতৰ ৰূপত প্ৰতিষ্ঠা কৰিছিল আৰু শেষত ‘চাইদিনিয়া দেহা মায়াময়ী ভাৰ্যাপুত্ৰত লাগি’য়েই কেৱল দিন অতিবাহিত নকৰিবলৈ উপদেশ দিছিল। মাধৱদেৱে তেতিয়াই ‘কিৰিষি কৰিও আলো মনাই ঃ হৰিৰ চৰণ সেৱাৰ পৰম সুখে’’— ধ্ৰুং শীৰ্ষক ভাটিয়ালী ৰাগৰ বৰগীতটোও ৰচনা কৰিছিল বুলি উল্লেখ কৰিছে। মন কৰিবলগীয়া কথা যে এই বৰগীতটোতো মাধৱদেৱে ‘হৰিচৰণ সেৱা পৰম সুখে’ৰে কৰা কৃষিকেই শ্ৰেষ্ঠ বুলি কৈছে; ‘হেন কিৰিষি ঃ তেজিয়া মনাই’ক অন্য কৃষি কৰিবলৈ বাধা দিছে; ‘হৰিৰ চৰণে ঃ যি শস্য বুলি ঃ সকলে অৱিনাশী’ বুলিও কৈছে আৰু শেষত ‘সব তেজিয়া ঃ লৈয়ো মনাই ঃ সন্তেৰ সঙ্গতি’ বুলি কৈ তেতিয়াহে হৰিভক্তি কৃষিৰ উত্তম ফল লাভ হয় বুলি

ভণিতা পেলাইছে।

গুৰুৰ কথা অবিচলিত অন্তৰেৰে পালন কৰি যোৱা যে হৰিভক্তি কৰ্ষণৰ এক প্ৰকৃষ্ট উপায় সেই কথাও পুথিখনত কোৱা হৈছে (গু.চ.ক. ছেদ- ১০৪০, ৯৫২)। এনে ধৰণৰ ভক্তিভাৱৰ প্ৰেৰণাতেই শ্ৰীৰাম আতাই মাধৱদেৱে কোৱা কথা পালন কৰি পুহমহীয়া ৰাতিৰ ঠেৰেঙা লগা জাৰকো নেওচি ভেলাডোৱাৰ এবুকু পানীত নামি কলৰ ঠকুৱাৰে পানী কোবাই গুৰুৱে কৰা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। হৰিভক্তি আচৰণ কৰি সংসাৰখনক নিকাৰভূমি বুলি ভাবি পৰা এই সংসাৰৰ লোকে জীৱন্ততে মুক্ত হৈ যে সংসাৰৰপৰা উদ্ধাৰ পাব পাৰে, তাকো ইয়াত উল্লেখ কৰি কোৱা হৈছে যে— "ভকতি আচৰি জিটো গুণ নাম ধৰে। জিৱন্তে মুকুত হুয়া সংসাৰক তৰে।।' (গু.চ.ক. ছেদ-২০৬)। 'গুৰু-চৰিত-কথা'ত সেই দৃষ্টিতেই মাধৱদেৱৰ আলধৰা শ্ৰীৰাম আতাক 'জীৱন্ত মুকুত' বুলি ঘোষণা কৰা হৈছে (গু.চ.ক. ছেদ-২৫৮)। হৰিভক্তিপৰায়ণ লোকসকলে যে সংসাৰ অতিক্ৰম কৰি পৰম্পদ বৈকুণ্ঠ লাভ কৰে— তেওঁলোক যে শুচি, পূজ্য; আৰু তাৰ বিপৰীতে হৰিভক্তিবিমুখ লোকসকল যে জীৱন্ত শ-দেহ, অসুৰ নাইবা ৰাক্ষস-সদৃশ— তেওঁলোকক স্পৰ্শ কৰা যে পাপ; তেওঁলোক যে অপূজ্য— এনে ধৰণৰ কথাও দাঙি ধৰা হৈছে। ৰজা নৰনাৰায়ণৰ ৰাজসভাত ৰজাজনাই 'নখা নৰা দন্তা কেশা'— এই চাৰিটা শব্দৰে সম্ভৱতঃ আৰম্ভণি কৰা চাৰিটা শ্লোকৰ 'নৰা'ৰে আৰম্ভ হোৱা শ্লোকৰ অৰ্থ ব্যাখ্যা কৰিবলৈ গৈয়েই মহাপুৰুষ শঙ্কৰদেৱে কৈছিল যে— "নৰদেহা দেৱৰো দুৰ্ল্লভ ব্ৰহ্মাৰ প্ৰাৰ্থনি ঃ হৰিভক্তি আৰ্জি হৰি গুণ গাই সংসাৰ তৰি পৰম্পদ বৈকুণ্ঠ পাই ঃ শুচি পূজ্য।। হৰিবিমুখহে জিয়া অসুৰ ৰাক্ষস ঃ চুলে ম্লান অপূজ্য।।" (গু.চ.ক. ছেদ-৩৪৪)। শঙ্কৰদেৱৰ এই অৰ্থতেই ৰজা নৰনাৰায়ণে সেই শ্লোক ৰচনা কৰিছিল বুলি সন্মতি জনোৱা কথা 'গুৰু-চৰিত-কথা'ই সেই প্ৰসঙ্গতে দাঙি ধৰিছে। 'নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে। নলাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।' —ভক্তিসম্বন্ধে এনে ধৰণৰ কথা থাকিলেও বিশেষ দিশেৰে বক্তি যে সহজলভ্য বস্তু নহয় আৰু সেয়ে বক্তি-বিষয় কথনত যে ভক্ত পৰীক্ষা কৰিহে ক'ব লাগে সেই বিষয়েও পুথিখনত উল্লেখ কৰা হৈছে (গু.চ.ক. ছেদ-৬৪৪-৪৫)।

হৰিভক্তি লাভৰ ক্ষেত্ৰত মানসিক নিশ্চয়তা বা দৃঢ় বিশ্বাস হৈছে এটা মূল বিষয়। পুথিখনত এই কথাটোকে বুজাবলৈ আৰু কৈছে— "লাউ কোমৰা লতা পদে সুত মাৰি ৰৈহে বাহ্নি আগ লই গৈ ঃ হৰিভক্তিৰো সেই দৰ ঃ নহলে সংসাৰ তৰণ দুখৰ" (গু.চ.ক. ছেদ-৮৯৪)। ভক্তি লাভ কৰিবলৈ হ'লে যে বৃন্দাবনৰ গোপীসকলে শ্ৰীকৃষ্ণক চিন্তা কৰাৰ দৰে ভগৱানক মহাখেদ অনুৰাগেৰে অহৰহ চিন্তা বা ধ্যান কৰিব লাগিব সেই বিষয়ৰ উপদেশো ইয়াত সন্নিৱিষ্ট হৈছে (গু.চ.ক. ছেদ-৯০৫)। ভক্তিলাভৰ ক্ষেত্ৰত যে অহংকাৰশূন্য মনোভাৱৰ প্ৰয়োজন সেই কথাও পুথিখনত উত্থাপন কৰা হৈছে (গু.ক.চ. ছেদ-৬১১-১৬)।

পুথিখনৰ মতে হৰিভক্তিয়েই জীৱনৰ মুখ্য বস্তু আৰু তাৰ তুলনাত পাৰ্থিৱ জগতৰ বস্তুবোৰ অসাৰ। মহাপুৰুষ শঙ্কৰদেৱেও দশম স্কন্ধ ভাগৱতৰ অনুবাদত হৰিভক্তিকেই মাতৃ, পিতৃ, বন্ধু, ভ্ৰাতৃ, সম্পৰ্কীয়, জীৱনৰ পৰম সম্পদ, গতি-মতি বা আশা বুলি উল্লেখ কৰিছে।[৭] 'গুৰু-চৰিত-কথা'ৰ মতে হৰিভক্তি কৰ্ষণৰ বাবে জ্ঞানো এৰিব আহিলা। মথুৰাদাস বুঢ়াআতাই মাধৱদেৱৰ ওচৰলৈ লিখা-পঢ়া শিকিবলৈ মন কৰি যোৱাৰ সময়ত মাধৱদেৱে কৈছিল— "পঢ়ুৱাতকৈ মই তোমাক বঢ়া কৰিম ঃ নিতে এটি পৰম তত কম ঃ গীত ঘোষাৰ অৰ্থ কম ঃ পঢ়িব লাগে জ্ঞানৰ কাৰণে ঃ জ্ঞান লাগে ভক্তিৰ কাৰণে ঃ ভক্তিবিহীন সবে ব্ৰেৰ্থ।" (গু.চ.ক. ছেদ-৫৭৯)। ভক্তিৰ সৈতে জ্ঞান আৰু কৰ্মৰ সম্পৰ্ক ব্যাখ্যা নকৰাকৈয়ে পুথিখনে এইদৰে হৰিভক্তিৰ শ্ৰেষ্ঠত্ব আৰু ভক্তিৰ কাৰণে জ্ঞানৰ প্ৰয়োজনীয়তাৰ কথা দাঙি ধৰিছে। জ্ঞান আৰু কৰ্ম বা নিত্য-নৈমিত্তিক পূজা প্ৰক্ৰিয়াক ভক্তিৰ তুলনাত নিম্নপৰ্যায়ত স্থান দিয়া কথা 'ভক্তি ৰত্নাকৰ'তো উল্লেখ কৰা হৈছে।[৮] 'ভক্তি ৰত্নাকৰ'ৰ উপৰি 'কীৰ্তন-ঘোষা'তো শঙ্কৰদেৱে ভক্তিবিহীন জ্ঞান

অসাৰ বুলি কৈছে। হৰিভক্তি বা হৰিকীৰ্তনৰ প্ৰতি মনোযোগ দিবলৈ সকলোকে আহ্বানো জনাইছে। মাধৱদেৱেও 'নাম-ঘোষা'ত 'ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মাবোধ মাধৱৰ প্ৰসাদে মিলয়। কৃষ্ণৰ কৃপাত জানা গুচয় সংসাৰ ভয় এহিমানে গীতাৰ নিৰ্ণয়।"[৯] বুলি কৈছে। কৃষ্ণভক্তিৰ ফলতেই আত্মবোধ বা জ্ঞানৰ উদয় হয়। ভগৱানক উপলব্ধি কৰিবৰ বাবে আত্মবোধ বা জ্ঞানৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। যদিও নৱ-বৈষ্ণৱ ধৰ্মত কিন্তু সন্যাসক জ্ঞানৰ পথ হিচাপে গুৰত্বহীন বুলি বিবেচনা কৰা হৈছে। জ্ঞানৰ পথ হিচাপে সন্ন্যাসৰ প্ৰতি মহাপুৰুষ শঙ্কৰদেৱৰ বীতশ্ৰদ্ধ মনোভাৱ 'গুৰু-চৰিত-কথা'ৰ পাততো প্ৰতিফলিত হৈছে আৰু সেয়েই হয়তো শঙ্কৰদেৱে তেওঁৰেই সম্পৰ্কীয় ভ্ৰাতৃ ৰতিকান্ত দলৈয়ে 'যোগ চিন্তি আহ্নিক তৰ্পন সন্ধ্যা কৰি উৰ্দ্ধহস্তকৈ' সূৰ্যক আৰাধনা কৰি চকুমুদি বহি থকা বাবে তেওঁৰ প্ৰতি ক্ৰুদ্ধ মনোভাৱ প্ৰকাশ কৰিছিল (গু.চ.ক. ছেদ-২৪৫)।

**ভক্তিৰ প্ৰকাৰ ঃ**

'গুৰু-চৰিত-কথা' পুথিত ভক্তিৰ বিভিন্ন প্ৰকাৰৰ উল্লেখ আছে যদিও এই প্ৰকাৰসমূহৰ বিষয়ে সুনিৰ্দিষ্ট ধাৰণা ইয়াৰপৰা কৰিব পৰা নাযায়। পুথিখনে কোনো কোনো ঠাইত নিৰ্গুণা, কেৱলা, সপ্ৰেমা, ভাগৱতী, বিৰলা আৰু অন্তৰংগা— এই ধৰণে ছয়প্ৰকাৰ ভক্তিৰ উল্লেখহে কৰিছে (গু.চ.ক. ছেদ-৫৪৩, ৯২১, ৯৪১) মাত্ৰ। এঠাইত কৈছে যে এই ভক্তিয়ে পাপমাখি 'দোহাৰ' অৰ্থাৎ দুটুকুৰা কৰে (গু.চ.ক. ছেদ-১০৪৩)। এঠাইত অৱশ্যে ভক্তিৰ এই ছয়প্ৰকাৰৰ বিষয়ে উল্লেখ কৰি ৰূপকাৰ্যক ভাষাত এইবোৰৰ তুলনা দাঙি ধৰি— পুখুৰী নিৰ্গুণা, নদী ভাগৱতী, নদ অন্তৰংগা, বিৰলা; লুইত কেৱলা আৰু সাগৰ সপ্ৰেমা বুলি (গু.চ.ক. ছেদ-১৪৪)। কোনো কোনো ঠাইত আকৌ নিৰ্গুণা, ভাগৱতী, কেৱলা আৰু সপ্ৰেমা (গু.চ.ক. ছেদ-৩০৮, ৫৪২)— এই ভক্তি চাৰিপ্ৰকাৰৰ উল্লেখ কৰি ৰূপকাৰ্যকভাৱে ইহঁতৰ বৰণ ক্ৰমে শ্যাম, গৌৰ, ৰক্ত আৰু শ্বেত বুলি কৈছে। এঠাইত আকৌ উত্তম, মধ্যম আৰু প্ৰাকৃত — এই তিনিপ্ৰকাৰ ভক্তিৰ উল্লেখ কৰি এই তিনি প্ৰকাৰকেই ক্ৰমে নিৰ্গুণা, কেৱলা আৰু ভাগৱতী ভক্তি বুলি কৈছে (গু.চ.ক. ছেদ-৭০৭)। এই প্ৰসংগতে আকৌ 'গুৰু বাক্যত ৰৈ তলে প্ৰৱৰ্তি নাম গালে উত্তম ঃ শাস্ত্ৰ তলে মধ্যম ঃ মানৰ তলে প্ৰাকৃত" —বুলি উত্তম, মধ্যম আৰু প্ৰাকৃত এই তিনি প্ৰকাৰ ভক্তিৰ ব্যাখ্যাত দিব বিচাৰিছে। তদুপৰি 'নিৰ্গুণা ভক্তিত একা সমস্তে ভুতত বিষ্ণুবুদ্ধি হব দিচে' বুলি কৈ এই প্ৰকাৰৰ ভক্তিৰ বৈশিষ্ট্যও প্ৰদৰ্শন কৰিছে আৰু এই নিৰ্গুণা ভক্তি কেৱলীয়া বা উদাসীসকলৰ বুলিহে কোৱা হৈছে (গু.চ.ক ছেদ-৬২৮ক, ৫৪৯)। পুথিখনৰ অন্য এঠাইত আকৌ 'বৰ লাহি ফৰমা ফাফৰি বৰা জহা বাও মঠঙ্গা মাইগুটিয়া' —আদি নবিধ ধানক ৰূপকৰ ছলেৰে নবিধ ভক্তি বুলি কৈছে (গু.চ.ক. ছেদ-৯৩৬)। এই ক্ষেত্ৰত অৱশ্যে শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু দেহ অৰ্পণ— ভাগৱত পুৰাণোক্ত[১০] এই নৱধাভক্তিৰ কথাই উত্থাপিত হৈছে বুলি ভাবিব পাৰি যদিও সেয়াও স্পষ্ট নহয়।

'গুৰু-চৰিত-কথা' পুথিত ভক্তিৰ এই বিভিন্ন প্ৰকাৰৰ উল্লেখ আছে যদিও অসমীয়া আৰু সংস্কৃত ভাষাৰ ভক্তিমূলক ভক্তিতত্বমূলক গ্ৰন্থত কিন্তু মধ্যম আৰু প্ৰাকৃত ভক্তিৰ উল্লেখ দেখা নাযায়। 'সাত্বত তন্ত্ৰ' পুথিত নিৰ্গুণা, ভাগৱতী আৰু প্ৰেমময়ী— এই তিনি প্ৰকাৰৰ ভক্তিৰহে উল্লেখ আছে[১১] আৰু ইয়াত নিৰ্গুণাক ধ্যান বা জ্ঞানপ্ৰধান, ভাগৱতীক কৰ্মপ্ৰধান আৰু প্ৰেমময়ীক প্ৰেম প্ৰধান বুলি কোৱা হৈছে।[১২] ৰামানন্দ দ্বিজৰ গুৰু চৰিতত নিৰ্গুণা, ভাগৱতী, অন্তৰংগা আৰু কেৱলা হিচাপেহে ভক্তিৰ চাৰিটা প্ৰকাৰ নিৰ্ণয় কৰা হৈছে।[১৩] 'ভক্তি ৰত্নাকৰ' গ্ৰন্থত উত্তমা, অন্তৰংগা, নিৰ্গুণা আৰু সপ্ৰেমা এই চাৰিপ্ৰকাৰৰ ভক্তিৰ কথা কৈছে।[১৪] শ্ৰীমদভাগৱত পুৰাণত উত্তমা ভক্তিক ভাগৱতী ভক্তি বুলি আৰু লগতে এইবিধ ভক্তিক মুক্তিৰ তুলনাত গৰীয়সী বুলি কোৱাৰ উপৰি এই ভক্তি মানুহৰ লিংগ শৰীৰক বিনষ্ট কৰি পেলাব পৰা শক্তিসম্পন্ন বুলিও ইয়াৰ গৌৰৱ ঘোষণা কৰিছে।[১৫] এই ফালৰপৰা 'গুৰু-

চৰিত-কথা'ত স্থান পোৱা ধৰণে উত্তম ভক্তিক নিৰ্গুণা ভক্তি বুলি ক'ব নোৱাৰি আৰু তাৰ বিপৰীতে প্ৰাকৃত ভক্তিকো ভাগৱতী ভক্তি বুলি ক'ব নোৱাৰি। অৱশ্যে নিৰ্গুণা ভক্তিৰ ক্ষেত্ৰত সমস্ত ভূতকে বিষ্ণুবুদ্ধিৰে ভাবিব লাগে বুলি ক'ব বিচৰা পুথিখনৰ বিবৃতিৰ কিন্তু মূল্য আছে বুলিব লাগিব। পুথিখনত বিৰলা বুলি এবিধ ভক্তিৰ কথা উল্লেখ কৰিছে যদিও অসমীয়া নাইবা সংস্কৃত ভক্তিতত্ত্বমূলক পুথিত বিৰলা ভক্তিৰ নাম দেখা নাযায় আৰু সম্ভৱতঃ পুথিখনত অন্তৰংগা ভক্তিকেই বিৰলা ভক্তি বুলি ক'ব বিচৰা হৈছে। 'অন্তৰ্যামীৰূপে হৰি সবাতে আছন্ত' বুলি ভাবি অন্তৰংগা ভক্তিত ৰত ভক্তসকলে এই পৃথিৱীৰ জীৱ আৰু জড় সকলো বস্তুতে ঈশ্বৰৰ উপস্থিতি অনুভৱ কৰে আৰু সেইমতে সকলো বস্তুৰ প্ৰতি সন্মান প্ৰদৰ্শনেই নহয়, সকলো বস্তুকে নিজৰ আত্মাৰ সৈতেও অভিন্ন বুলি ধাৰণা কৰে।[১৬] স্বাভাৱিকতেই এই প্ৰকাৰৰ ভক্তি আচৰণ কৰাটো ভক্তসকলৰ বাবে সহজ-সাধ্য বিষয় নহয় আৰু সেয়েই সম্ভৱতঃ এই প্ৰকাৰৰ ভক্তিৰ পথ অনুসৰণ কৰা ভক্তৰ সংখ্যাও তেনেই তাকৰ। সেয়েই বোধকৰো অন্তৰংগা ভক্তিক বিৰলা ভক্তি বুলি ধৰিব পাৰি (সংস্কৃত ভাষাত বিৰল শব্দই পাতল, অধিক নোহোৱা, সেৰেঙা আদি অৰ্থ সূচায়)। পুথিখনত নিৰ্গুণা, কেৱলা, সপ্ৰেমা, ভাগৱতী, বিৰলা, অন্তৰংগা— এই ধৰণে একেলগে ছবিধ হিচাপে ভক্তিৰ প্ৰকাৰবোৰ উল্লেখ কৰিছে যদিও ৰূপকাৰ্থত কিন্তু অন্তৰংগা বিৰলাক নদৰ সৈতে তুলনা কৰাটো মন কৰিবলগীয়া।

পুথিখনত ভক্তিৰ দুবিধ যোগৰ কথাও কোৱা হৈছে— বিহঙ্গম আৰু পিম্পলায়ন ভক্তি হিচাপে (গু.চ.ক. ছেদ ৯৩৭, ১০২৫)। ইয়াৰ উল্লেখ মতে মহাপুৰুষ শংকৰদেৱে 'কলিযুগত দুখিয়া জীৱক কৃপাকৈ বেদৰ গুপ্যোনি প্ৰচাৰ কৈলে ঃ বিহঙ্গম পিম্পলায়ন দুই যোগ ঃ ভক্তিৰ সিঙ্গাল বিহঙ্গমে অঙ্কুৰতে চড়ে পোনেই ঃ (ঝাম্প মাৰি এ পিম্পলানৰ একা) পিম্পৰা সিফাদি ক্ৰমে মূল লইগৈঃ।' আকৌ কোৱা হৈছে— 'গুৰুজনৰ ভক্তি উত্তমসবৰ বিহঙ্গমযোগ ঃ দেহধাৰী মধ্যমসবৰ পিম্পলান ভক্তিযোগ ঃ ক্ৰমে বিৰক্ত হৈ তবে ঃ খৰ হলে ফাটে ওদা হলেও ফুটে ঃ নিন্দিলে বন্দিব লাগে ঃ অতি বিৰক্তি হলে গোসাই নসই ঃ পুনৰ পৰে অধে ঃ পিম্পৰাক্ৰমে সিপা উঠি আগ লইগৈ।' ভক্তসকলৰ দৃষ্টিভংগীৰ স্তৰভেদে এই ধৰণে ভক্তি লাভৰো দুটা স্তৰ চিহ্নিত কৰি সেই দুটাক বিহংগম আৰু পিম্পলায়ন বা পৰৱৰ্তী শব্দটোৰ কিছু শুদ্ধ ৰূপত পিম্পৰায়ন ভক্তি বুলি ক'ব পৰা যায়। এই প্ৰসংগতে ভাগৱতৰ একাদশ স্কন্ধত নিমি ৰজাৰ আগত নজন সিদ্ধৰ পিম্পলায়নেও ভক্তি সম্বন্ধে কোৱা কথাও মন কৰিবলগীয়া।[১৭] পিম্পলায়নে উক্ত প্ৰসঙ্গত ভক্তিলাভৰ দিশত কিছু কথাৰ অৱতাৰণা কৰিছে। সেইমতে ভক্তই ধনৰ চেষ্টা এৰি শ্ৰীকৃষ্ণ বা কেশৱৰ চৰণ সেৱা কৰিলেহে ভক্তৰ অন্তৰত ভকতিৰ ভাৱধাৰা প্ৰবল হয় আৰু তেতিয়াই অন্তৰৰ মলি নোহোৱা হৈ চিত্ত ধৌত হোৱাত ঈশ্বৰ আহি ভক্ত চিত্তত বিদিত হয়। ইয়াৰ উপৰি কৰ্মযোগৰ ফলতহে যে ভক্তিৰ উদয় হয় আৰু কৃষ্ণভক্তিও দৃঢ় হয়— সেই কথাও ভাগৱতত উল্লেখ কৰা হৈছে।[১৮]

**শ্ৰৱণ কীৰ্তনাদি ভক্তিৰ প্ৰক্ৰিয়া ঃ**

কৃষ্ণভক্তি লাভৰ ক্ষেত্ৰত শ্ৰীমদ্ভাগৱতপুৰাণে নৱবিধ ভক্তি প্ৰক্ৰিয়াৰ কথা উল্লেখ কৰিছে। এই নৱবিধ ভক্তি প্ৰক্ৰিয়াকেই নৱধা ভক্তি বোলা হয়। বিষ্ণুৰ নাম শ্ৰৱণ, কীৰ্তন, স্মৰণ, বিষ্ণুৰ পাদসেৱন অৰ্থাৎ পৰিচৰ্যা, অৰ্চন, বন্দন, বিষ্ণুতেই দাস্য অৰ্থাৎ স্ব-কৰ্মৰাজি অৰ্পণ, সখ্য অৰ্থাৎ বিষ্ণুক মিত্ৰ বুলি ভাবি তেওঁত বিশ্বাস স্থাপন আৰু আত্মনিবেদন— এই নৱধা ভক্তিৰ 'আটাইবোৰেই ভক্তসকলক কৃষ্ণগত প্ৰাণ কৰি তেওঁলোকৰ মনত সমগ্ৰ জীৱন ধৰি শ্ৰীকৃষ্ণৰ সেৱাৰ মনোভাৱ জাগ্ৰত কৰি; ভক্তিভাৱেৰে তেওঁলোকৰ মন প্ৰাণ উদ্দীপ্ত কৰি তোলে।'[১৯] মহাপুৰুষ শঙ্কৰদেৱেও তেওঁৰ 'কীৰ্তন-ঘোষা'ৰ 'প্ৰহ্লাদ চৰিত'ত 'শ্ৰৱণ কীৰ্তন স্মৰণ বিষ্ণুৰ অৰ্চন পাদসেৱন। দাস্য সখিত্ব বন্দন বিষ্ণুত কৰিব দেহা অৰ্পণ।।'[২০] বুলি এই নৱধা ভক্তিৰ উল্লেখ কৰিছে যদিও, এই নৱবিধৰ ভিতৰত আকৌ

শ্ৰৱণ-কীৰ্তনৰ —দুই প্ৰক্ৰিয়াকেই শ্ৰেষ্ঠ বুলি কৈছে— 'জ্ঞানত কৰ্মত কৰি ভকতিসে মহাশ্ৰেষ্ঠ ভকতি মধ্যত শ্ৰেষ্ঠ দুই। শ্ৰৱণকীৰ্তন ইটো আক ধৰিলেক যিটো বিধিৰ কিঙ্কৰ সিটো নুই।।'[২১] 'গুৰু-চৰিত-কথা'ত এই নৱধা ভক্তিৰ কথাৰ ক্ৰমানুসৰি উল্লেখ নাই যদিও; অসমৰ নৱবৈষ্ণৱ ধৰ্মত মুখ্যস্থান লাভ কৰা শ্ৰৱণ আৰু কীৰ্তন— এই দুবিধৰ কথাৰ উল্লেখ পোৱা যায়। পুথিখনৰ ভাষাত 'আপুনাত জ্ঞান লভি সেৱকে মন ইন্দ্ৰিয়ক দমি ঃ গুৰুসেৱা খাণ্ডা বৈৰাগ্য কুঠাৰে চেদনকৈ মায়াক হৰিগুণ গাই কেৱল শ্ৰৱণ কীৰ্তনে পৰম্পদ বৈকুণ্ঠ পাবগৈ।।' (গু.চ.ক. ছেদ-২৫১)। সেইদৰে আকৌ মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্তনৰ পদৰ উদ্ধৃতি কৰিও কোৱা হৈছে— 'সেহিসে কুলীন বেদক বুজৈ। জাহাৰ মুখে হৰিনাম সিজৈ। কৃষ্ণৰ কথাত জিতো ৰসিক। ব্ৰাহ্মণজন্ম তাৰ লাগৈ কিক।।' (গু.চ.ক. ছেদ-২৩৯) —অৰ্থাৎ যিসকল লোকে অনবৰতে মুখেৰে হৰিনাম উচ্চাৰণ কৰে, তেওঁলোকেই কুলীন আৰু তেওঁলোকেই বেদৰ জ্ঞান লাভ কৰে; কৃষ্ণৰ কথা কৈ যিসকলে ৰস-আনন্দ অনুভৱ কৰে, তেওঁলোকৰ বাবে ব্ৰাহ্মণ জন্মৰ কোনো প্ৰয়োজন নাই।

'গুৰু-চৰিত-কথা' পুথিখন অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰু-শিষ্যসকলৰ জীৱ-কাহিনী হোৱাৰ উপৰি বৈষ্ণৱ ভক্তিসম্পৰ্কীয় বিবিধ বিষয়ক কথাৰেও এইদৰে ভৰপূৰ। মন কৰিবলগীয়া কথা এয়ে যে ইয়াত ভক্তি সম্পৰ্কীয় কথাবোৰ মানৱ জীৱনৰ ব্যৱহাৰিক দিশটোৰ সৈতেও জড়িত কৰা হৈছে আৰু সেই দিশেৰেও এইবোৰ কথা গুৰুত্বপূৰ্ণ হৈ পৰিছে। পুথিখনৰ এইবোৰ কথাই সাধাৰণ লোকক যে ভগৱদ্ভক্তিপ্ৰয়াসী কৰি তুলিবলৈ কিছু পৰিমাণে হ'লেও ইন্ধন যোগাব সেই কথা নিঃসন্দেহে ক'ব পাৰি।■■

**পাদটীকা ঃ**

১। ইয়াৰ মূল সাঁচিপতীয়া গ্ৰন্থখন পোনতে উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰদ্বাৰা ১৯৪৯ চনত 'কথা-গুৰু-চৰিত' নামেৰে প্ৰকাশিত হোৱাৰ পাছত ড০ মহেশ্বৰ নেওগে নতুন ৰূপত 'গুৰু-চৰিত-কথা' নাম দি পুথিখন সম্পাদনা কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা প্ৰথমেতে ১৯৮৭ চনত প্ৰকাশিত হয়।
২। মহেশ্বৰ নেওগ সম্পাদিত 'গুৰু-চৰিত-কথা' (১৯৭৮) ভূমিকা, পৃঃ ৬৫।
৩। এচ. ৰাধাকৃষ্ণণ ঃ Indian Philosophy, Vol. 1 (1951) পৃঃ ৫৬২।
৪। তীৰ্থনাথ শৰ্মা ঃ ভক্তিবাদ (১৯৯৫), পৃঃ ৩১-৩৪।
৫। তীৰ্থনাথ শৰ্মা ঃ সদ্যোক্ত গ্ৰন্থ, পৃঃ ৫৫।
৬। ৰচনাখনিৰ বিভিন্ন স্থানত 'গু.চ.ক.-ছেদ' হিচাপে উল্লেখ কৰা কথাৰদ্বাৰা ড০ মহেশ্বৰ নেওগ সম্পাদিত 'গুৰু-চৰিত-কথা' (১৯৮৭) গ্ৰন্থৰ ছেদ সংখ্যাসমূহক বুজোৱা হৈছে।
৭। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ প্ৰকাশিত 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত' (১৯৯৮) দশমৰ পদ-২১৯-২১, ২৭৫।
৮। সতেন্দ্ৰনাথ শৰ্মা ঃ The Neo-Vaisnavite Movement and the Satra Institution of Assam (1996), পৃঃ ৫০-ত উলেলিখিত 'ভক্তি ৰত্নাকৰ' পদসংখ্যা ৯০৩-০৪।
৯। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত 'মহাপুৰুষ মাধৱদেৱ বাক্যামৃত' (১৯৯৪) 'নাম-ঘোষা' ঘোষা সংখ্যা ৬২০
১০। তাৰাকান্ত কাব্যতীৰ্থ ভট্টাচাৰ্য সম্পাদিত 'শ্ৰীমদ্ভাগৱত' (১৩৯৩ বাংলা চন), সপ্তম স্কন্ধ, পঞ্চম অধ্যায়।
১১। শৰৎ চন্দ্ৰ গোস্বামী সম্পাদিত 'সাত্বত তন্ত্ৰ' (১৯৪৩), চতুৰ্থ অধ্যায়।
১২। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫২
১৩। সত্যেন্দ্ৰনাথ শৰ্মা ঃ সদ্যোক্ত গ্ৰন্থ, সদ্যোক্ত পৃষ্ঠা।
১৪। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত' (১৯৯৮), ভক্তি ৰত্নাকৰ ১১শ-১৪শ অধ্যায়।
১৫। তাৰাকান্ত কাব্যতীৰ্থ ভট্টাচাৰ্য সম্পাদিত পূৰ্বোক্ত গ্ৰন্থ, তৃতীয় স্কন্ধ, পঞ্চবিংশ অধ্যায়।
১৬। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৩।
১৭। সতেন্দ্ৰনাথ শৰ্মা ঃ সদ্যোক্ত গ্ৰন্থ, পৃঃ ৬১।
১৮। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত পূৰ্বোক্ত গ্ৰন্থৰ 'নিমিনৱসিদ্ধ সংবাদ', পদসংখ্যা ১৭৮-২০৫।
১৯। জে. এন. ফাৰ্কুহাৰ Outline of the Religious Literature of India (1966), পৃঃ ১২০।
২০। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত পূৰ্বোক্ত গ্ৰন্থৰ 'কীৰ্তন ঘোষা', পদসংখ্যা ৩৪০।
২১। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰকাশিত সদ্যোক্ত গ্ৰন্থৰ 'দ্বাদশ স্কন্ধ ভাগৱত', পদসংখ্যা ৫২৮।

*লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক*

# মানৱতাবাদৰ দৃষ্টিৰে মহাপুৰুষ শঙ্কৰদেৱ

ড০ মুক্তা বিশ্বাস

দৰ্শনৰ পৰিভাষা হিচাবে মানৱতাবাদ শব্দটো বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হৈছে। ইয়াৰে কোনোবা এটি নীতিশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ নাইবা ধৰ্মতত্ত্বৰ প্ৰসঙ্গত প্ৰয়োগ কৰা হয়। বৰ্তমান আলোচনা প্ৰসঙ্গত ধৰ্মতত্ত্ব সম্পৰ্কিত পৰিভাষিক শব্দ হিচাবে মানৱতাবাদক উল্লেখ কৰা হৈছে। ধৰ্মতত্ত্বৰ প্ৰেক্ষাপটত 'মানৱতাবাদ' শব্দৰ অৰ্থ হৈছে ব্যক্তিমানৱ তথা সমগ্ৰ মানৱ জাতিৰ মঙ্গল কামনা আৰু কল্যাণৰ হকে কৰা চিন্তা-ভাৱনা। মানৱতাবাদ দুই প্ৰকাৰৰ হ'ব পাৰে। মানৱ জাতিৰ কল্যাণ কামনা ঈশ্বৰৰ চিন্তাৰ সৈতে যুক্ত হ'ব পাৰে, আকৌ যুক্ত নহ'বও পাৰে। ঈশ্বৰক স্বীকাৰ কৰিও মানৱতাবাদক প্ৰচাৰ কৰিব পাৰি আকৌ ঈশ্বৰক বৰ্জন কৰিও মানৱতাবাদক গ্ৰহণ কৰিব পাৰি। মনন চিন্তনৰ যোগেদি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি মানৱতাবাদৰ ঐতিহ্য আৰু পৰম্পৰা বহু প্ৰাচীন কালৰে পৰাই ভাৰতবৰ্ষত চলি আহিছে। মনুসংহিতাত পাঁচপ্ৰকাৰৰ যজ্ঞৰ কথা কোৱা হৈছে। দেৱযজ্ঞ, নৃযজ্ঞ, ঋষিযজ্ঞ, পিতৃযজ্ঞ আৰু ভূতযজ্ঞ অৰ্থাৎ ইয়াতে মানুহৰ কল্যাণৰ হকে কৰা কামক ধৰ্মাচৰণৰ অঙ্গ হিচাবে গ্ৰহণ কৰা হৈছে। দাৰ্শনিক কোমঁতৰ দ্বাৰা স্থাপিত আৰু এক শ্ৰেণীৰ মানৱতাবাদ আছে, যি ঈশ্বৰক বৰ্জন কৰি গঢ়ি উঠিছিল। বিভিন্ন কাৰণত তেওঁ ধৰ্ম আৰু ঈশ্বৰৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছিল। ঈশ্বৰক উপাসনাৰ পৰিৱৰ্তে মহামানৱক শ্ৰদ্ধা নিবেদন আৰু সমস্ত মানৱ সেৱাকেই তেওঁ ধৰ্মাচৰণৰ প্ৰকৃষ্ট ৰীতি বুলি গ্ৰহণ কৰিছিল। এই মানৱতাবাদৰ এজন অতি শক্তিশালী প্ৰবক্তা তথা উত্তৰ পূৰ্ব ভাৰতৰ ভক্তি আন্দোলনৰ পথিকৃৎ মহাপুৰুষ শঙ্কৰদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই মহান মানৱতাবাদী দাৰ্শনিকৰ সমগ্ৰ মনন, চিন্তন পৰিপুষ্ট হৈছিল আধ্যাত্মিক মানৱতাবাদ দৰ্শনৰ আধাৰত। গৌতম বুদ্ধই যিদৰে মানুহৰ দুঃখ-কষ্ট, জৰা, মৃত্যু, ব্যাধি দেখি ব্যক্তিগত বিলাস বহুল জীৱন বিসৰ্জন দি সৰ্বসাধাৰণ মানুহক সুখৰ সন্ধান দিয়াৰ উদ্দেশ্যে ওলাই আহিছিল, ঠিক সেইদৰে মহাপুৰুষ শঙ্কৰদেৱেও ব্যক্তিগত সুখ স্বাচ্ছন্দ্যক পৰিহাৰ কৰি সাধাৰণ মানুহক পৰম সুখৰ সন্ধান দিয়াৰ উদ্দেশ্যে নিজকে নিয়োজিত কৰিছিল।

মহাপুৰুষ শঙ্কৰদেৱে ভক্তিমাৰ্গৰ জৰিয়তে মানৱতাবাদৰ মহান আদৰ্শৰ ধাৰা অব্যাহত ৰাখিবলৈ সচেষ্ট হৈছিল। সমাজত অৱহেলিত, নিষ্পেষিত সৰ্বসাধাৰণ মানুহক মানৱীয় মৰ্যাদা প্ৰদানত গুৰুত্ব আৰোপ কৰাই শঙ্কৰদেৱ প্ৰৱৰ্তিত ভক্তি আন্দোলনৰ মূল কথা। সমাজত অধঃপতিত, অস্পৃশ্য তথাকথিত উচ্চবৰ্ণৰ দ্বাৰা পৰিত্যক্ত পাপী-তাপীক ভক্তিধৰ্মৰ জৰিয়তে 'উত্তিষ্ঠত জাগ্ৰত' কৰাই আছিল মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ মহান উদ্দেশ্য। তেওঁ কৈছে—

ব্ৰহ্মবধী গুৰুবধী যতেক  
পিতৃমাতৃ বধী পাপী অনেক  
কুকুৰ খায় হেন ম্লেচ্ছগণে  
সিও শুদ্ধ হোৱে হৰিকীৰ্তনে  
(কীৰ্তন-ঘোষা, ১১৭)

শঙ্কৰদেৱে যথাযথভাৱে উপলব্ধি কৰিছিল যে ধৰ্মক বাদ দি সমাজত পৰিৱৰ্তন অনাটো একপ্ৰকাৰ অসম্ভৱ। সেয়েহে তেওঁৰ প্ৰৱৰ্তিত নামধৰ্ম বা নৱবৈষ্ণৱবাদ ভক্তিদৰ্শনৰ এক নতুন সংযোজনেই নহয় ই ব্যক্তিকেন্দ্ৰিক গোষ্ঠীগত চিন্তাভাৱনাৰ বিপৰীতে

মহান আদৰ্শ আৰু শুভচিন্তাৰ পুনৰুত্থান। শঙ্কৰদেৱে প্ৰৱৰ্তিত এই ধৰ্মক ভাগৱতী বৈষ্ণৱ ধৰ্ম, নৱ-বৈষ্ণৱ ধৰ্ম, এক শৰণ হৰিনাম ধৰ্ম আৰু সৰ্বজনিকভাৱে মহাপুৰুষীয়া ধৰ্ম বোলা হয়। মহাপুৰুষ অৰ্থাৎ পৰমব্ৰহ্ম বা পৰমেশ্বৰৰ সেৱা প্ৰৱৰ্তনেই এই ধৰ্মৰ ঘাই তথা একমাত্ৰ বিষয় হোৱা কাৰণে মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তিত এই ধৰ্ম মহাপুৰুষীয়া ধৰ্ম। শাস্ত্ৰবৰ্ণিত ব্যয়বহুল যাগযজ্ঞ তথা দেৱদেৱীৰ পূজা-অৰ্চনাৰ বিপৰীতে শ্ৰীকৃষ্ণকেই একমাত্ৰ উপাস্য হিচাবে গ্ৰহণ কৰি সহজ সৰল অনাড়ম্বৰ নামধৰ্মৰ প্ৰৱৰ্তন তথা অন্ধবিশ্বাস কু-সংস্কাৰ আদিৰ অপসাৰণ, সামাজিক বৈষম্য দূৰীকৰণ আদি হ'ল একশৰণ নামধৰ্মৰ বৈশিষ্ট্য।

যি ধৰ্মীয় আন্দোলনৰ মাধ্যমে শঙ্কৰদেৱে উত্তৰ-পূৱ ভাৰতৰ জনগণক সৰ্বভাৰতীয় বৃহত্তৰ জীৱনধাৰাৰ সৈতে সংযোজিত কৰিছিল, সেই ধৰ্মীয় তথা সাংস্কৃতিক আন্দোলন দৰাচলতে কোনো বিচ্ছিন্ন ঘটনা নাছিল। ই আছিল সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ এটি বলিষ্ঠ ধাৰা বিশেষ। সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ উন্মেষ হৈছিল দাক্ষিণাত্যত ত্ৰয়োদশ শতিকাত। তাৰ পিচৰেপৰা এই ভক্তি আন্দোলন পশ্চিম ভাৰত, উত্তৰ ভাৰত আৰু মধ্য ভাৰতত তীব্ৰভাৱে ক্ৰিয়াশীল হৈ উঠে। এই সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ পাবনীধাৰাৰ পূণ্যসলিলত অৱগাহন কৰি শঙ্কৰদেৱে অসমত বৈষ্ণৱধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰিছিল। শঙ্কৰদেৱেই প্ৰথম অসমীয়া, যিজনে ভাৰতীয় সভ্যতা, কৃষ্টি আৰু সাংস্কৃতিক ঐতিহ্যক গভীৰভাৱে উপলব্ধি কৰি কৃষ্ণকেন্দ্ৰিক বিশাল সাহিত্যসম্ভাৰ ৰচনা কৰি অসমীয়া সাহিত্যৰ বিকাশ সাধনত তৎপৰ হৈছিল। শঙ্কৰদেৱৰ এই বিশাল সাহিত্যসম্ভাৰ অৱলোকন কৰিলে সুস্পষ্টভাৱে তেওঁৰ মানৱতাবাদৰ দাৰ্শনিক সত্ত্বা প্ৰতিভাত হয়।

মানৱতাবাদী দাৰ্শনিক শঙ্কৰদেৱৰ আদৰ্শ আৰু মতবাদ মূলতঃ গীতা আৰু ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত। গীতাত বৰ্ণিত ভগবদ্ভক্তিত স্ত্ৰী-পুৰুষ, পণ্ডিত-অপণ্ডিত, জ্ঞানী-অজ্ঞানী, ধনী-নিৰ্ধশ্ৰী প্ৰত্যেকৰেই সমান অধিকাৰ। শ্ৰীমদ্ভগৱদ্গীতাত বাৰম্বাৰ এই সমত্বৰ কথা উল্লেখ কৰা হৈছে। উদাহৰণ হিচাবে দুই এটি অঁশ উল্লেখ কৰা হ'ল—

সৰ্বভূতস্থমাত্মনাং সৰ্বভূতানি চাত্মনি।
ঈক্ষ্যতে যোগযুক্তাত্মা সৰ্বত্ৰ সমদৰ্শনঃ।।
(গীতা, ২।২৯)

যোগস্থ কুৰু কৰ্মানি সঙ্গং ত্যক্ত্বাধনঞ্জয়
সিদ্ধ্যসিদ্ধ্যোঃসমো ভূত্বা সমত্বং যোগো উচ্যতে।
(গীতা, ২।৪৮)

অৰ্থাৎ যোগসুক্ত পুৰুষ সৰ্বত্ৰ সমদৰ্শী হৈ আত্মাক সৰ্বভূতত আৰু সৰ্বভূতক আত্মাত পৰিদৰ্শন কৰে।

শঙ্কৰদেৱেও গীতা আৰু ভাগৱতৰ আদৰ্শত অনুপ্ৰাণিত হৈ সকলোকে সমদৃষ্টি গ্ৰহণ কৰি মহামুক্তিৰ আনন্দ উপভোগ কৰিবলৈ উদ্বুদ্ধ কৰিছিল। তেওঁ কৈছে—

বোলন্ত অচ্যুতে অৰ্জুনৰ চিত্ত লক্ষি
সমস্তে ভূততে সমভাৱ হৱা সখি।
(ভক্তি প্ৰদীপ, ১৪৪)

সমস্ত ভূততে ব্যাপি আছো মই হৰি
সৱাকো মানিবা তুমি বিষ্ণুবুদ্ধি কৰি।
(কীৰ্তনঘোষা, ১৮২০)

সমস্ত জগত পৰমব্ৰহ্মৰ অংশ। পৰমপিতাৰ সৃষ্ট এই জীৱজগতত প্ৰত্যেকৰেই সমান অধিকাৰ। সকলোৰে দেহত একে আত্মা বিৰাজিত। সেয়েহে জীৱাত্মাৰ প্ৰতি যথাৰ্থ প্ৰেম ভালপোৱাই হৈছে প্ৰকৃত মানৱতাবাদ। এই প্ৰসঙ্গত ঈশোপনিষদত কোৱা হৈছে এনেদৰে—

যস্তু সৰ্বানি ভূতানি আত্মন্যেবনুপশ্যন্তি
সৰ্বভূতেযু চাত্মানং ততো ন বিজুগুপ্সতে।
(ঈশোপনিষদ-৬)

অৰ্থাৎ যিজন ব্ৰহ্মাৰ পৰা তৃণলৈকে সমস্ত প্ৰাণীক আত্মাত দৰ্শন কৰে আৰু সমস্ত প্ৰাণীৰ ভিতৰত নিজৰ আত্মাক দৰ্শন কৰে তেওঁ কাকো ঘৃণা কৰিব নোৱাৰে।

শঙ্কৰদেৱৰ মানৱতাবাদৰ এটি অমোঘ অস্ত্ৰ আছিল অহিংসা আৰু প্ৰেমৰ বাণী। মানৱতাবাদী শঙ্কৰদেৱে হিংসা, ঘৃণা, অস্পৃশ্যতাৰ বিপৰীতে প্ৰেম, দয়া, কৰুণাৰ জৰিয়তে সামাজিক একতা গঢ়ি তলিবলৈ সকলোকে আহ্বান জনাইছিল। বৈচিত্ৰ্যতাৰে পৰিপূৰ্ণ অসমীয়া সমাজখনত একতাৰ বীজ ৰোপণ কৰি ভ্ৰাতৃত্ববোধৰ মহান বাণীৰে সমগ্ৰ মানৱ হৃদয়তে বিশ্বপ্ৰেম জগাই তোলাৰ পথ প্ৰশস্ত কৰিছিল। নিজ ধৰ্মৰ অনুশীলনৰ লগে লগে অন্যৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ আহ্বান জনাইছিল। 'ভক্তি-প্ৰদীপ'ত তাৰে আভাস পোৱা যায় এনেদৰে—

পৰৰ ধৰ্মক নিহিংসিবা কদাচিত
কৰিৱা ভূতক দায়া সকৰুণ চিত্ত
হুইবা শান্ত চিত্ত সৰ্বধৰ্মত বৎসল
এহি ভাগৱত ধৰ্ম জানা মহাবল।১৪১

মানৱ জাতি হৈছে জীৱশ্ৰেষ্ঠ। এই জীৱশ্ৰেষ্ঠতাৰ মূল কাৰণ হ'ল তেওঁলোকৰ বুদ্ধিবৃত্তি আৰু হৃদয়বৃত্তি। বুদ্ধিবৃত্তিৰ প্ৰকাশ ঘটে মানুহৰ কল্যাণকৰ্মৰ জৰিয়তে আৰু হৃদয়বৃত্তিৰ বিকাশ ঘটে প্ৰেম, প্ৰীতি ভালপোৱাৰ মাধ্যমে। সেয়েহে সমস্ত প্ৰাণীজগতৰ সামাজিক কল্যাণ কামনাই মানৱ জাতিৰ নৈতিক কৰ্ম। মানৱহিতৈষী হিচাবে শঙ্কৰদেৱৰ সাহিত্যতো মানৱ জাতিৰ সামগ্ৰিক কল্যাণ কামনাকেই প্ৰকৃত ধৰ্ম তথা নৈতিক কৰ্তব্য বুলি অভিহিত কৰা হৈছে। শঙ্কৰদেৱে গঢ় দিয়া মহাপুৰুষীয়া ধৰ্মত অকল মানুহ আৰু মানুহৰ মাজতে মাথোন নহয় জগতৰ সমস্ত জীৱ আৰু পদাৰ্থৰ মাজতো মূলত কোনো ভেদ নাই। 'বসুধৈৱ কুটুম্বকম্' এই ভাৱেৰে উদ্বুদ্ধ হৈ মানৱহিতৈষী মহাপুৰুষ শঙ্কৰদেৱে তদানীন্তন সমাজৰ কোচ, কছাৰী, আহোম, চুতিয়া, গাৰো আদি বিভিন্ন জাতি-উপজাতি, বিভিন্ন ভাষা-উপভাষাৰ মানুহৰ মাজত ঐক্য সংহতি আৰু সমন্বয়ৰ মাধ্যমে এক মানৱ জাতি গঢ়াৰ আহ্বান জনাইছিল। তেওঁ কৈছে—

কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ধোবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।
আনো প্ৰাণী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।
(শ্ৰীমদ্ভাগৱত পুৰাণ, ২।৫৩-৫৪)

মহাপুৰুষ শঙ্কৰদেৱে দুখীয়া নিছলা আৰু সামাজিক প্ৰতিষ্ঠাবিহীনসকলক আগত ৰাখি ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। ইয়াৰ প্ৰমাণ তেওঁৰ ভক্ত শিষ্য আৰু সঙ্গীসকল। তেৰাৰ সৰহভাগ শিষ্যই জাত্যাভিমান বিহীন, বংশগৌৰৱ বৰ্জিত, অখ্যাত আৰু অন্ত্যজাতিৰ পৰা উদ্ভুত। জনশ্ৰুতিমতে জনা যায় যে শঙ্কৰদেৱৰ সখী আৰু শিষ্য নৰোত্তম আতৈ আছিল নগা, গোবিন্দ গৰমণি আছিল গাৰো, নৰহৰি আহোম, পৰমানন্দ আছিল মিৰি, জয়ানন্দ বা জয়ৰাম ভুটীয়া, মুছলমান চান্দসাইকো শঙ্কৰদেৱে শিষ্যত্ব প্ৰদান কৰিছিল। জৈন্তীগ্ৰামৰ মধাই, শ্ৰীৰাম আতা আৰু ভেৰোৱা দাস ক্ৰমে হীৰা, কৈৱৰ্ত আৰু বণিক সম্প্ৰদায়ৰ লোক আছিল বুলি জনা যায়। শঙ্কৰদেৱৰ প্ৰায়বিলাক শিষ্য-প্ৰশিষ্য আছিল খেতিয়ক, ধোৱা, সোণাৰী, তেলি, কুমাৰ ইত্যাদি আৰু বহুতো। আনকি বনকৰা সাধাৰণ মানুহো শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

শঙ্কৰী সাহিত্য অৱলোকন কৰিলে শঙ্কৰদেৱে যে দীন-দাৰিদ্ৰৰ ওপৰত দৃষ্টি ৰাখি ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল তাৰ আভাস পোৱা যায়। ৰুক্মিনীহৰণ কাব্য, ৰুক্মিণীহৰণ নাটত অসমীয়া গাঁৱলীয়া সমাজত পৰিদৃষ্ট হোৱা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ আদিৰ চিত্ৰণে সৰ্বসাধাৰণ মানুহৰ জীৱনৰ প্ৰতি থকা শঙ্কৰদেৱৰ আকৰ্ষণ আৰু সহানুভূতি প্ৰকাশ পাইছে।

জাতিভেদ প্ৰথাৰ বিলুপ্তি সাধন আছিল শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত মানৱতাবাদৰ এক অন্যতম নিদৰ্শন। সমস্ত মধ্যযুগ যেতিয়া শাস্ত্ৰ, আচাৰ, বহু

দেৱ-দেৱীৰ পূজা অৰ্চনাৰে নিভ্ৰান্ত হৈ পৰিছিল, যেতিয়া জাতি, ধৰ্ম, বৰ্ণক কেন্দ্ৰ কৰি মানুহৰ মাজতে বিভেদ আৰু বিচ্ছেদৰ সৃষ্টি হৈছিল, সমাজ যেতিয়া অন্ধকাৰ আৰু কুসংস্কাৰত আচ্ছন্ন হৈ আছিল সেই সময়ত জাতিভেদ লাঞ্ছিত সমাজৰ পৰা কলুষতা দূৰ কৰাৰ উদ্দেশ্যে শঙ্কৰদেৱে সমগ্ৰ মানৱ জাতিক আহ্বান জনাইছিল এনেদৰে—

এক দেৱ এক সেৱ
এক বিনে নাই কেৱ।

শঙ্কৰদেৱৰ দৃষ্টিত ঈশ্বৰৰ নাম উচ্চাৰণত, হৰিনাম কীৰ্তনত জাতি, বৰ্ণ, ধৰ্ম, জ্ঞানী, অজ্ঞানী বুলি কোনো বিভেদ থাকিব নোৱাৰে। ধৰ্মাচৰণত প্ৰত্যেকৰে সমান অধিকাৰ।

স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।
(শ্ৰীমদ্ভাগৱতপুৰাণ, ২।১৩)

এই প্ৰসঙ্গত শঙ্কৰদেৱৰ শিষ্য মাধৱদেৱেও কৈছে—

নাহি ভকতিত জাতি অজাতি বিচাৰ
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।
(ভক্তিৰত্নাৱলী, ভক্তিবিৰচন পদ, ১৫৩)

শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মত ব্ৰাহ্মণ, চণ্ডাল, চোৰ, দাতা, সাধু অসাধু প্ৰত্যেককে সমান অধিকাৰ প্ৰদান কৰা হৈছিল। এজন মহান মানৱতাবাদী পণ্ডিত হিচাবে সমস্ত প্ৰাণীৰ প্ৰতি সমভাৱাপন্ন হোৱাৰ ফলস্বৰূপ বিভিন্ন জাতিগোষ্ঠীৰ ভেদাভেদৰ বিৰুদ্ধে তেওঁ প্ৰতিবাদ কৰিছিল আৰু তদানীন্তন সমাজৰ নিষ্পেষিত অৱহেলিত, নিম্নশ্ৰেণীৰ মানুহৰ মাজত আধ্যাত্মিক চেতনা জাগ্ৰত কৰি, একশৰণ নামধৰ্মত দীক্ষিত কৰি প্ৰত্যেককে মানৱীয় মৰ্যাদা প্ৰদান কৰিবলৈ অঙ্গীকাৰবদ্ধ হৈছিল।

মহাপুৰুষ শঙ্কৰদেৱৰ মানৱতাবাদৰ প্ৰকৃত মূল্যায়ন কৰিবলৈ হ'লে তেখাৰ জীৱন চৰিতৰ ওপৰত অধিক অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন। উপযুক্ত অধ্যয়ন, আলোচনা আৰু অনুশীলনৰ জৰিয়তে শঙ্কৰদেৱৰ মানৱতাবাদৰ প্ৰকৃত মূল্যায়ণ কৰা সম্ভৱ হ'ব।■■

**সহায়ক গ্ৰন্থ ঃ**


১। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।
২। মহাপুৰুষ মাধৱদেৱ বাক্যামৃত ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।
৩। কীৰ্তন-ঘোষা আৰু নাম-ঘোষা ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।
৪। শঙ্কৰী সংস্কৃতি অধ্যয়ন ঃ ভৱপ্ৰসাদ চলিহা (সম্পাঃ)।
৫। কীৰ্তন-ঘোষা ঃ মহেশ্বৰ নেওগ (সম্পাঃ)।
৬। শঙ্কৰদেৱ আৰু সমাজ-জীৱন ঃ ড০ নবীনচন্দ্ৰ শৰ্মা
৭। আকাশীগঙ্গা, স্মৃতিগ্ৰন্থ, পৃঃ ২১৬


*লেখিকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা*

# শঙ্কৰদেৱৰ অন্তিম ৰচনা - শ্ৰীৰামবিজয় নাটৰ এক বিশ্লেষণাত্মক অধ্যয়ন

**শ্ৰীবেবীমণি গগৈ চমুৱা**

অসম আকাশৰ চিৰজ্যোতিস্মান ভাস্কৰ্য অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, ধৰ্মৰ মহামন্ত্ৰেৰে অসমীয়া জাতিক নৰৰূপ দিওঁতা, অসমীয়া ভাষা-সাহিত্য-সঙ্গীত জগতলৈ অভূতপূৰ্ব অমূল্য বৰঙণি যোগাই যোৱা মহামানৱ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন কালৰ অন্তিম লেখা 'ৰামবিজয়' বা 'সীতাস্বয়ম্বৰ' নাট। শঙ্কৰদেৱৰ ছখন নাটৰ ভিতৰত এইখনেই কেৱল বাল্মীকি ৰচিত ৰামায়ণৰ কাহিনী সম্বলিত নাট আৰু একমাত্ৰ এই নাটতেই ৰচনাৰ সময় উল্লেখ কৰা আছে। নাটখনিৰ শেষৰ শ্লোকত থকা 'বিন্দুৰন্ধ্ৰ বেদচন্দ্ৰ' (বিন্দু = ০, ৰন্ধ্ৰ = ৪, চন্দ্ৰ = ১)ৰ উল্লেখে ১৪৯০ শঁকত নাটখনি লিখা হৈছিল বুলি জনা যায়। চৰিত পুথিৰ মতে শঙ্কৰদেৱৰ তিৰোভাৱ হৈছিল কোচবিহাৰত ১৪৯০ শকত। ৰামবিজয় নাটখনো শঙ্কৰদেৱে এই বছৰতে কোচবিহাৰত ৰচনা কৰিছিল বুলি সহজে অনুমেয়। কিয়নো তাৰাৰ আগৰ নাটকেইখনি ৰচনাত অনুপ্ৰেৰণা লাভ কৰা ৰামৰায়ৰ উল্লেখ ইয়াত নাই। তাৰ পৰিৱৰ্তে 'শ্ৰীশুক্লধ্বজো নৃপশ্ৰেষ্ঠ ঃ কাৰয়ামাস নাটকম্' বুলি কোঁচৰজা মহাৰাজ নৰনাৰাণৰ ভাতৃ চিলাৰায় বা শুক্লধ্বজৰ অনুপ্ৰেৰণা লাভ কৰাৰ কথা নাটখনিৰ শেষৰ শ্লোকত উল্লেখ কৰিছে। দৈত্যাৰি ঠাকুৰৰ চৰিত পুথিৰ বৰ্ণনা 'দেৱানৰ বাণী শুনি সীতা স্বয়ংবৰ। ৰামায়ণ অঙ্ক কৰি দিলন্ত শঙ্কৰ' (শ্ৰীশ্ৰীশঙ্কৰদেৱ মাধৱদেৱ চৰিত)ৰ মতেও ৰামবিজয় যে শঙ্কৰদেৱৰ অন্তিম ৰচনা সেইকথা প্ৰতিপন্ন হয়।

ৰামানন্দৰ চৰিতমতে গুৰুজনাই শেষবাৰ কোঁচ বিহাৰলৈ গৈ চিলাৰায়ৰ অনুৰোধত ৰামবিজয় নাট ৰচনা কৰিলে—

'শুক্লধ্বজ নৃপতিকো অঙ্কে নিবন্ধিলা।
অঙ্কত শ্লোকক কৰি অঙ্ক সমাপিল।।'

কালিৰাম মেধিয়ে তেওঁৰ 'অঙ্কাৱলী'ৰ পাতনিত উল্লেখ কৰিছে— 'His last drama the Rama-Vijaya was composed at kochbehar at the request of Cilarai about a year before his demise. The date of composition of this drama is mentioned, in its colophon, by the author himself, as 1490 Saka (or 1568 A.D.). This was his last literary work.'

গতিকে এনেধৰণৰ উল্লেখৰ ভিত্তিত শঙ্কৰদেৱৰ সাহিত্য কীৰ্তিৰ অন্তিম নিদৰ্শন যে ৰামবিজয় নাট এই কথাত পণ্ডিতসকল ঐক্যমতত উপনীত হৈ আহিছে।

**কাহিনী, মূল আৰু নাট্যকাৰৰ মৌলিকতা ঃ**

বাল্মীকি ৰামায়ণৰ আদিকাণ্ডৰ পৰা ৰামবিজয় নাটৰ কাহিনীভাগ লোৱা হৈছে। নাটৰ কাহিনীভাগ অগ্নি পুৰাণতো আছে। দুই এঠাইত সংস্কৃত 'মহানাটক' বা 'হনুমান্নাটক'ৰ প্ৰভাৱ পৰিছে। নাটকীয় কাহিনীৰ মূল বিষয়বস্তু হৈছে- ৰামৰ হাতত মাৰীচ, সুবাহু ৰাক্ষস অপসাৰণ, সীতাৰ স্বয়ম্বৰ, ৰামৰ দ্বাৰা হৰধনু ভঙ্গ আৰু পৰশুৰামৰ দৰ্পচূৰ্ণ।

ঋষি বিশ্বামিত্ৰ (কৌশিক) ই সিদ্ধাশ্ৰমত যজ্ঞৰ বিঘিনি ঘটোৱা ৰাক্ষসদ্বয় মাৰীচ আৰু সুবাহুক বিতাড়িত কৰি যজ্ঞ ৰক্ষা কৰিবলৈ ৰাম-লক্ষ্মণক তেওঁৰ লগত পঠাবলৈ অযোধ্যাৰ ৰজা দশৰথৰ ওচৰত আৱেদন জনালে। পুত্ৰস্নেহত আকুল দশৰথে প্ৰথম অৱস্থাত সেই কথাত অমান্তি হৈছিল যদিও ঋষিৰ তপোবলৰ কথা জানিব পাৰি ৰাম-লক্ষ্মণক যজ্ঞ ৰক্ষাৰ্থে বিশ্বমিত্ৰৰ লগত পঠাই দিলে। যাত্ৰা পথতে ৰাম-লক্ষ্মণে তাড়কা ৰাক্ষসীক নিধন কৰিলে আৰু যজ্ঞস্থলীৰ পৰা মাৰীচ সুবাহুক

শৰবিদ্ধ কৰি বিতাড়িত কৰিলে। সুকলমে যজ্ঞ সমাপন কৰি ঋষিয়ে উপকাৰৰ প্ৰত্যুপকাৰ কৰিবলৈ ৰাম-লক্ষ্মণক মিথিলাধিপতি জনকৰ জীয়ৰী সীতাদেৱীৰ স্বয়ম্বৰলৈ লৈ গ'ল।

ইফালে জাতিস্মৰ কন্যা সীতাদেৱীয়ে পূৰ্বজন্মৰ স্বামীৰূপে বাঞ্ছা কৰা বিষ্ণুৰ অৱতাৰী ৰূপ ৰামৰ আগমনৰ বাৰ্তা শুনি 'প্ৰেমৰসে মহা আকুল ভেল'। যথা সময়ত স্বয়ম্বৰৰ পণ ঘোষণা কৰি ৰজা জনকে স্বৰ্গহন্তে খহি পৰা শিৱৰ অজগৰ (হৰধনু) ধনুখন ভঙ্গ কৰিবলৈ নৃপতিসকলক আহ্বান জনালে। এজন দুজনকৈ যেতিয়া চন্দ্ৰকেতু, পুৰঞ্জয়, কুমুদাক্ষ আদি নৃপসৰ বিফল হ'ল, তেতিয়া বিশ্বামিত্ৰৰ আজ্ঞানুসৰি ৰামচন্দ্ৰই অজগৰ ধনুখন ভঙ্গ কৰি সীতাৰ বৰ মাল্য গ্ৰহণ কৰিলে। সীতাৰ মনোবাঞ্ছা পূৰণ হ'ল। এই কথাত বিপক্ষ ৰজাসকলে ৰামৰ বিৰুদ্ধাচৰণ কৰিলে। ৰামচন্দ্ৰই যুদ্ধ কৰি ৰজাসৰক অঙ্গচ্ছেদ কৰি ছত্ৰভঙ্গ দিয়ালে। বিবাহ বিধি সম্পন্ন কৰি ৰাম লক্ষ্মণ, বিশ্বামিত্ৰ আৰু দশৰথ অযোধ্যালৈ প্ৰত্যাৱৰ্তন কৰা পথত পৰশুৰামে বাট ভেটি ধৰিলে। কাৰণ ৰামৰ অপৰাধ— তেওঁ পৰশুৰামৰ গুৰু (শিৱ)ৰ ধনু ভঙ্গ কৰিছে। ৰামে তেতিয়া পৰশুৰামৰ দৰ্পচূৰ্ণ কৰিলে আৰু পৰশুৰামৰ স্বৰ্গপথ ৰুদ্ধ কৰিলে। তাৰ পাছত অযোধ্যাত সীতাসহ ৰাম-লক্ষ্মণ প্ৰৱেশ কৰিছে আৰু কৌশল্যাই যথানিয়মে বৰ-কন্যাক আদৰি নিছে। ইমানতে নাটকীয় কাহিনীৰ পৰিসমাপ্তি ঘটিছে।

নাটৰ বিষয়বস্তুৰ মূল ৰামায়ণৰ আদিকাণ্ড যদিও ঠায়ে ঠায়ে নাট্যকাৰ মূলৰপৰা আঁতৰি আহি নাট্যবস্তু ৰূপায়ণ কৰিছে। আদিকাণ্ড ৰামায়ণৰ বহুতো প্ৰাসঙ্গিক কথা নাটখনিত পৰিহাৰ কৰা হৈছে আৰু আদিকাণ্ডত নথকা কথা ইয়াত সংযোগ সাধন কৰি নাট্যকাৰে নিজস্ব দৃষ্টিভঙ্গীৰে নাটকীয় কথাবস্তু নিৰ্মাণ কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে- 'নাট্যবস্তু নিৰ্মাণত নাট্যকাৰে যথেষ্ট পৰিমিতিবোধৰ পৰিচয় দিছে।'১

আদিকাণ্ডত নথকা উত্তৰাকাণ্ডৰ পৰা নাটখনিত এটা কথা সংযোগ কৰা হৈছে। সেয়া জাতিস্মৰ গুণেৰে বেদৱন্তীৰূপী পূৰ্ব জনমৰ কথা সুঁৱৰি বিলাপ কৰিছে আৰু ঈশ্বৰ নাৰায়ণক স্বামীৰূপে তেওঁ এই জনমতো দেখা নাপাব বুলি আশঙ্কা কৰিছে। নাটকৰ মূল ঘটনাৱলীত বশিষ্ঠৰ উল্লেখ নাই। তদুপৰি সীতাৰ স্বয়ম্বৰৰ আয়োজন, বিপক্ষ ৰজাসকলৰ লগত ৰামৰ যুদ্ধ, সীতাৰ ভুৱনমোহন ৰূপ দেখি ৰাজন্যবৰ্গৰ বিভৎস আচৰণ আৰু কুশণ্ডিকাৰ সময়ত ঋষি বিশ্বামিত্ৰৰ কামাতুৰ অৱস্থাৰ বৰ্ণন, বিশ্বামিত্ৰই পৰশুৰামৰ লগত যুদ্ধত প্ৰবৃত্ত হোৱা আদি মূল ৰামায়ণত নাই।

মূল ৰামায়ণত জনক ৰজাৰ ধনুখনৰ বৰ্ণনা দিওঁতে বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক ধনুখনৰ নাম 'সুনাভ' বুলি কৈছে আৰু সেইখন দেৱতাসকলে যজ্ঞত সন্তুষ্ট হৈ জনক ৰজাক দান কৰিছিল বুলি কোৱা হৈছে। ৰামবিজয় নাটত ধনুখনৰ নাম 'অজগৰ' বুলি কোৱা হৈছে আৰু ৰজাই নিত্য কান্ধত তুলি ৰাজসভালৈ আনি 'সীতাক বিবাহ নিমিত্ত চিন্তিতে ওহি মহেশক ধনু গগণ হন্তে পৰল' বুলি ৰাজসভাত ব্যক্ত কৰিছে। মাধৱদেৱৰ আদিকাণ্ডৰ ভাওণিত ধনুখনিৰ কোনো নামৰ উল্লেখ নাই। বাল্মীকিৰ মতে, বিশ্বমিত্ৰই ৰাম-লক্ষ্মক জনকৰ ৰাজসভালৈ নিছিল মহেশ প্ৰদত্ত ধনুখন দেখুৱাবলৈহে। কিন্তু নাটত স্বয়ম্বৰ সভালৈ নিয়াৰ কথা উল্লেখ কৰা হৈছে আৰু লগতে সীতাৰ দেহ সৌন্দৰ্যৰ জীৱন্ত বৰ্ণনাৰে ৰামৰ মনত পূৰ্বৰাগৰ সঞ্চাৰ কৰা হৈছে। বাল্মীকি ৰামায়ণৰ মতে যিহেতু সীতাৰ স্বয়ম্বৰ হোৱা নাছিল, তাত ৰাম-লক্ষ্মণে বিপক্ষ ৰজাসকলৰ লগত যুদ্ধত প্ৰবৃত্ত হ'ব লগা নহৈছিল। শঙ্কৰদেৱে এইক্ষেত্ৰত নাটকত সীতাৰ স্বয়ম্বৰ আয়োজন কৰা দেখুৱাই ৰামলক্ষ্মণৰ শক্তি প্ৰদৰ্শন কৰাই নাট্য ৰচনাৰ প্ৰয়োজনীয়তা সাধন কৰিছে। সেইদৰে ৰাজন্যবৰ্গৰ সীতাৰ প্ৰতি কামাতুৰ আচৰণ প্ৰদৰ্শন নাট্যকাৰৰ স্বকীয় উদ্ভাৱন। সংস্কৃত 'হনুমান্নাটক'ত সীতাৰ স্বয়ম্বৰৰ উল্লেখ আছে। গতিকে ৰামবিয়জত উক্ত নাটৰ প্ৰভাৱ পৰিছে। উদাহৰণ স্বৰূপে 'হনুমান্নাটক'ত প্ৰথম অঙ্কত থকা 'পৃথ্বিস্থিৰাভৱ, ভুজঙ্গম ধাৰ নৈয়াং, ত্বং কুৰ্ম্মৰাজ তদিদং দ্বিতয়ং দধীথাঃ' - কথাখিনি ৰামবিজয়তো অনুৰূপভাৱে দিয়া হৈছে— 'হে মাৰ বসুমতি। তহু থিৰ হুৱা ৰহব। হে পিতা অনন্ত, তুহু ভল্লকয়ে পৃথিৱীক ধৰহ' ইত্যাদি।

ৰামসীতাৰ বিবাহত পুৰোহিত হৈ বিশ্বামিত্ৰই

মুখচন্দ্রিকা কৰিবৰ সময়ত কামবিহ্বল হোৱাৰ নাট্যকাৰৰ স্বকীয় উদ্ভাৱনী যি বৰ্ণনা দিয়া আছে, সেয়া সম্পূৰ্ণ মূলবিৰোধী কথা।

মূলৰ মতে ৰাম-সীতাৰ বিবাহ কাৰ্য সম্পন্ন কৰি বিশ্বামিত্ৰ নিজ আশ্ৰমলৈ উভতি যায়, সেয়ে তেওঁ পৰশুৰামৰ লগত দ্বন্দ্বযুদ্ধত প্ৰবৃত্ত হোৱা নাছিল। ৰামবিজয় নাটত ইয়াৰ বিপৰীতে পৰশুৰামে বাট ভেটি ধৰা, ৰামক বধ কৰিবলৈ উদ্যত হোৱা, শিষ্যক ৰক্ষা কৰিবলৈ বিশ্বামিত্ৰ নিজে যুদ্ধত অৱতীৰ্ণ হোৱা আদি দেখুৱাইছে। ৰামক পৰশুৰামে বধ কৰিবলৈ উদ্যত হোৱা বৰ্ণনাত 'হনুমান্নাটক'ৰ প্ৰভাৱ পৰিছে। ইয়াতো পৰশুৰামে ৰামক বধ কৰিব বিচাৰিছে। আনহাতে বাল্মীকি ৰামায়ণত পৰশুৰামে নিজৰ বৈষ্ণৱ ধনুত গুণ লগাবলৈহে ৰামক আহ্বান কৰা কথা উল্লেখ আছে।

**উপস্থাপন শৈলী ঃ** ৰামবিজয় নাটৰ উপস্থাপন শৈলীত নাট্যকাৰৰ শিল্পচাতুৰ্য মন কৰিবলগীয়া বিশেষত্ব। সংক্ষিপ্তকৰণ প্ৰক্ৰিয়াৰে ঠায়ে ঠায়ে নাটকীয় কাহিনীভাগ আগবঢ়াই নিছে। আঠশাৰীৰ নান্দীশ্লোক, চাৰিশাৰীৰ অপিচ, সুহাই ৰাগৰ একতালিৰ নান্দী গীতেৰে নাটকীয় কাহিনী আৰম্ভ হৈছে। 'ৰঘুকুল কমল প্ৰকাশক' শ্ৰীৰামচন্দ্ৰৰ মহিমা আৰু চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশক অথ ভটিমা আৰু সিন্ধুৰা একতালিৰ প্ৰৱেশৰ গীতৰ পিছত নাটৰ প্ৰকৃত কৰ্ম আৰম্ভ হৈছে জাতিস্মৰ কন্যা সীতাদেৱীৰ কথাৰে। বিশ্বামিত্ৰই ৰাম লক্ষ্মণক সিদ্ধাশ্ৰমলৈ যজ্ঞ ৰক্ষাৰ্থে আগবঢ়াই নিয়াৰ পৰা সীতাৰ বিবাহলৈকে নাটকীয় কাহিনী সংক্ষিপ্তকৰণ কৰি দ্ৰুতগতিত আগবঢ়াই নিছে। বিভিন্ন স্থান আৰু কালৰ সংকেত দুই এটি গীত আৰু দুই চাৰিষাৰ বচনৰ মাধ্যমত আগবঢ়াই নিয়া হৈছে। ফলত নাটখনিত স্থান আৰু কালৰ সংযোগ সূত্ৰ ৰক্ষা হোৱা নাই। উদাহৰণ স্বৰূপে ঋষি বিশ্বামিত্ৰই ৰামলক্ষ্মণক যজ্ঞ ৰক্ষাৰ্থে লৈ যোৱা আৰু ৰাক্ষস নিধনৰ দৃশ্যটো কেৱল এটা পয়াৰৰ যোগেদি বৰ্ণনা কৰি দৃশ্যান্তৰৰ সূচনা কৰা হৈছে—

'চলল কৌশিক সাধিয়ে কাম।
পাচু পাচু চলে লক্ষ্মণ ৰাম।।' ইত্যাদি

নাটখনিৰ দুটি চৰিত্ৰ বিশ্বামিত্ৰ আৰু নায়ক-নায়িকাৰ ৰূপ লাৱণ্য বৰ্ণনা কৰি চৰিত্ৰদ্বয়ৰ অন্তৰত পূৰ্বৰাগৰ সঞ্চাৰ কৰা দেখুৱাইছে। সেইদৰে সীতাৰ প্ৰৱেশ কালত পূৰ্বজন্মৰ কথা সুঁৱৰি বিলাপ কৰা মুহূৰ্তত, আৰু ৰাম-সীতাৰ অযোধ্যামুখী যাত্ৰাৰ বৰ্ণন আদি বিভিন্ন পৰিস্থিতি প্ৰকাশক গীতকেইটিয়ে নাটকীয়ৰ উদ্দেশ্য সাধন কৰিছে। কল্যাণ খৰমানৰ গীতেৰে নাটখনি সামৰণি মৰা হৈছে আৰু নাটৰ অন্তিমত মুক্তিমঙ্গল ভটিমা, এটি পয়াৰৰ আৰু উনৈশটা গীত সন্নিবিষ্ট হৈছে। গীতত ব্যৱহৃত ৰাগসমূহ হৈছে- কল্যাণৰ ৰাগৰ এটি গীতা, কানাড়া পাঁচটা, গৌড়ী দুই, ভটিয়ালী এটা, মাহুৰ দুটা, সুহাই পাঁচটা ধনশ্ৰী দুইটা, সিন্ধুৰা ৰাগৰ এটা গীত।ৰাম সীতাৰ বিবাহৰ নিমিত্তে দশৰথ মিথিলালৈ অহা আৰু পুত্ৰ বধুৰ সৈতে অযোধ্যালৈ উলটি যোৱাৰ কথা কেৱল সূত্ৰধাৰৰ কথাসূত্ৰৰ জৰিয়তে বৰ্ণনা কৰা হৈছে। নাটৰ শেষত ৰাম-সীতাৰ কামকেলিৰ বৰ্ণনা শৃঙ্গাৰ ৰসাত্মক এটা গীতেৰেই সুন্দৰভাৱে অঙ্কন কৰা হৈছে।

অঙ্কীয়া নাটত সাধাৰণতে উৎকণ্ঠা সৃষ্টিৰ অৱকাশ নাথাকে যদিও ৰামবিজয় নাটৰ কেইবাঠাইতো নাট্যকাৰে অন্তঃসংঘাত আৰু বহিঃসংঘাত সৃষ্টি কৰি দৰ্শক পাঠকৰ মনত উৎকণ্ঠা জন্মাই নাটকৰ সৌন্দৰ্যবৰ্দ্ধন কৰিছে।

ৰামবিজয় নাটখনিৰ উপস্থাপন ৰীতিত শঙ্কৰদেৱৰ পূৰ্বৰ নাট ৰুক্মিণী হৰণৰ লগত মিল আছে। বিশেষকৈ পৰিস্থিতি ৰচনা, চৰিত্ৰ চিত্ৰণ আৰু সংলাপৰ ক্ষেত্ৰত এই সাদৃশ্য দেখা যায়। দুয়োখন নাটতে স্বয়ম্বৰৰ আয়োজন কৰা দেখুৱাইছে। ৰুক্মিণী হৰণত শ্ৰীকৃষ্ণ ৰুক্মিণীৰ মিলনৰ পথত বাধা দিছে ৰুক্মবীৰ আৰু শিশুপাল প্ৰমুখ্যে ৰজাসকলৈ। তেনেকৈ ৰামবিজয়তো ৰাম-সীতাৰ মিলনত বাধা দিছে বিপক্ষ ৰজাসকল আৰু পৰশুৰামে। দুয়োখন নাটতে স্বয়ম্বৰত মিলিত ৰাজন্যবৰ্গই ৰাজকন্যাদ্বয় ৰুক্মিণী আৰু সীতাক দেখি কামবাণে পীড়িত হৈ বীভৎস আচৰণ কৰিছে। ৰুক্মিণীৰ সখী মদনমঞ্জৰী আৰু লীলাৱতীৰ চৰিত্ৰ সীতাৰ সখী কণকাৱতী আৰু মদন মন্থৰাৰ অনুৰূপ। ৰুক্মিণীৰ বিবাহ যজ্ঞ হোমাগ্নি কৰোঁতে ৰুক্মিণীৰ ভুৱন মোহিনী ৰূপত ব্ৰহ্মা বিভোল হৈ পৰাৰ দৰে ৰামবিজয়তো সীতাৰ

মুখচন্দ্ৰিকা কৰোঁতা বিশ্বামিত্ৰৰ অৱস্থা তদ্ৰূপ। ৰুক্মিণীৰ দৰে সীতাও প্ৰেমিকা, স্বামীভক্তা। ৰুক্মিণী হৰণত যেনেকৈ সুৰভি আৰু হৰিদাস ভাটে নায়ক-নায়িকাৰ অন্তৰত ভটিমাৰ যোগেদি পূৰ্বৰাগৰ সৃষ্টি কৰিছে ঠিক তেনেকৈ ৰাম-বিজয়তো বিশ্বামিত্ৰ আৰু কণকাৱতীৰ মুখৰ দুটি ভটিমাৰে ৰাম-সীতাৰ অন্তৰত পূৰ্বৰাগৰ সঞ্চাৰ কৰিছে।

দুয়োখনি নাটতে স্বয়ম্বৰ সভাৰ দুটিমান দৃশ্যৰ সংলাপৰ সাদৃশ্যও মন কৰিবলগীয়া। তেনে দুটি সংলাপ হৈছে—

'তদনন্তৰ মুখচন্দ্ৰিকা কৰিতে ৰুক্মিণীক ভুৱনমোহন ৰূপ নিৰীখিয়ে ব্ৰহ্মা আতুৰ হুৱা মাটি লুটি পৰল। নাৰদ মুনি বোদ কৰাৱল- হে পিতা স্বস্থ হৱ, স্বস্থ হৱ ঃ তোহাৰ বেৱহাৰ নহে।' (ৰুক্মিণী হৰণ নাট)

'মুখচন্দ্ৰিকা কৰিতে সীতাক ভুৱন মোহন ৰূপ নিৰেখি ঋষি কামে আতুৰ ভেলহ। হাতক শ্ৰুৱ-শ্ৰুক খসি পৰল। শৰীৰ কম্পি মূৰতি পৰল। তাহে পেখি শিষ্য গালৱে প্ৰৱোধ বোলল- হে গুৰু তোহাৰি কোন বেৱহাৰ, স্বস্থ হৱ।' (ৰামবিজয়)

ৰামবিজয় নাটখনিৰ নাটকীয় পঞ্চ অৱস্থা আৰু পঞ্চ সন্ধি এনেকুৱাকৈ দেখুৱাব পাৰি (১) বিশ্বামিত্ৰ ঋষিৰ দ্বাৰা ৰামৰ আগত সীতাৰ ৰূপ-গুণ বৰ্ণনা আৰম্ভ অৱস্থা আৰু মুখ সন্ধি। (২) বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষ্মণৰ স্বয়ম্বৰলৈ গমন আৰু হৰধনু ভাঙিবলৈ কৰা যত্ন অংশক প্ৰযত্ন অৱস্থা আৰু প্ৰতিমুখ সন্ধি। (৩) হৰধনু ভঙ্গ কৰি সীতাৰ স্বামীবৰণ প্ৰাপ্ত্যাকাংক্ষা আৰু গৰ্ভ সন্ধি। (৪) পৰশুৰামৰ বাধাদান আৰু ৰামৰ দ্বাৰা সেই বাধা অপসাৰণ অংশ নিয়তাপ্তি আৰু অবিমৰ্শ সন্ধি। (৫) অযোধ্যাত সীতাসহ ৰামৰ উপস্থিতি আৰু মিলনক ফলাগম অৱস্থা বা নিৰ্বহন সন্ধিৰূপে দেখুৱাব পাৰি।

**চৰিত্ৰ অংকন ঃ** ৰামবিজয় নাটত ভালেকেইটি চৰিত্ৰৰ সমাৱেশ ঘটিছে। পুৰুষ চৰিত্ৰকেইটি হৈছে— পৰশুৰাম, মণিমন্ত্ৰ, গালৱ আৰু ৰজাসকল। নাৰী চৰিত্ৰ তিনিটা— সীতা, কণকাৱতী আৰু মদনমঞ্জৰা। অতি কম পৰিসৰতে চৰিত্ৰকেইটি সফল ৰূপায়ণ কৰিবলৈ নাট্যকাৰ সক্ষম হৈছে।

**পুৰুষ চৰিত্ৰ ঃ** নাটকৰ নামকৰণৰ সৈতে ৰজিতা খুৱাই সৃষ্টি কৰা নায়ক চৰিত্ৰ ৰামচন্দ্ৰক নাটখনিত অৱতাৰী পুৰুষ ৰূপে অঙ্কন কৰা হৈছে। আৰম্ভণিৰ অথ ভটিমা, বিশ্বামিত্ৰৰ বচন, কণকাৱতীৰ ভটিমা আৰু মুক্তিমঙ্গল ভটিমাত ৰামচন্দ্ৰৰ পৰম পুৰুষত্ব স্বীকাৰ কৰি তেওঁ বিবিধ লীলা প্ৰকাশ কৰা হৈছে। কেইবাটিও কাৰ্যৰ মাজেদি ৰামৰ বীৰত্ব প্ৰকাশ পাইছে। মাৰীচ-সুবাহু বধ, প্ৰতিদ্বন্দ্বী ৰজাসকলক পৰাজিত কৰা আৰু পৰশুৰামৰ পৰাভৱ আদি ৰামৰ বীৰত্বৰ পৰিচায়ক। বিশ্বামিত্ৰৰ প্ৰতি ভক্তিভাৱে ৰামৰ বিনয়ী স্বভাৱৰ পৰিচয় দিয়ে। সেইদৰে ৰামৰ চৰিত্ৰত পত্নীপ্ৰেম আৰু ভাতৃপ্ৰেমৰ পৰিচয়ো পোৱা যায়।

লক্ষ্মণক কাহিনীৰ আদিৰ পৰা পৰশুৰামৰ পৰাজয়লৈকে দেখুৱাব হৈছে যদিও চৰিত্ৰটিৰ মুখত কেৱল মাত্ৰ দুটি সংলাপ দিয়া হৈছে আৰু ইয়াতেই ৰামৰ প্ৰতি শ্ৰদ্ধা আৰু ক্ষত্ৰিয় গুণ প্ৰকাশ পাইছে।

বিশ্বামিত্ৰ ঋষিৰ চৰিত্ৰটিয়ে নাটৰ কাহিনী বিকাশত যথেষ্ট ভূমিকা পালন কৰিছে। বিশ্বামিত্ৰ ঋষি। তপোবলৰ জৰিয়তে ৰামৰ ঐশ্বৰিকত্ব জানিব পাৰি ৰামৰ হতুৱাই ৰাক্ষস নিধন কৰোৱাই যজ্ঞ সম্পন্ন কৰিছে। ঋষি হিচাপে তেওঁ ৰাম-লক্ষ্মণক যাত্ৰাপথত সমস্ত ধনুবিদ্যা, দিব্যবাণৰ জ্ঞান প্ৰদান কৰিছে আৰু ৰামৰ আগত সীতাৰ ৰূপ-গুণ বৰ্ণাই ৰামচন্দ্ৰক সীতাৰ স্বয়ম্বৰলৈ নি ৰাম-সীতাৰ মিলন সম্ভৱ কৰিছে। এই ক্ষেত্ৰত বিশ্বামিত্ৰক এজন কৃতজ্ঞ ব্যক্তি ৰূপে আৰু মধ্যস্থতাকাৰীৰূপে অঙ্কন কৰাত নাট্যকাৰ সফল হৈছে। বিবাহ যজ্ঞত পুৰোহিতৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে সীতাৰ ৰূপ দেখি মূৰ্চ্চা যোৱা অৱস্থাটোৱে চৰিত্ৰটিৰ মৰ্যাদা কিছু লাঘৱ কৰিছে। কেৱল ইমানেই নহয়, বৰ কন্যাৰ অযোধ্যামুখী পথত তেওঁ সহযাত্ৰী হৈ পৰশুৰামে বাট ভেটি ধৰোতে, 'অয়ে যত শকতি থিক আজু হামাক যুদ্ধ দেহ' বুলি পৰশুৰামৰ লগত যুদ্ধত প্ৰবৃত্ত হৈছে।

জনক আৰু দশৰথক ৰাজসিক ৰূপতকৈ দায়িত্বশীল পিতৃ হিচাপেহে নাট্যকাৰে অংকন কৰিছে।

পৰশুৰামৰ চৰিত্ৰত দাম্ভিকতা আৰু উগ্ৰতা প্ৰকাশ পাইছে। বিশ্বামিত্ৰৰ শিষ্য গালৱে গুৰুক কৰ্তব্যৰ কথা সকীয়াই দি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছে। পাণিপ্ৰাৰ্থী ৰাজন্যবৰ্গক ইন্দ্ৰিয়াসক্ত কামাতুৰ পুৰুষৰ প্ৰতীকৰূপে অংকন কৰি নাট্যকাৰে নাট্যৰচনাৰ উদ্দেশ্য সিদ্ধি কৰিছে।

**নাৰী চৰিত্ৰ ঃ** নায়িকা সীতাদেৱী ধৈৰ্যশীলা, বিনয়ী, পৰম ভক্তা আৰু আলসুৱা। ৰামৰ প্ৰতি একান্ত প্ৰেমভক্তিয়ে চৰিত্ৰটি উজ্জ্বল কৰি তুলিছে। নাটৰ আৰম্ভণিত সীতাক জাতিস্মৰ কন্যাৰূপে দেখুৱা হৈছে। পূৰ্বজন্মৰ কথা মনত পেলাই সখীয়েকদ্বয় কণকাৱতী আৰু মদনমন্থৰাৰ আগত আশংকা প্ৰকাশ কৰি কৈছে— 'হামু পূৰব জনম ঈশ্বৰ নাৰায়ণক স্বামী ইচ্ছা কয় অনেক জনম কায় ক্লেশ কৰিয়ে বহুত বৰিষ তপস্যা কয়লো তদনন্তৰ আকাশীবাণী শুনল। আহে কন্যা তোহো ওহি জনমে স্বামীক ভেট নাহি পাৱব- আৰৰ জনম ৰামৰূপে তোহাক বিবাহ কৰাৱব। ... আহে সখীসৱ সে দৈৱবাণী বিফল ভেল। সে শ্ৰীৰাম স্বামীক চৰণ ওহি জনম ভেট নাহি পাৱলোঁ।'

সীতাৰ ভুৱন মোহন ৰূপ মাধুৰী বিশ্বামিত্ৰৰ মুখেদি নাট্যকাৰে দক্ষতাৰে বৰ্ণনা কৰিছে। মহেশৰ ধনুত গুণ লগাবলৈ যাওঁতে পৃথিৱী অনন্তক স্থিৰ হ'বলৈ প্ৰাৰ্থনা কৰা কাৰ্যত সীতাৰ বিনয়ী, ধৈৰ্যশীলা গুণ প্ৰকাশ পাইছে। বিপক্ষ ৰজাসকলে ৰামৰ বিৰুদ্ধাচৰণ কৰোতে ৰামৰ প্ৰতি সীতা উদ্‌বাউল হৈ পৰিছে আৰু ভীতি বিহ্বলা, আলসুৱা, ক্ৰন্দনৰত সীতাক অৱশেষত ৰামৰ প্ৰবোধ বচনে শান্ত কৰিছে।

কণকাৱতী আৰু মদন মন্থৰাক সখীপ্ৰাণা ৰূপত নাট্যকাৰে অংকন কৰাত কৃতকাৰ্যতা লাভ কৰিছে।

**ৰামবিজয় নাটৰ ৰস, অলংকাৰ ঃ** ৰামবিজয় নাটৰ মূল ৰস ভক্তি। ভক্তিক অন্তৰাবৰণ স্বৰূপে লৈ বীৰ, শৃঙ্গাৰ, ৰৌদ্ৰ, বাৎসল্য, হাস্য, কৰুণ আদি কেইবাটিও ৰসৰ ইয়াত সমাৱেশ ঘটিছে। নাটত ব্যৱহৃত ভটিমা গীত-পদবোৰে ভক্তিৰস জন্মোৱাত সহায় কৰিছে। মাৰীচ-সুবাহুক অপসাৰণ, হৰধনু ভঙ্গ আদি কাৰ্যৰ জৰিয়তে ৰামৰ ঐশ্বৰিক মহিমা প্ৰকাশ পাইছে। সীতা দেৱীক পৰমপুৰুষ ৰামৰূপী ভগৱানৰ একান্ত ভক্তাৰূপে উপস্থাপন কৰোৱাই ভক্ত ভগৱানৰ মিলন সম্ভৱ কৰি পাঠকক ভক্তিৰস উপলব্ধি কৰাইছে।

নাটখনিৰ আৰম্ভণিৰ ভটিমাত বীৰৰস প্ৰকাশ পাইছে—

'সমৰক নাগৰ নাগৰ সাগৰ
শিলা সেতু কয় বন্ধ।
ভকতক ভীতা সীতা নিতা
যুদ্ধে বধিয়ে দশ কন্ধ।।'

তাড়কা ৰাক্ষসী নিধন, যজ্ঞস্থলীৰ পৰা ৰাক্ষস অপসাৰণ, পাণিপ্ৰাৰ্থী ৰাজন্যবৰ্গক যুদ্ধত পৰাজিত কৰা আৰু পৰশুৰামৰ দৰ্পচূৰ্ণ আদি কেইবাটিও ঘটনাৰ মাজেদি বীৰৰস প্ৰকাশ পাইছে।

ৰামবিজয় নাটত শৃঙ্গাৰ ৰসো ফুটি উঠিছে। সীতাৰ ৰূপ লাৱণ্য বৰ্ণনা থকা বিশ্বামিত্ৰৰ মুখৰ ভটিমা 'কি কহব ৰূপ কুমাৰীক ৰাম'ৰ জৰিয়তে বিপ্ৰলম্ভ শৃঙ্গাৰ আৰু নাটৰ শেষৰফালে ৰাম-সীতাৰ মিলন বৰ্ণনা থকা— 'এ কৰুৰময়া ৰস কেলি.... ' গীতটিত সম্ভোগ শৃঙ্গাৰ ৰস প্ৰকাশ পাইছে।

ৰৌদ্ৰ ৰসৰ প্ৰকাশ ঘটিছে পৰশুৰাম আৰু লক্ষ্মণৰ আচৰণৰ মাজেদি। কৰুণ ৰসৰ প্ৰকাশ ঘটিছে সীতাৰ বিৰহ বেদনা আৰু কাৰুণ্য প্ৰকাশক গীতৰ জৰিয়তে। পূৰ্বজন্মৰ কথা সুঁৱৰি সীতাৰ সখীয়েকসকলৰ আগত বিলাপ কৰিছে। বিপক্ষ ৰজাসকলৰ আক্ৰমণত ৰামৰ কথা চিন্তা কৰি সীতা শোকাৰ্ত হৈ পৰিছে। পৰশুৰামে তৰ্জন-গৰ্জন কৰি ৰামক বধ কৰিবলৈ উদ্যত হওঁতে সীতা কান্দি-কাটি মূৰ্চ্ছা যোৱা আদি বৰ্ণনাই কৰুণ ৰসৰ উদ্ৰেক কৰিছে। সেইদৰে পুত্ৰ স্নেহাকুল দশৰথৰ বিশ্বামিত্ৰ আৰু পৰশুৰামৰ ওচৰত কৰা কাতৰ মিনতি আৰু কাৰুণ্যৰ মাজেদি কৰুণ আৰু বাৎসল্য ৰস ফুটি উঠিছে। সীতাৰ স্বয়ম্বৰ সভাত পাণিপ্ৰাৰ্থী ৰাজন্যবৰ্গৰ কামাতুৰ আচৰণ আৰু হৰধনু ভঙ্গ কৰিবলৈ গৈ বিফল হোৱাৰ যি বৰ্ণনা, সিয়ে হাস্যৰস সৃষ্টিত অৰিহণা যোগাইছে।

ৰামবিজয় নাটৰ গীতকেইটিৰ কাব্যিক সৌন্দৰ্য অতুলনীয়। অনুপ্ৰাস, যমক, উপমা, ৰূপক আদি বিবিধ

অলংকাৰে বৰ্ণনীয় বিষয় উজ্বল, চিত্ৰময় আৰু লয়যুক্ত কৰি সৌন্দৰ্যবৰ্দ্ধন কৰিছে তাৰে কেইটিমান দৃষ্টান্ত—

**ক) অনুপ্ৰাস অলংকাৰ ঃ**

১) 'জয় জয় ৰঘুকুল কলম প্ৰকাশক
দাসক নাশক ভীতি।
জয় জয় জয় নিজ জন যাতন যাতন
পাতন পাতক ৰীতি।।'

২) 'মানিক মুকুট কুণ্ডল কৰু কান্তি।
দশন ওৰিম নৱ মোতিম পান্তি।।'

৩) 'কি কহব ৰূপ কুমাৰীক ৰাম।
কণক পুতলি তুল তনু অনুপাম।।'

**খ) যমক অলংকাৰ ঃ**

১) 'সমৰক নাগৰ নাগৰ সাগৰ
শিলা সেতু কয় বন্ধ।'

২) 'জগতক অন্তক অন্তক সনক
পূৰল পৰমা কাম।'

৩) 'অসাৰত সাৰত কাৰত ভাৰত
নৰতনু বিফলেহি যাই।'

৪) 'ঘন ঘন শ্বাস ফোকাৰত
তনু চেতনু নাই।'

**গ) উপমা অলংকাৰ ঃ**

ৰাম সীতা ৰূপ বৰ্ণনা থকা ভটিমা কেইটিত উপমা অলঙ্কাৰৰ প্ৰচুৰ প্ৰয়োগ লক্ষ্য কৰা যায়। যেনে- সীতাৰ দেহ লাৱণ্যক 'কণক পুতলি', নহয়ন যুগলক 'কমল জল মাজ', আঙুলিক 'কণক শলক', দাঁত দুপাৰিক 'ডাড়িম্ব নিবিড় বীজ', নাকটিৰ বৰ্ণনাত 'নাসা তিলফুল', পদ যুগলক 'পঙ্কজ নৱ পল্লৱ'ৰ লগত তুলনা কৰি উপমা অলংকাৰ সৃষ্টি কৰিছে। সেইদৰে ৰামৰ সৌন্দৰ্য প্ৰকাশক কণকাৰতীৰ ভটিমাটিত থকা 'মস্তক ছত্ৰক বেশ', 'নাসা নীল তিলফুল', 'মদনক ধনু ভ্ৰৰভঙ্গ', 'ভুজযুগ বলিত ভুজঙ্গ', 'নয়ন পঙ্কজ নৱ পাতা', 'উৰু কৰিকৰ', 'চৰণ কমল কোষ শ্যাম' আদি বৰ্ণনা উপমা অলংকাৰৰ নিদৰ্শন।

**ঘ) ৰূপক অলংকাৰ ঃ**

১) 'জয় জয় ৰঘুকুল কমল প্ৰকাশক।'

২) 'বদন ইন্দু পৰকাশ। অৰুণ অধৰ মন্দহাস।'

আলোচনাৰ জৰিয়তে ক'ব পাৰি, মহাপুৰুষ শঙ্কৰদেৱৰ অন্তিম ৰচনা 'ৰামবিজয়' সকলো দিশৰ পৰাই পৰিপুষ্ট সৰ্বাঙ্গ সুন্দৰ এখনি উৎকৃষ্ট অঙ্কীয়া নাট।■■

**পাদটীকা ঃ**

১. সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া নাট্য সাহিত্য, পৃষ্ঠা-৭২, ষষ্ঠ সংস্কৰণ-১৯৯১

**গ্ৰন্থপঞ্জী ঃ**

দত্ত বৰুৱা, হৰিনাৰায়ণ ঃ (সম্পা.) সপ্তকাণ্ড ৰামায়ণ, গুৱাহাটী-১৯৬৮
দেৱগোস্বামী, কেশৱানন্দ (সম্পা.) অঙ্কমালা
নেওগ, মহেশ্বৰ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, গুৱাহাটী-২০০৬
বৰা, হেম ঃ ভাষা, সাহিত্য ইত্যাদি, গুৱাহাটী-১৯৯৩
ভট্টাচাৰ্য, হৰিচন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি, গুৱাহাটী-১৯৬৮
মহন্ত, ৰুবী ঃ শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতাত্বিক অধ্যয়ন, প্ৰথম প্ৰকাশ, যোৰহাট-১৯৯৯
মেধি, কালিৰাম (সম্পা.) অঙ্কাৱলী, গুৱাহাটী-১৯৫০
শৰ্মা, কুসুম চন্দ্ৰ ঃ বৈষ্ণৱ ভক্তিবাদ, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা, গুৱাহাটী-২০০৪
শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, গুৱাহাটী-১৯১৯

*লেখিকা জ্যেষ্ঠা সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,*
*মৰিধল মহাবিদ্যালয়*

# মাধৱদেৱৰ ‘ৰাজসূয়’ কাব্যত ভক্তি আৰু কাব্যসম্পদ

ড° কনক চন্দ্ৰ চহৰীয়া

ভক্তকবি মাধৱদেৱ পুৰুষে ৰচনা কৰা সাহিত্য সম্ভাৰৰ ভিতৰত এক অন্যতম কাব্য হ'ল *‘ৰাজসূয়’*। পাটবাউসী সুন্দৰীদিয়াত থকা সময়ছোৱাতে মহাপুৰুষ শঙ্কৰদেৱৰ আজ্ঞা অনুসৰি তাৰাই এই ভক্তিকাব্য ৰচনা কৰে।[১] মধ্য আৰু শেষ দশমৰ পদ অনন্ত কন্দলীয়ে কৰা ভাঙনিত সন্তুষ্ট নহৈ গুৰুজনাই নিজে *ৰুক্মিণীহৰণ* আৰু *কুৰুক্ষেত্ৰ* কাব্য ৰচনা কৰি মাধৱদেৱ পুৰুষক *ৰাজসূয়* ৰচনা কৰিবলৈ নিৰ্দেশ কৰে। চৰিত পুথিত ইয়াৰ উল্লেখ এনেদৰে আছে—

“তেনেতে অনন্ত কন্দলিয়ে উজানতে দশম মধ্য শেষ পদকৈ দি সেৱ কৰিলেহি ঃ গুৰুজনে চাই বোলে বামনি পুতেক হৈ টোকৰ মাইলা বেল শিৰত নপৈল ঃ ভক্তিপৰ হ'ল ৰছ যুদ্ধত কৈলা দীৰ্ঘ ঃ বোলে বঢ়াপো মই আগে গুৰিএ ধৰো তুমি উঠা মাজত ঃ সাৰ কাঢ়ি গুৰুজনে কৈলে হৰিবংশ মিশ্ৰ দি *ৰুক্মিণীহৰণ* কুৰুক্ষেত্ৰ চোট আতা ৰাজসূঞি।।”[২] মাধৱদেৱ পুৰুষে কাব্যখনৰ আৰম্ভণিতে সেয়ে “গুৰু কৃপা উপদেশ শিৰোগত কৰি” এই কৃষ্ণলীলাৰ অনুপম কাব্য *ৰাজসূয়* ৰচনা কৰা বুলি উল্লেখ কৰিছে। প্ৰায় আঠশ পদ নিবন্ধিত এই ৰাজসূয় কাব্যৰ বৰ্ণিত বিষয়সমূহ হ'ল যথাক্ৰমে— দ্বাৰকাৰ বৰ্ণন, গৃহাশ্ৰমী কৃষ্ণক লীলা-কৌতুক আৰু তেওঁৰ ৰূপ-সৌন্দৰ্য, সুধৰ্মাৰ সভাবৰ্ণন, সুধৰ্মা সভালৈ দূতৰ আগমন, জৰাসন্ধই বন্দী কৰি থোৱা ৰজাসকলৰ মুক্তিৰ বাবে কৃষ্ণৰ ওচৰত দূতৰ আবেদন, সভালৈ নাৰদৰ আগমন, যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সম্পাদনৰ বাবে কৃষ্ণৰ ওচৰত নাৰদৰ নিবেদন, বন্দীৰজাৰ মুক্তি আৰু যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সম্পৰ্কে কৃষ্ণৰ আলোচনা, কৃষ্ণৰ আহ্বানমৰ্মে বন্দী মুক্তিকৰণ আৰু ৰাজসূয় যজ্ঞ সম্পৰ্কত উদ্ধৱৰ সিদ্ধান্ত ঘোষণা, পৰিয়ালবৰ্গসহ কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰা, ইন্দ্ৰপ্ৰস্থত যুধিষ্ঠিৰ আৰু অন্যান্যসকলৰ দ্বাৰকাবাসীক আদৰ অভ্যৰ্থনা, ইন্দ্ৰপ্ৰস্থবাসীক কৃষ্ণৰ যথাযোগ্য মান সম্ভ্ৰম তথা স্নেহালিঙ্গন, ইন্দ্ৰপ্ৰস্থ নগৰৰ বৰ্ণন, নগৰবাসীৰ কৃষ্ণ দৰ্শন আৰু কৃষ্ণ পূজা-অৰ্চনা, কৃষ্ণ-অৰ্জুনৰ বিহাৰ বিনোদন, যুধিষ্ঠিৰৰ ৰাজসভাত কৃষ্ণৰ অংশগ্ৰহণ আৰু ৰাজসূয় সম্পৰ্কে আলোচনা ৰাজসূয়ৰ আগে নৃপতিবৰ্গক জিনিবৰ বাবে কৃষ্ণৰ প্ৰস্তাৱ, নৃপতিসকলক জিনিবলৈ চাৰিওদিশে ভীম-অৰ্জুন-নকুল আৰু সহদেৱক প্ৰেৰণ, নৃপতিসৱক জিনাৰ পিছত জৰাসন্ধক বধিবলৈ ব্ৰাহ্মণবেশে কৃষ্ণ, ভীম আৰু অৰ্জুনৰ মগধলৈ গমন, ভীম-জৰাসন্ধৰ যুদ্ধ আৰু কৃষ্ণৰ নিৰ্দেশত ভীমৰ জৰাসন্ধ বধ, জৰাসন্ধৰ পুত্ৰ সহদেৱক মগধৰ ৰাজ্যভাৰ অৰ্পণ আৰু বন্দীৰজাসকলক মুক্তি প্ৰদান, মুক্ত ৰজাসকলৰ কৃষ্ণস্তুতি আৰু কৃষ্ণৰ অভয় প্ৰদান, ভীম-অৰ্জুনৰ সৈতে কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থলৈ পুনৰাগমন আৰু যুধিষ্ঠিৰৰ আদৰণি, ৰাজসূয় যজ্ঞ অনুষ্ঠিত কৰিবৰ বাবে ঋষিসকলক নিমন্ত্ৰণ আৰু অনুমতি গ্ৰহণ, ঋষিসকলৰ যজ্ঞস্থলী শোধন, ধৃতৰাষ্ট্ৰৰ পুত্ৰ সমন্বিতে ভীষ্ম, কৰ্ণ, বিদুৰ আদিৰ যজ্ঞস্থলীলৈ আগমন, কৰভাৰ লৈ অন্যান্য নৃপতিসকৰ লগতে কামৰূপ ৰাজ ভগদত্তৰ যজ্ঞস্থলীত পদাৰ্পণ, ভীম-অৰ্জুন-নকুল-সহদেৱৰ লগতে দুৰ্যোধন, কৰ্ণ আৰু কৃষ্ণকো যজ্ঞৰ যাৱতীয় দায়িত্ব প্ৰদান, যজ্ঞলৈ দেৱতা-গন্ধৰ্ব-কিন্নৰ-অপ্সৰা-নাগকুল আদিৰ লগতে ব্ৰাহ্মণ-সজ্জন-ইন্দ্ৰ-বৈশ্য-ক্ষত্ৰিয় সকলোৰে আগমন, উপস্থিতসকললৈ যুধিষ্ঠিৰৰ আদৰ অভ্যৰ্থনা, ঋত্বিজসকলৰ দ্বাৰা বিষ্ণু মন্ত্ৰোচ্চাৰণৰে যজ্ঞ আৰম্ভণ, অভ্যাগত সমজুৱাসকলৰ মাজত প্ৰথম অৰ্ঘ্য অৰ্পণৰ বাবে যুধিষ্ঠিৰৰ পৰামৰ্শ আহ্বান, কৃষ্ণক অৰ্ঘদান কৰিবলৈ সহদেৱৰ পৰামৰ্শ আৰু সমজুৱাৰ সন্মতি জ্ঞাপন, অৰ্ঘ দানেৰে যুধিষ্ঠিৰৰ কৃষ্ণক বৰণ, কৃষ্ণক

বৰণ কৰা বাবে শিশুপালৰ ক্ৰোধ আৰু কৃষ্ণক নিন্দা, কৃষ্ণৰ হাতত শিশুপালৰ মৃত্যু আৰু সাৰূপ্য মুক্তিৰে বৈকুণ্ঠ প্ৰাপ্তি, কৃষ্ণৰ মহিমাত সমজুৱাৰ ভগৱত জ্ঞান লাভ, যজ্ঞৰ পৰিসমাপ্তিৰ বাবে অৱভৃথ স্নান কৰিবলৈ আটাইৰে গঙ্গাযাত্ৰা, যাত্ৰাপথত বিহাৰ আৰু গঙাত মোটখেলা সম্পন্ন, ব্ৰাহ্মণৰ পত্নী সংজ্ঞা যাগ আৰু যুধিষ্ঠিৰ আৰু অন্যান্য নৰ-নাৰীৰ পুনৰাগমন, ঋত্বিজ প্ৰমুখ্যে উপস্থিত সকলোলৈকে যুধিষ্ঠিৰৰ সেৱা-সন্মান তথা উৰ্চগা-দান, ঋত্বিজ আৰু অন্যান্যসকলৰ যুধিষ্ঠিৰৰ লগতে পাণ্ডৱক প্ৰশংসা আৰু যজ্ঞৰ সামৰণি মাৰি স্ব-স্থানলৈ গমন, যজ্ঞৰ অন্তত কৃষ্ণৰ মায়াত ময়দানৰ নিৰ্মিত যুধিষ্ঠিৰৰ সভাগৃহত দুৰ্য্যোধনৰ মানভঞ্জন, দুৰ্য্যোধনক যুধিষ্ঠিৰৰ প্ৰবোধ আশ্বাস, দগ্ধ হৃদয় আৰু ক্ৰোধান্বিত দুৰ্য্যোধনৰ হস্তিনাপুৰ গমন, দুৰ্য্যোধনৰ মানভঞ্জনেৰে কুৰু-পাণ্ডৱৰ কন্দলৰ বীজ সিঁচিব পাই আনন্দিত কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থৰ পৰা বিদায় গ্ৰহণ আৰু দ্বাৰকা প্ৰত্যাবৰ্তন।

উল্লিখিত বিষয়ৰাজিৰে সমগ্ৰ ৰাজসূয় কাব্যখনৰ কাহিনীভাগ ৰচিত হৈছে যদিও ইয়াত প্ৰাধান্য লাভ কৰিছে মূলতঃ তিনিটা বিষয়ে। সেয়া হ'ল— জৰাসন্ধ বধ, কৃষ্ণৰ হাতত শিশুপালৰ মৃত্যু আৰু যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সম্পাদন। এই তিনিটা শাখা বিশিষ্ট কাব্যখন নানা সঞ্চাৰী আৰু উদ্দীপন বৰ্ণনা দ্বাৰা পৰিপুষ্ট তথা পত্ৰ পল্লৱৰে সুশোভিত কৰি তোলা হৈছে।[৩] একেআষাৰে ক'বলৈ গ'লে যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সম্পাদনৰ অযুহাততে কৃষ্ণই জৰাসন্ধ আৰু শিশুপাল বধকে ধৰি আন সকলোবোৰ আনুষঙ্গিক কাৰ্য সম্পন্ন কৰি তেওঁৰ মহিমা আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰাৰ লগতে একশৰণ ভক্তিৰো বিজয় ঘোষণা কৰিছে।

মাধৱদেৱ পুৰুষৰ ৰাজসূয় কাব্য ৰচনাৰ মূল আধাৰ ভাগৱত। অৱশ্যে তাৰ মাজতে তাৰাই দুই এটা কথাত আন শাস্ত্ৰৰো সহায় লৈছে। কাব্যৰ আৰম্ভণিত কবিয়ে সেয়ে কৈছে—

মহাভাগৱত পদ সাক্ষাতে অমৃত।
আনো শাস্ত্ৰমত কিছু কৰিবো মিশ্ৰিত।।
অন্যে অন্যে ৰসে আতি হৈবে মনোৰম।
যেনে চেনি মিশ্ৰে দুগ্ধ স্বাদত উত্তম।।

শ্ৰীমদ্‌ভাগৱতক মূল হিচাপে লৈ ৰচনা কৰা *ৰাজসূয়*ত যি 'আনো শাস্ত্ৰমত কিছু' মিশ্ৰন কৰা বুলি উল্লেখ কৰা হৈছে সুপণ্ডিত ড° সত্যেন্দ্ৰনাথ শৰ্মাই সেই 'আনো শাস্ত্ৰ'ক *মহাভাৰত* আৰু মাঘৰ *শিশুপালবধ* বুলি অনুমান কৰিছে।[৪] বিশেষকৈ কাব্যখনত থকা ভীম-জৰাসন্ধৰ যুদ্ধাংশত মহাভাৰতৰ সভাপৰ্বত থকা জৰাসন্ধ যুদ্ধৰ প্ৰভাৱ দেখা যায়। কাৰণ শ্ৰীমদ্‌ভাগৱতত দুটা- কি তিনিটা শ্লোকৰ দ্বাৰা অতি সংক্ষিপ্তকৈ এই যুদ্ধৰ কথা উল্লেখকৰা হৈছে যদিও কাব্যখনত কবিয়ে মহাভাৰতত থকা দৰেই ইয়াৰ বহল বৰ্ণনা দিছে। অৱশ্যে মল্লযুদ্ধৰ ক্ৰম আৰু প্ৰকাৰ বুজাবলৈ মূল মহাভাৰতত যি পৰিভাষিক শব্দৰ প্ৰয়োগ আছে কাব্যখনত কিন্তু সেই শব্দ ব্যৱহাৰ নকৰি সৰ্বজনবোধ্য কৌতুকপ্ৰদ বিৱৰণহে দিয়া দেখা গৈছে।[৫] কাব্যত শিশুপালৰ জন্ম সম্পৰ্কীয় যি আখ্যানৰ আভাস দিয়া হৈছে সেয়াও মূলতঃ মহাভাৰতৰে অন্তৰ্গত। অৱশ্যে মহাভাৰতত শিশুপালৰ কৃষ্ণ নিন্দাক ভীষ্ম আৰু সহদেৱে যেনেদৰে প্ৰতিবাদ কৰিছে ঠিক তেনেদৰে কাব্যত কৰা দেখা নাযায়। কাব্যত কেৱল সহদেৱৰ প্ৰস্তাৱক ভীষ্মই সমৰ্থন কৰিছে। যাদৱ বাহিনী ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰাৰ যি বৰ্ণনা কাব্যত দাঙি ধৰা হৈছে তাত মাঘৰ *শিশুপালবধ*ৰ প্ৰভাৱ থকা বুলি ড° শৰ্মাই উল্লেখ কৰা কথাষাৰ বিশেষভাৱে প্ৰণিধানযোগ্য।[৬] অৱশ্যে কৃষ্ণই ইন্দ্ৰপ্ৰস্থত প্ৰৱেশ কৰা বৰ্ণনাংশ মহাপুৰুষ শঙ্কৰদেৱৰ *ৰুক্মিণী হৰণ* কাব্যত থকা কৃষ্ণৰ কুণ্ডিল প্ৰৱেশ বৰ্ণনাৰ লগত মিল থকাটোও বিশেষভাৱে মন কৰিবলগীয়া। একেদৰে ৰাজসূয় যজ্ঞৰ বৰ্ণনা আৰু ৰুক্মিণী হৰণ কাব্যত বৰ্ণিত ৰুক্মিণীৰ বিবাহ, যজ্ঞলৈ অহা দেৱতা-গন্ধৰ্ব-নাগ কুলৰ বৰ্ণনাৰ লগত ৰুক্মিণীৰ বিয়ালৈ অহা সকলৰ বৰ্ণনা আদি ভালেমান বিষয় সাদৃশ্য পৰিলক্ষিত হোৱাটোও বিশেষভাৱে উল্লেখযোগ্য।[৭] তদুপৰি শঙ্কৰদেৱৰ *আদিদশম*ৰ বিশেষ বৰ্ণনা কিছুমানৰ লগতো মাধৱদেৱৰ ৰাজসূয়ৰ মিল বিচাৰি পোৱা গৈছে। এইক্ষেত্ৰত কৃষ্ণৰ দৰ্শনত মুগ্ধা

হোৱা *আদিদশম*ৰ নাৰীসকল আৰু ৰাজসূয়ত লগ পোৱা ইন্দ্ৰপ্ৰস্থৰ নাৰীসকলৰ আচৰণত কোনো পাৰ্থক্য নাই। সেইদৰে ঝুমুৰী ছন্দত বৰ্ণিত *আদি দশম*ত ইন্দ্ৰৰ ক্ৰোধ আৰু *ৰাজসূয় কাব্য*ৰ ঝুমুৰী ছন্দত উদ্ভাসিত শিশুপালৰ ক্ৰোধত সাদৃশ্য পৰিলক্ষিত হৈছে। কাব্য দুখনত বৰ্ণিত মথুৰা আৰু ইন্দ্ৰপ্ৰস্থ নগৰৰ সাদৃশ্যও মন কৰিবলগীয়া।[৮]

বহুক্ষেত্ৰত দেখা গৈছে *ৰাজসূয়*ৰ মূল কাহিনী ভাগ *ভাগৱত*ৰ দশম স্কন্ধৰ পৰা লোৱা হৈছে যদিও ভালেমান ঠাইত *ভাগৱত*ৰ কথাকো অতিৰঞ্জন কৰিছে। এইক্ষেত্ৰত যাদৱ বাহিনীৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰা, ভীম-জৰাসন্ধৰ যুদ্ধ, কৃষ্ণক ৰাজসূয় যজ্ঞৰ অৰ্ঘ্য প্ৰদান, শিশুপালৰ তৰ্জন-গৰ্জন, অবভৃথস্নানত কৰা মোটখেলাৰ বৰ্ণনা আদি উল্লেখযোগ্য।*

যা হওক, ভাগৱত পুৰাণৰ উপৰি অন্যান্য শাস্ত্ৰৰ মিশ্ৰনত ৰচিত এই ৰাজসূয় কাব্যৰ মূল আৱেদন কৃষ্ণ মাহাত্ম্য কথন আৰু একশৰণ ভক্তি প্ৰকাশত কিন্তু কবি সাৰ্থক হৈছে। দৰাচলতে উপাস্য দেৱ কৃষ্ণৰ মহিমা প্ৰকাশ আৰু তেওঁক সৰ্বশ্ৰেষ্ঠ প্ৰতিপাদনেৰে একশৰণ ভক্তিৰ উদ্ৰেক ঘটোৱাটোৱেই কাব্যৰ মূল উদ্দেশ্য। সন্দেহ নাই কাব্যৰ আৰম্ভণিৰ কৰা সংস্কৃত শ্লোকটিৰ জৰিয়তেই কবিৰ সেই উদ্দেশ্য প্ৰকটিত হৈছে। দৈৱকীপুত্ৰ কৃষ্ণৰ ক্ৰীড়াস্থলী ৰূপে অখিল জগত শৰীৰ ৰূপে বেদ আৰু প্ৰণৱ ধ্বনিৰূপে তেওঁকেই বন্দনা কৰা কাৰ্যই প্ৰমাণ কৰিছে মহিমাময়ী সৰ্ব শ্ৰেষ্ঠ কোন। একেদৰে এই বন্দনাৰ পিছতেই কবিয়ে দৈৱকীনন্দন নাৰায়ণক কৰা প্ৰণাম তথা নমস্কাৰৰ মাজেৰেই একশৰণ ভক্তিৰ স্বৰূপ প্ৰকাশ কৰিছে।

**ভক্তি আৰু কৃষ্ণ মাহাত্ম্য ঃ** ৰাজসূয় কাব্যত বৰ্ণিত মতে প্ৰথমেই স্বয়ং শ্ৰীকৃষ্ণই মানৱীয় প্ৰেমলীলা তথা ক্ৰীড়া কৌতুকৰ মাজেৰে দৰাচলতে ৰুক্মিণী প্ৰভৃতি তেওঁৰ মহিষীসকলৰ মাজত ভক্তিপ্ৰেমৰে উদ্ৰেক ঘটাইছে।

ৰুক্মিণী প্ৰমুখ্যে নিৰন্তৰে নাৰীগণে।
কৃষ্ণ মূৰ্ত্তি অমৃতক প্ৰিয়ন্ত নয়নে।।
সলজ্জ কটাক্ষে হাস্যপ্ৰেম নিৰীক্ষণে।
অচ্চন্ত কৃষ্ণক নিৰন্তৰ ৰঙ্গমনে।।

একেদৰেই কৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্য জানিয়েই তেওঁৰ সুধৰ্মা সভালৈ বন্দীৰজাৰ বাৰ্তা বহনকাৰী দূতেও তদ্‌গদচিত্তে প্ৰণাম কৰিছে। কৃষ্ণ ভক্ত বন্দী ৰজাসকলৰ যি একনিষ্ঠ সেৱা-ভক্তি সেয়া দূতৰ সেৱা-প্ৰাৰ্থনাতে পৰিস্কাৰ হৈ পৰিছে। এই প্ৰাৰ্থনা যেন কেৱল বন্দী ৰজাসকলৰ প্ৰাৰ্থনা মাত্ৰ নহয়, ই সমগ্ৰ আৰ্ত মানৱ সমাজৰে প্ৰাৰ্থনা স্বৰূপ হৈ ধৰা দিছে।[৯]

সৱ সম কলেৱৰ পুত্ৰ দাৰা আদি কৰি
কেৱলে দুখৰ বহো ভাৰ।
হানি অপমান চয় শোকমোহ মহাভয়
দিনে ৰাত্ৰি নুগুছে আ...।।
......................................
সৰ্বদুখ বিনাশন তোমাৰ চৰণ এবে
শৰণে পশিলো ৰাজা জাক।
তোমাৰ মায়ায়ে ঘোৰ কৰ্মজৰী বান্ধি আছে
প্ৰভু আবে নিবত্তাৰা তাক।।

নক'লেও হ'ব, দূতৰ মুখে বন্দী ৰজাসকলে ব্যক্ত কৰা এই সেৱা-প্ৰাৰ্থনাৰ অন্তৰালত আছে অন্তৰ্য্যামী কৃষ্ণই ঐশ্বৰিক মহিমাৰে তেওঁলোকৰ হৃদয়ত উদ্ৰেক ঘটোৱা একশৰণ ভক্তিৰ নিয়্যাস। ঠিক একেদৰেই যুধিষ্ঠিৰৰ দূতৰূপে সুধৰ্মা সভালৈ অহা নাৰদে কৃষ্ণক যি স্তুতি কৰিছে তাত ভক্তিৰ লগতে কৃষ্ণৰ অচিন্ত্য মহিমাও জিলিকি উঠিছে।

হেন হৰি তোমাৰ মায়াৰ নাহি সীমা।
তুমি পৰমাত্মা দেৱ অচিন্ত্য মহিমা।।
তোমাক জানিতে নাহি শকতি আমাৰ।
কেৱলে চৰণে মাত্ৰ কৰোঁ নমস্কাৰ।।

মন কৰিবলগীয়া কথা, ভক্ত নাৰদে যেনেকৈ কৃষ্ণক স্তুতি-নতিৰে বন্দনা কৰিছে ঠিক তেনেদৰে আকৌ স্বয়ং কৃষ্ণয়ো নাৰদক সেৱা-সন্মানেৰে আদৰি পূজা অৰ্চনা কৰিছে।

নাৰদক দেখিয়া ঈশ্বৰ ভগৱন্ত।
সমস্ত সমাজে তাৰক্ষণে উঠিলন্ত।।
......................................................

ৰত্নময় আসনত বসাই অনন্তৰে।
যড়ৰ্ঘে কৰিলা পূজা পৰম সাদৰে।।

নাৰদৰ ভক্তিত গদগদ হৈ ভগৱন্ত কৃষ্ণই ওলোটাই নাৰদক সেৱা সন্মান কৰাৰ জৰিয়তে দৰাচলতে কৃষ্ণৰ ভক্ত বৎসলতা গুণৰেই মহিমা ফুটি ওলাইছে। ভগৱন্ত কৃষ্ণৰ বাবে ভক্ত সদায়েই শ্ৰেষ্ঠ। তেওঁ ভক্তৰ দুখ কেতিয়াও সহ্য কৰিব নোৱাৰে। ভক্তৰ অধীন কৃষ্ণই সেয়ে প্ৰথমে জৰাসন্ধৰ হাতত বন্দী হৈ থকা ভক্ত ৰজাসকলক মুক্তি কৰি তাৰ পিছত ভক্ত যুধিষ্ঠিৰৰ মনোবাঞ্ছা পূৰণাৰ্থে ৰাজসূয় যজ্ঞ কৰা মনতে ভাবিলে যদিও প্ৰকাশ নকৰি একান্ত ভক্ত উদ্ধৱক তাৰ পৰামৰ্শ বিচাৰিলে। কৃষ্ণৰ এই কাৰ্যৰ জৰিয়তেও দৰাচলতে তেওঁৰ ভক্ত বৎসলতা গুণেই ধৰা পৰিছে। আনহাতে একনিষ্ঠ ভক্ত উদ্ধৱে কৃষ্ণৰ মনৰ কথাকে স্বীকাৰ কৰি সবিনয় যি সিদ্ধান্ত দাঙি ধৰিছে তাৰ মাজেদি তেওঁৰ দাস্য ভক্তিয়েই প্ৰতিফলিত হৈছে। উদ্ধৱে সেয়ে কৈছে—

আপুনি সৰ্বজ্ঞ পুছা যেন অজ্ঞ
কিনো আতি বিপৰীত।
আন হেতু নাহি কেৱলে ভৃত্যৰ
মহিমাক কৰা বিদিত।।

ইন্দ্ৰপ্ৰস্থত উপস্থিত হওঁতে যুধিষ্ঠিৰে কৃষ্ণক আদৰ-আপ্যায়নৰ মাজেৰে যি মিত্ৰভাৱৰ পৰিচয় দিছে সেয়াও অকল কুটুম্ব প্ৰীতি মাত্ৰ নহয়; সেই কৃষ্ণ প্ৰেমৰ মাজতে উদ্ভাষিত হৈছে ভক্ত আৰু ভগৱন্তৰ অটুট বন্ধন। সেইবাবেই যুধিষ্ঠিৰে কৃষ্ণক কৰা অৰ্চনা আৰু ব্ৰাহ্মণ সজ্জনে কৰা তুতি-প্ৰাৰ্থনা কৃষ্ণ ভক্তিৰ বাহিৰে আন একো নহয়। এইক্ষেত্ৰত অৱশ্যে কৃষ্ণয়ো ইন্দ্ৰপ্ৰস্থৰ ব্ৰাহ্মণ প্ৰমুখ্যে বয়োবৃদ্ধ গুৰুসকলক যথাৰীতি মান-সম্ভ্ৰম কৰা কাৰ্যই তেওঁৰ ভক্ত-প্ৰীতিৰ মহিমাকে ঘোষণা কৰিছে।

ইন্দ্ৰপ্ৰস্থৰ নাৰীসকলো কৃষ্ণ ভক্তি সম্পন্না। সপ্ৰেম দৃষ্টিৰে চাই তেওঁলোকে কৰা কৃষ্ণৰ গুণানুকীৰ্তনত দৰাচলতে সপ্ৰেম ভক্তিয়ে সিজিছে কৃষ্ণৰ অমৃত দৃষ্টি পৰি তেওঁলোকৰ ভক্ত হৃদয়ো পৰিপূৰ্ণ হৈছে।

এহিমতে নাৰী সকলে কৃষ্ণৰ
কৰয় গুণ কীৰ্ত্তন।
অমৃত সমান হাস্য দৃষ্টি চাই
মাধৱে পুৰন্ত মন।।

ইন্দ্ৰপ্ৰস্থৰ ৰাজসভাত ৰত্নময় সিংহাসন লৈ কৃষ্ণই সভাসদ সমূহকে ভক্ত বৎসলতাৰ গুণে আনন্দ দিয়া আৰু যুধিষ্ঠিৰে সভক্তিৰে ৰাজসূয় যজ্ঞ সম্পাদনৰ বাবে তেওঁৰ ওচৰত অনুমতি প্ৰাৰ্থনা কৰা আদিৰ মাজেৰেও ভক্ত আৰু ভগৱন্তৰ নিবিড় সম্পৰ্কই উজ্বলি উঠিছে।

হে কৃষ্ণ কৃষ্ণ কৃপাময় নাৰায়ণ।
ভকত বৎসল মোত হুইত সুপ্ৰসন্ন।।
........................................................
তোমাৰ চৰণে পৰি কৰোঁহো গোচৰ।
হুইকো সহায় মোৰ প্ৰভো দামোদৰ।।

যুধিষ্ঠিৰৰ প্ৰাৰ্থনা অনুযায়ী যজ্ঞৰ আগে নৃপতিসকলক বশ কৰিবলৈ কৃষ্ণই যি পৰামৰ্শ কৰিছে তাত তেওঁৰ বিচক্ষণতাৰ লগতে দুষ্টক দমন কৰি ভক্তক উদ্ধাৰৰ উদ্দেশ্যও নিহিত আছে। নক'লেও হ'ব, ভক্তৰ কল্যাণৰ বাবেই তেওঁ ভীমৰ হতুৱাই জৰাসন্ধক বধি নিজ ঐশ্বৰিক মহিমাও বেকত কৰিছে। যাৰ বাবে বন্দী ৰজাসবেও সভক্তিৰে কৰা প্ৰাৰ্থনাত কৃষ্ণৰেই শ্ৰেষ্ঠত্ব ঘোষিত হৈছে।

ৰাজাগণ নিগদতি হে কৃষ্ণ যদুপতি
প্ৰপন্ন দুঃখ বিনাশন।
অব্যয় পুৰুষ হেৰা দেৱৰো ঈশ্বৰ দেৱ
প্ৰণামোহো তোমাৰ চৰণ।।

একনিষ্ঠ ভক্ত এই ৰজাসৱৰ স্তুতি প্ৰাৰ্থনাত সন্তুষ্ট কৃষ্ণই তেওঁলোকক সুদৃঢ় ভক্তিৰ বাবে কৰা আহ্বানত আকৌ তেওঁৰ কৃপা অনুগ্ৰহই প্ৰকাশ পাইছে।

গোবিন্দ বদতি শুনা নৃপবৰ
দেখিয়া ভৈলো তৃপিতি।
আজি হন্তে মোত তোমৰা সবৰ
সুদৃঢ় হৌক ভকতি।।

জৰাসন্ধ বধত কৃষ্ণৰ মাহাত্ম্য বুজি যুধিষ্ঠিৰে যি স্তুতি-নতি কৰিছে, তাত অকল ভক্তিয়েই প্ৰকাশিত

হোৱা নাই, কৃষ্ণৰ পৰম ব্ৰহ্মময় ৰূপো উদ্ভাষিত হৈছে—

হেনয় পৰম তুমি ঈশ্বৰ মুৰাৰি।
আমি মহাদীন ৰাজাগণ অহংকাৰী।।
আমাৰো আজ্ঞাক তুমি পালা নাৰায়ণ।
কিনো ভৈলা পৰম অদ্ভুত বিড়ম্বন।।

কৃষ্ণই তেওঁৰ চিৰবৈৰী জৰাসন্ধক ভীমৰ হতুৱাই বধ কৰাই পুত্ৰ সহদেৱক মগধৰ ৰাজপাটত বহোৱাৰ লগতে যি অভয়বাণী দান কৰিছে তাতো তেওঁৰেই মহত্ত্ব ঘোষিত হৈছে। সেয়ে সহদেৱে কৃষ্ণ সমন্বিতে ভীম-অৰ্জুনকো সেৱিছে।

কৃষ্ণৰ আদেশবাণী শুনি সহদেৱ।
প্ৰণিপাতে মাধৱক কৰিলেক সেৱ।।
ভীম অৰ্জুনক পাছে নমস্কাৰ কৰি।
কৰিলা অনেক পূজা তিনিকো সাদৰি।।

এইজনা সৰ্বজন পূজ্য ঈশ্বৰ কৃষ্ণয়েই আকৌ যজ্ঞত যুধিষ্ঠিৰৰ কথামতে ব্ৰাহ্মণসবৰ ভৰি ধুৱাই সেৱাৰ সৰ্বোত্তম আৰ্হিৰূপে ভক্তৰ প্ৰতি কৃপা প্ৰদৰ্শন কৰিছে। ৰাজসূয় যজ্ঞত আকৌ ঋত্বিজসকলে মাধৱ মাধৱ স্মৰি বিষ্ণুৰ নামত যি হোমদান কৰিছে সেয়াও প্ৰকাৰন্তৰে কৃষ্ণকেই কৰা সেৱা-ভক্তি। অৰ্থাৎ ভক্ত আৰু ভগৱন্তৰ মাজত ভক্তি আৰু কৃপাৰ যেন অপূৰ্বলীলা খেলা। কনিষ্ঠ পাণ্ডৱ সহদেৱেও সেয়ে কৃষ্ণৰ গুণানুকীৰ্তনত গদগদ হৈ যজ্ঞৰ অৰ্ঘদানৰ বাবে যুধিষ্ঠিৰক আহ্বান জনাইছে।

ভকত সবৰ পতি প্ৰভু ভগৱন্ত।
এহেন্তেসে শ্ৰেষ্ঠ অগ্ৰমান্য অৰিহন্ত।।
জগত প্ৰসিদ্ধ এন্তে সৰ্বদেৱময়।
ইহাক পূজিলে জগতৰে পূজা হয়।।

সন্দেহ নাই, সহদেৱৰ এই বন্দনাত এফালে কৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু আনফালে তেওঁৰ প্ৰতি একশৰণ ভক্তি প্ৰকাশিত হৈছে; যাক স্বীকাৰ কৰি সভাত উপবিষ্ট ব্ৰহ্মাহৰ আদি দেৱগণেও সহদেৱক প্ৰশংসা কৰিছে।

কোটি কোটি ব্ৰহ্মাণ্ডৰ কৃষ্ণসে ঈশ্বৰ।
তাহানে অধীন আমি যত চৰাচৰ।।
হেন ঈশ্বৰকো নুৱাৰিলো তৰ্কিবাক।
তুমিসি কৰিলা আজি উদ্ধাৰ আমাক।।

সহদেৱৰ কৃষ্ণ বন্দনা আৰু ব্ৰহ্মাহৰ আদি দেৱগণেও কৃষ্ণকে শ্ৰেষ্ঠ বুলি কৰা সপ্ৰশংসাত গদগদ হৈ যুধিষ্ঠিৰে যজ্ঞৰ অৰ্ঘ স্বয়ং কৃষ্ণকে প্ৰদান কৰাত তেওঁৰ ঈশ্বৰত্ব যোল অনাই সত্যৰূপে পৰিস্ফুট হৈছে।

কৃষ্ণত ঈশ্বৰ জ্ঞান ভৈলা বিপৰীত।
প্ৰেমৰসে আকুল কৰিলে তান চিত্ত।।
কৃষ্ণ পদ পঙ্কজে পড়িলা দণ্ডৱতে।
প্ৰণামিয়া ষড়ৰ্ঘে পূজিলা ভালমতে।।

অকল পূজাই নহয়, কৃষ্ণৰ পদযুগল পখালি সেই পাদোদক যুধিষ্ঠিৰ সহিতে ব্ৰহ্মা আদি দেৱগণ তথা সমস্ত সমাজে শিৰত লৈ কৃষ্ণৰ শ্ৰেষ্ঠত্বকো সভক্তিৰে স্বীকাৰ কৰিছে।

কৃষ্ণৰ মহিমাৰ শেষ নাই। ভক্তৰ বাবে তেওঁ সদায়েই পূজনীয়, কিন্তু বৈৰী শিশুপালে কৃষ্ণ নিন্দাৰ কাৰণে মৃত্যুবৰণ কৰি যি সাৰূপ্য মুক্তি লভিলে আৰু দুনাই কৃষ্ণকে পূজি বৈকুণ্ঠ প্ৰাপ্তি হ'ল তাতো অপূৰ্ব মাহাত্ম্য প্ৰকাশিত হৈছে। কৃষ্ণৰ এই লীলাত তেওঁৰ প্ৰতি ঈশ্বৰ জ্ঞান আৰু বেছি সুদৃঢ় হৈছে।

কৃষ্ণৰ দেখিয়া মহা মহিমা সাক্ষাত।
সবাৰে ঈশ্বৰ জ্ঞান ভৈলা সিবেলাত।।

কৃপাময় কৃষ্ণৰ মহিমা অলেখ। 'ৰাজসূয়'ত তাৰ শেষ সাক্ষী দুৰ্য্যোধনক ময়দানৱকৃত যুধিষ্ঠিৰৰ সভাগৃহত প্ৰৱেশ কৰোৱাই ভ্ৰমত পেলোৱা কাৰ্য। যাৰ ফলত সভাগৃহৰ সমস্তজনৰ আগত দুৰ্য্যোধনৰ মানভঞ্জন হৈছে। দুৰ্য্যোধনৰ অন্তৰত প্ৰতিশোধৰ বীজ অঙ্কুৰিত হ'ল। আচলতে এনে বীজ অঙ্কুৰণ কৰোৱাৰ উদ্দেশ্যই নিহিত আছিল কৃষ্ণৰ মনত। নহ'লে জানো ভৱিষ্যতে কৌৰৱ পাণ্ডৱৰ মাজত কুৰুক্ষেত্ৰ যুদ্ধ সংঘটিত কৰোৱাই দুষ্টক দমন আৰু ভক্তক পালন কৰিব পাৰিব। মুঠতে *ৰাজসূয়* কাব্যৰ পাতে পাতে এনেদৰে কৃষ্ণৰ মাহাত্ম্য শ্ৰেষ্ঠত্ব আৰু একশৰণ ভক্তিৰ বৰ্ণময় চিত্ৰই উদ্ভাসিত হৈছে।

**কাব্যসম্পদ বিচাৰ ঃ** 'ৰাজসূয়' কাব্যত কৃষ্ণ মহিমা আৰু একশৰণ ভক্তি যেনেকৈ উজ্বলি উঠিছে

ঠিক তেনেদৰে কাব্য সম্পদৰেও ই সমৃদ্ধ হৈছে। অৱশ্যে কাব্যৰ আৰম্ভণিতে কবিয়ে উল্লেখ কৰা— ‘পৰম গহন কথা ৰাজ ৰাজসূয়’ কথাষাৰৰ তাৎপৰ্যও এই ক্ষেত্ৰত বিশেষভাৱে মন কৰিবলগীয়া। তদুপৰি অনন্ত কন্দলিয়ে দশমৰ পদ ভাঙনিত যুদ্ধৰ বৰ্ণনাক দীৰ্ঘ কৰি ভক্তিকথাক হ্ৰস্ব কৰা কাৰণেই মহাপুৰুষ শঙ্কৰদেৱে অসন্তুষ্ট হৈ মাধৱদেৱ পুৰুষক ভক্তি প্ৰকাশক পুথি হিচাপে এই কাব্য ৰচনা কৰিব দিয়া কথাটোও আমি ইতিপূৰ্বে উল্লেখ কৰি াহিছে। এনে স্থলত আন বহু কাব্যৰ দৰে কাব্যৰসিকসকলৰ দৃষ্টিত ই উপভোগ্য নহ’বও পাৰে। তথাপি কিন্তু মাধৱদেৱ পুৰুযে ৰাজসূয়ৰ কাব্যসম্পদৰ সমাৱেশ নঘটোৱাকৈ থকা নাই। কাব্যৰ ৰস, ছন্দ, অলংকাৰৰ কথা পিছলৈ থৈ এই ক্ষেত্ৰত পোনতেই কাব্যত প্ৰধান ভূমিকা লোৱা কৃষ্ণৰ কথাই আলোচনা কৰা ভাল। সন্দেহ নাই, ভক্তিৰ উদ্ৰেক কৰাত কাব্যখনত কৃষ্ণ মহিমাময়ী পৰম ভগৱন্ত। তেৱেঁই ঐশ্বৰিক মহিমা আৰু ভক্তি আকৰ্ষণৰো কেন্দ্ৰ বিন্দু। ৰাজসূয় কাব্যৰ সৌন্দৰ্য ৰচনাতো এই কৃষ্ণৰ ভূমিকা কম নহয়। কাব্যখনৰ তিনিটা ভিন্ন প্ৰসঙ্গত কৃষ্ণৰ যি মনোহৰ ৰূপৰ বৰ্ণনা দিয়া হৈছে সি অকল কৃষ্ণকে অনুপম কৰি তোলা নাই সমস্ত কাব্যখনকে শোভিত কৰিছে। কৃষ্ণৰ এই ভুবনমোহন ৰূপ বৰ্ণিত হৈছে যথাক্ৰমে দ্বাৰকাগৃহ বাসত, ইন্দ্ৰপ্ৰস্থ যাত্ৰাত আৰু জৰাসন্ধৰ ৰাজ্যত বন্দী ৰজাসকলে প্ৰত্যক্ষ কৰা প্ৰসঙ্গত। দ্বাৰকাৰ সুধৰ্মা সভালৈ বুলি দিব্য ভূষণেৰে সাজি-কাচি যোৱাৰ যি ৰূপ সৌন্দৰ্য সেয়া নিঃসন্দেহে কাব্য জেউতিৰো অনুপম বৈভৱ। বৰ্ণময় উপমা অলংকাৰেৰে কবিয়ে দাঙি ধৰা সেই ৰূপ সৌন্দৰ্যৰ অংশ বিশেষ এনে ধৰণৰ ঃ

পীত বস্ত্ৰ জলে আতি শ্যাম শৰীৰত।
বিজুলি প্ৰকাশে যেন সজল মেঘত।।
ত্ৰৈলোক্য মোহন মহা মুৰুতি মধুৰ।
কোটি কন্দৰ্পতো দৰ্প দেখি হোৱে চুৰ।।

এই প্ৰসঙ্গতে উল্লেখনীয় যে অনুপম ৰূপ সৌন্দৰ্যৰ উপৰিও কৃষ্ণৰ অন্য এখন ছবিয়েও ৰাজসূয় কাব্যৰ আকৰ্ষণ বৃদ্ধি কৰিছে। সেয়া হ’ল তেওঁৰ বিচিত্ৰ ব্যক্তিত্ব। সাধাৰণতে দেখা যায় মাধৱদেৱৰ ৰচনাত কৃষ্ণ হয় বেদান্তৰ পৰম ব্ৰহ্ম নাইবা এটি মানৱীয় চতুৰ শিশু। কিন্তু ইয়াত পোৱা গৈছে পৈণত বয়সৰ ৰাজপুৰুষ কৃষ্ণ। কাব্যখনত তেওঁ এজন দায়িত্ব সম্পন্ন শাসক আৰু অভিজ্ঞ কুটনীতিজ্ঞ। প্ৰতিটো সমস্যাতে মন্ত্ৰীসবৰ লগত মন্ত্ৰণা কৰা তেওঁ এজন আদৰ্শ শাসন কৰ্তা। আনহাতে আত্মীয় স্বজন আৰু ভৃত্যসকললৈ মৰম আৰু দয়াভৰা হৃদয়েৰে তেওঁ এজন আদৰ্শ গৃহস্থও। শত্ৰুৰ তেওঁ হৃদকম্প আৰু মিত্ৰৰ বাবে অন্তহীন আনন্দৰ উৎস।[১০]

কৃষ্ণৰ এই বিচিত্ৰ ব্যক্তিত্ব তথা তেওঁৰ ভুৱন মোহন ৰূপ-সৌন্দৰ্যৰ দৰেই দ্বাৰকা আৰু সুধৰ্মা সভাৰ সৌন্দৰ্যশালী বৰ্ণনাৰ লগতে দ্বাৰকাবাসীৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ অনুপম ৰূপছবিয়েও কাব্যৰ শোভা বঢ়াই তুলিছে। আনহাতে আকৌ কৃষ্ণৰ আগমনত উৎফুল্লিত হৈ পাণ্ডুপুৰী ইন্দ্ৰপ্ৰস্থবাসীয়ে নগৰখন সজাই-পৰাই তোলাটোত বৰ আকৰ্ষণীয় ৰূপত বৰ্ণিত হৈছে।

পুৰী পাণ্ডৱৰ মহা মনোহৰ
যেন দুতী অম্ৰাৱতী।
আৰু মাধৱৰ শৰীৰৰ কান্তি
অধিকে জ্বলে সম্প্ৰতি।।

ৰাজসূয় যজ্ঞ সমাপ্তিৰ বাবে গঙ্গাত অবভৃথস্নান কৰিবলৈ যাওঁতে যাত্ৰাপথত কৰা বিহাৰ-বিনোদন আৰু গঙ্গাত খেলা মোটখেলাৰ বৰ্ণনায়ো যে কাব্যৰ আকৰ্ষণ তথা সৌন্দৰ্য বৃদ্ধি কৰিছে তাত সন্দেহ নাই। তদুপৰি কাব্যৰ সামৰণিত ময়দানৰ নিৰ্মিত যুধিষ্ঠিৰৰ সভাঘৰৰ যি চমকপ্ৰদ বৰ্ণনা দাঙি ধৰা হৈছে সিও নিঃসন্দেহে কাব্যৰেই শোভাবৰ্দ্ধন কৰিছে। শুকমুনিয়ে দুয়োধনৰ আগত বৰ্ণনা কৰা সেই সভাগৃহৰ সৌন্দৰ্য এনে ধৰণৰ

তৰি আছে সভা ময়দানৰবে নিৰ্মাণ।
দীৰ্ঘে প্ৰস্থে জুৰি ছয় দণ্ডৰ প্ৰমাণ।।

........................................................

ৰাজসূয়ত বৰ্ণিত নগৰ, গৃহ আৰু যাত্ৰা আদিৰ লগতে বিনোদন-বিহাৰ যেনেকৈ সুশোভিত হৈ উঠিছে ঠিক তেনেকৈ কৃষ্ণৰ মহিষী প্ৰমুখ্যে ইন্দ্ৰপ্ৰস্থৰ কুন্তী, দ্ৰৌপদী সমন্বিতে নৰনাৰীৰ লাসভাস তথা আচাৰ-

নীতিয়েও কাব্যক ৰমনীয়তা প্ৰদান কৰিছে।

ৰসৰ বিচাৰত ৰাজসূয় মূলতঃ ভক্তিৰ নিজৰা হ'লেও বীৰ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক হাস্য আদিৰ লগতে শৃঙ্গাৰেও চিটিকনি নেপেলোৱা নহয়। এইক্ষেত্ৰত কবিয়ে নিজেই কাব্যৰ আৰম্ভণিতে "অন্যে অন্যে ৰসে আতি হৈব মনোৰম" বোলা কথাষাৰ প্ৰণিধানযোগ্য। সেয়ে ভীম-জৰাসন্ধৰ যুদ্ধত বীৰৰসে যেনেকৈ ভূমুকি মাৰিছে ঠিক তেনেকৈ শিশুপালৰ ক্ৰোধ, মৃত্যু আৰু সাৰূপ্য মুক্তিত যথাক্ৰমে ৰৌদ্ৰ, ভয়ানক আৰু অদ্ভুত ৰসে ধৰা দিছে। সেইদৰে কাব্যৰ সামৰণিত যুধিষ্ঠিৰৰ সভাগৃহত দুৰ্য্যোধনৰ আচৰণৰ দ্বাৰা হাস্যৰসৰ খোৰাক পোৱা গৈছে। কোনো কোনোৱে অৱশ্যে ৰাজসূয় কাব্যত উল্লিখিত ৰসৰ সমাবেশ ঘটিলেও শৃঙ্গাৰ ৰস নাই বুলি ক'ব বিচাৰিছে। কথাষাৰ কিন্তু সঁচা যেন নালাগে। কাৰণ কাব্যখনৰ প্ৰাৰম্ভতেই আদিৰসাত্মক প্ৰাণচঞ্চল কৰা বৰ্ণনা বিদ্যমান।[১১] এইক্ষেত্ৰত অধ্যাপিকা ড০ অনিমা দত্তই তেওঁৰ 'অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন' গ্ৰন্থত সংসাৰ ত্যাগী চিৰকৌমাৰ্য ব্ৰতী পৰম ভক্ত মাধৱদেৱৰ কোনো ৰচনাতে শৃঙ্গাৰ ৰসৰ স্থান নাই বুলি কোৱা কথাষাৰো একে আষাৰে মানি লোৱা টান। তেওঁ ৰাজসূয় কাব্যত শৃঙ্গাৰ নাই বুলি কোৱাটোও সঁচা নহয়।[১২] কাৰণ মাধৱদেৱে নিজেই কাব্যৰ আৰম্ভণিতে 'যেনমতে হৰি গৃহাশ্ৰমত ক্ৰীড়িল'চ কথাও অলপ বাৰুকৈয়ে বৰ্ণাইছে।[১৩]

ৰুক্মিণী প্ৰমুখ্যে কন্যা ষোড়শ হাজাৰ।
পৰম সুন্দৰী ত্ৰিভুৱন মধ্যে সাৰ।।
.........................................................

আকৌ—
প্ৰিয়াৰ কণ্ঠত আলিঙ্গিয়া বাহু মেলি।
কৰন্ত অনঙ্গ ৰস কৌতুহলে কেলি।।

মন কৰিবলগীয়া কথা, কাব্যত বৰ্ণিত এই অংশত সাময়িক বিচ্ছেদৰ প্ৰভাতী মুহূৰ্তত কুকুৰা আৰাৱ আহি পৰাত পত্নীসকলে প্ৰিয়তম নাৰায়ণৰ আলিঙ্গন সুখৰ পৰা বঞ্চিতা হৈ পাপীষ্ঠ কুকুৰাৰ লগতে ৰাত্ৰিকো শাও-শপনি কৰিছে।

কৃষ্ণে বাহুমেলি আলিঙ্গিয়া আছা গলে।
সুতিয়া আছন্ত সুখে মহিষী সকলে।।
.........................................................

কাব্যৰ এই শৃঙ্গাৰৰ ৰূপ-ছবি ইন্দ্ৰপ্ৰস্থৰ নৰনাৰীয়ে গঙ্গাত খেলা মোট খেলাৰ সময়তো উদ্‌ভাষিত হৈছে।

পৰিধান মনোহৰ দিব্য বস্ত্ৰ ৰুচিকৰ
মোট জলে সকলে তিন্তিল।
.........................................

উল্লেখনীয় যে ইন্দ্ৰপ্ৰস্থৰ নাৰীয়ে কৃষ্ণৰ ৰূপ দেখি কামাতুৰা হৈ পৰাৰ বৰ্ণনা দিবলৈও মাধৱদেৱে পাহৰা নাই।

নয়ন ভ্ৰমৰে আতি পান কৰে
কৃষ্ণ মুখ পদ্মমধু।
পীড়ে কামজ্বৰে চলি নিৰন্তৰে
পৰে পৰজন বধু।।

এই কথাও ক'ব লাগিব যে, কাব্যৰ শেষত দুৰ্য্যোধনে যুধিষ্ঠিৰৰ সভাগৃহত দেখা নাৰীৰ বৰ্ণনাও কবিয়ে যথেষ্ট কামোদ্দীপক কৰিয়ে দাঙি ধৰিছে। কাব্যৰসিকসকলৰ বাবে বীৰ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক আৰু হাস্যৰ দৰেই শৃঙ্গাৰ ৰসৰো প্ৰয়োজনীয়তা আছে। অৱশ্যে এই কথাও ঠিক যে, কাব্যত অন্যান্য নৰ-নাৰীৰ বিবিধ কাৰ্যৰ জৰিয়তে বীৰ ৰৌদ্ৰ শৃঙ্গাৰ আদি ৰসৰ পৰিস্ফুৰণ ঘটাইছে যদিও কৃষ্ণক কিন্তু কবিয়ে ক'তোৱেই লিপ্ত কৰোৱা নাই। মহিষীসকলৰ মাজত কৃষ্ণ মিলনাবদ্ধ যদিও সেয়া কেৱল নাৰীসকলৰ মনোবাঞ্ছা পুৰণৰ বাবে কৰা তেওঁৰ লীলাহে। সেয়ে বোকাত পদুম নিৰ্লিপ্ত হৈ থকাৰ দৰে পৰম পুৰুষ কৃষ্ণও মায়াৰ মাজত অময়া, সাংসাৰিক সুখৰ মাজত নিস্পৃহ হৈ থাকে। এয়েই ভগৱত ভক্তিত ভগৱন্ত পুৰুষৰ মায়াধীন মানৱলৈ পৰম আৰ্হি।[১৪]

ৰসৰ দৰেই *ৰাজসূয়* কাব্যক ছন্দ অলংকাৰেও যে সুশোভিত কৰিছে তাক দুনাই দোহৰাৰ প্ৰয়োজন নাই। ইতিপূৰ্বে উল্লেখ কৰা কৃষ্ণৰ ৰূপ-সৌন্দৰ্যৰ বৰ্ণনাৰ উপৰিও নগৰ-গৃহ-সভা আৰু যুদ্ধ বিগ্ৰহকে ধৰি চৰিত্ৰাৱলীৰ কাব্য বৰ্ণনাত উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি বিবিধ অলংকাৰৰ প্ৰয়োগ কৰা হৈছে। সেইদৰে

পদ, দুলড়ি, ছবি আৰু ঝুমুৰী ছন্দেৰে কাব্য বিষয়ক আকৰ্ষণীয় তথা প্ৰাঞ্জল ৰূপত বৰ্ণনা কৰি কবিয়ে কাব্য শোভা ৰমনীয় কৰি তুলিছে। তদুপৰি সুবিধা বুজি ব্যৱহাৰ কৰা জতুৱা ঠাঁচ পটন্তৰ আৰু ঘৰুৱা মাত-কথাই যে কাব্যখনৰ বিষয়বস্তুক হৃদয়স্পৰ্শী কৰি তুলিছে তাত সন্দেহ নাই। একে আষাৰে ক'বলৈ গ'লে *ৰাজসূয়* কাব্য ভকতৰ বাবে হৃদয়ৰ পূৰ্ণানন্দ আৰু ৰসিক জনৰ বাবে মনমোহিত ৰূপ-গাম্ভীৰ্য।

অসমৰ বৈষ্ণৱ ধৰ্মই ত্যাগৰ মহিমা ঘোষণা কৰে, ভোগৰ নহয়।[১৫] সেয়ে মাধৱদেৱ পুৰুষৰ এই *ৰাজসূয়* কাব্যতো তাৰেই প্ৰতিফলন লক্ষ্য কৰা যায়। আমি ইতিপূৰ্বে শঙ্কৰদেৱৰ *'ৰুক্মিণী হৰণ'* কাব্যৰ লগত ইয়াৰ যি সাদৃশ্য বিচাৰ কৰিছিলোঁ দৰাচলতে সেয়া আছিল ৰমনীয়তাৰহে তুলনা। ক'বলৈ গ'লে *ৰাজসূয়* কাব্যৰ মিল গুৰুজনাৰ *'বলিছলন'*ৰ লগতহে।[১৬] এয়া ভক্তিধৰ্মৰ ত্যাগৰ মিল। এইক্ষেত্ৰত এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। সেয়া হ'ল- জৰাসন্ধ বধৰ পিছত মুক্ত ৰজাসকলক যেতিয়া কৃষ্ণই পুনৰ ৰাজ্যভাৰ লৈ বিষয় ভোগ কৰিবলৈ আহ্বান জনাইছিল তেতিয়া তেওঁলোকে কৈছিল ঃ

ৰাজ্য মহাভাৰ দিয়া নকৰা নিগ্ৰহ।
দাস বুলি লৈয়া নাথ কৰা অনুগ্ৰহ।।

ঠিক একেদৰেই ভক্তিত সন্তুষ্ট হৈ সুতলপুৰীক পঠোৱা আগমুহূৰ্তত বামণৰূপী বিষ্ণুৱে যেতিয়া বলিক পুনৰ ইন্দ্ৰপদ দিব বিচাৰিছিল তেতিয়া বলিয়ে কৈছিল—

কানি কণ্ঠা উৰিয়া তোমাৰ লৈবো নাম।
আউৰ ইন্দ্ৰপদতো মোহোৰ নাহি কাম।।

গতিকে পৰিষ্কাৰ কথা, কাব্য সম্পদৰ বাবে ৰাজসূয়ত যি ৰস সৌন্দৰ্যই ধৰা নিদিয়ক কিয় ইয়াৰ মূলতত্ত্ব গুৰুজনাৰ *বলিছলন*ৰ দৰে ত্যাগ আৰু ঈশ্বৰ কৃষ্ণত একশৰণ। সেয়ে ক'ব পাৰি ৰসময়ী ভক্তিৰ একনিষ্ঠ সাধক, ত্যাগৰ মহামূৰ্তি মাধৱদেৱ পুৰুষৰ নিজ ভক্তজীৱনৰ আদৰ্শৰেও সমুজ্জ্বল এই ৰাজসূয় কাব্য অসমীয়া ভক্তি সাহিত্যলৈ নিসন্দেহে এক অমৃতময় অৱদান; য'ত মোহময়ী কৃষ্ণৰ ঐশ্বৰিক মহিমা আৰু একনিষ্ঠ ভক্তৰ দাস্য ভক্তিৰ মণিকাঞ্চন সংযোগ ঘটিছে আৰু ত্যাগ হৈছে সেই সংযোগৰ মহামন্ত্ৰ।■■

**পাদটীকা ঃ**

১. মহেশ্বৰ নেওগ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ, পৃ.১০৯
২. মহেশ্বৰ নেওগ (সম্পা.) ঃ গুৰুচৰিত কথা, পৃ.১৭৪
৩. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, পৃ.১০৩
৪. উক্ত গ্ৰন্থ, পৃ.১০২
৫. উক্ত গ্ৰন্থ, পৃ.১০৮
৬. উক্ত গ্ৰন্থ, পৃ.১০৯
৭. অনিমা দত্ত ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন, পৃ. ৭৮
৮. উক্ত গ্ৰন্থ, পৃ. ৭৯
৯. পূৰ্ণানন্দ শইকীয়া ঃ মাধৱদেৱৰ ভক্তি সাহিত্য, পৃ. ৬৪
১০. ভৱপ্ৰসাদ চলিহা (সম্পা.) মাধৱদেৱ অধ্যয়নৰ ভূমিকা, পৃ.৬৯
১১. পূৰ্ণানন্দ শইকীয়া ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ.৬২
১২. অনিমা দত্ত ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৮০
১৩. অতুল চন্দ্ৰ বৰুৱা ঃ সমালোচনা সাহিত্য, পৃ. ৩১
১৪. পূৰ্ণানন্দ শইকীয়া ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬২
১৫. অতুল চন্দ্ৰ বৰুৱা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ. ২৮
১৬. উক্তগ্ৰন্থ, পৃ. ২৬

*লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক*

# ফকৰা-যোজনাৰ উৎপত্তি, পৰম্পৰা আৰু বৈষ্ণৱ যুগৰ ফকৰা-যোজনাৰ এক আলোকপাত

ড° চিত্ৰলেখা ফুকন

লোক সাহিত্যৰ এটা বিশিষ্ট অংগ হ'ল ফকৰা-যোজনা। মানুহৰ মুখ পৰম্পৰাত ৰক্ষিত এই ফকৰা-যোজনাবোৰত বহু যুগৰ ছাপ পৰিছে। ইয়াৰ কেতিয়া উৎপত্তি হৈছিল ঠাৱৰ কৰা টান। জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ বিভিন্ন সূক্ষ্ম দৃষ্টিভংগীৰে ফকৰা-যোজনাবোৰ ৰচিত। কোনো এজন লোকে জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ ভিত্তিত ৰসপূৰ্ণ আৰু সাৰগৰ্ভভাৱে একোটা মন্তব্য আগবঢ়ালে আৰু সেই মন্তব্যটো অন্য এজনৰ অভিজ্ঞতাৰ লগত মিলি যোৱাৰ বাবে তেৱোঁ গ্ৰহণ কৰিলে। এনেদৰে সমাজৰ মাজত সেই মন্তব্য বিয়পি পৰি ইয়াৰ পথাৰখন বিশাল হৈ পৰিল। জীৱিকাৰ সন্ধানত এঠাইৰপৰা অন্যঠাইলৈও প্ৰব্ৰজন কৰা মানুহৰ মুখে মুখে ইবোৰ বিয়পি পৰিল। তদুপৰি অভিজ্ঞতাৰ ভিত্তিত ৰচিত হোৱা বাবেই পৃথিৱীৰ বিভিন্ন ভাষাৰ ফকৰা-যোজনাবোৰৰ পৰম্পৰ সাদৃশ্য দেখা পোৱা যায়। ফকৰা-যোজনাবোৰৰ মাজত একোটা সত্যোপলব্ধি থাকে। অৱশ্যে এটা কথা সত্য যে সামাজিক অৱস্থা পৰিৱৰ্ত্তনশীল। এই পৰিৱৰ্ত্তনৰ মেৰপাকত জীৱনৰ কোনো এটা সময়ৰ সত্য উপলব্ধি পিছৰ এটা সময়ত সত্য হৈ নেথাকিবও পাৰে। সেয়েহে দাৰ্শনিক বা বৈজ্ঞানিক সত্য আৰু ফকৰা-যোজনাৰ সত্য একে পৰ্যায়ৰ নহয়।

প্ৰাকৃতিক পৰিৱেশ আৰু ভৌগোলিক বাতাবৰণৰ ফঁকৰা-যোজনা সৃষ্টিত বিশেষ ভূমিকা আছে। কৃষিৰ ওপৰত নিৰ্ভৰশীল এখন দেশৰ অভিজ্ঞতাৰ লগত কল-কাৰখানাৰ ওপৰত নিৰ্ভৰশীল এখন দেশৰ অভিজ্ঞতাৰ পৃথকতা থকাটো নিতান্ত স্বাভাৱিক কথা।

ফকৰা-যোজনাবোৰৰ ৰচনাকাল নিৰ্ধাৰণ কৰিব নোৱাৰি। কেতিয়াবা বহুযুগ মুখ-বাগৰি আহোঁতে কোনো যুগৰ বিশিষ্ট ঘটনাৰ প্ৰভাৱ পৰি সেই যুগত দুই, এটা যোজনাৰ সৃষ্টি হোৱা দেখা যায়। এনে উদাহৰণৰপৰা সেইবোৰ কোন যুগৰ তাক ঠাৱৰ কৰিব পাৰি। যুগৰ প্ৰভাৱ পৰা উদাহৰণ অসমীয়া ফকৰা-যোজনাৰ মাজত আছে।

"ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শলগুৰিৰ আঘোণী বাই;
তিনিৰো ডিঙিত ধৰি তিনিও কান্দিলে
সমধত একোটি নাই।"

অনাত্মীয়ৰ মাজত আত্মীয় বুজাবলৈ এই ফকৰা-যোজনাৰ ব্যৱহাৰ কৰা হয়। ইয়াৰ মূল কথাটো হ'ল গদাপাণিয়ে ল'ৰাৰজাৰ পৰা আত্মগোপন কৰি থকা অৱস্থাত এদিন চাওদাঙৰ হাতত ধৰা পৰাৰ উপক্ৰম হোৱাত তিনিঠাইৰ তিনিজনী মহিলাই গদাপাণিক বগা কাপোৰেৰে ঢাকি গিৰিয়েক মৰিলে বুলি ইনাই-বিনাই কান্দি তেওঁক বিপদৰপৰা ৰক্ষা কৰিলে। এই ফাঁকি ফকৰা-যোজনা আহোম যুগৰ সেই সময়ৰ ৰচনা বুলি অনুমান কৰিব পাৰি।

"গড়গঞা মিতিৰৰ ভাও
মুখে বোলে থাক্ থাক্
ভৰিৰে হেঁচুকে নাও।"

গড়গাঁও আহোমৰ ৰাজধানী আছিল। এই ধৰণৰ প্ৰচলিত ফকৰা-যোজনাৰপৰা এইবোৰ যে আহোম যুগত ৰচিত সেই কথা অনুমান কৰিব পাৰি। আৰু কেতবোৰ উদাহৰণ পোৱা যায়-

'লোণ দানে, সোণ দানে সমান।'

'শাকত নেখায় লোণ
পিটিকাত যায় তিনিগুণ।'

'হাবুঙত লোণ সস্তা
দেহাৰ বা কি অৱস্থা।' ইত্যাদি

প্ৰাক্ ব্ৰিটিছ যুগত অসমত লোণ সোণৰ সমানেই মূল্যৱান আছিল। এই উদাহৰণৰপৰা এইবোৰ প্ৰাক্ বৃটিছ

যুগত ৰচিত হোৱা বুলিব পাৰি।

'আদাৰ বেপাৰীক জাহাজৰ খবৰ কেলৈ।'

বৃটিছসকল অহাৰ আগত অসমীয়ালোকৰ জাহাজৰ লগত পৰিচয় নাছিল। গতিকে এনেধৰণৰ ফকৰা-যোজনা বৃটিছসকল অহাৰ পাছত ৰচিত হোৱা বুলিব পাৰি। এনেদৰে অৱশ্যে কম সংখ্যক ফকৰা-যোজনাৰহে ৰচনা কালৰ বিষয়ে অনুমান কৰিব পাৰি। বেছি সংখ্যক ফকৰা-যোজনাৰ ৰচনা কাল নিৰ্ণয় প্ৰায় অসম্ভৱ। যুগ বাগৰি আহোতে ফকৰা-যোজনাৰ গাত সময়ৰ আঁচোৰ পৰিছে। আজিকালি বিষয়বস্তুৰ সাদৃশ্য থকা অথবা ধেমেলীয়া অৰ্থতো কেতিয়াবা শব্দৰ অদল-বদল কৰি ফকৰা-যোজনা ব্যৱহাৰ কৰা হয়। যেনেঃ

'যি খায় চাদা সি সৰস্বতীৰ আধা।'

'কহয় মাধৱ দাসে, মানুহে মানুহে আছে।'

কেতিয়াবা বিজ্ঞাপনৰ বাবেও নতুন ফকৰা-যোজনা ব্যৱহাৰ কৰা হয়। যেনেঃ

'দশ পুত্ৰ সম এক বৃক্ষ।'

'কৃষকৰ সম্পদ সোণালী গাই
অধিক গাখীৰ বাঢ়িব আয়।'

যুগ সলনিৰ পৰিপ্ৰেক্ষিতত এনেধৰণৰ ফকৰা-যোজনাৰযে পৰৱৰ্ত্তী সময়তো সৃষ্টি নহ'ব তাক নুই কৰিব নোৱাৰি।

ফকৰা-যোজনাৰ পৰম্পৰা বহু প্ৰাচীন। বেদ আৰু উপনিষদৰ দিনৰপৰা বৰ্ত্তমানলৈকে বিৰাজমান। সংস্কৃত সাহিত্যৰ মাজতো ইয়াৰ ব্যৱহাৰে ভাষা প্ৰভাৱশালী কৰি তুলিছিল। সংস্কৃত সাহিত্যৰ ফকৰা-যোজনাৰ উদাহৰণ এনেধৰণৰ-

'অশক্তঃ তস্কৰঃ সাধুঃ
কুৰূপাচাৰৎ পতিব্ৰতা
ৰোগী চ দেৱতাভক্তো
বৃদ্ধাশ্যো তপস্বিনী।'

(চোৰ দুৰ্বল হ'লে সাধু হয়; তিৰোতা কুৰূপা হ'লে পতিব্ৰতা হয়; মানুহ বেমাৰী হ'লে দেৱভক্ত হয় আৰু বেশ্যা বুঢ়ী হ'লে তপস্বিনী হয়)

'মধুৰেণ সমাপয়েৎ,' 'শুভস্য শীঘ্ৰম' ইত্যাদি উল্লেখযোগ্য উদাহৰণ। অষ্টমৰপৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন চৰ্যাপদত ফকৰা-যোজনাৰ প্ৰয়োগে ইয়াৰ প্ৰকাশভংগীক ৰসপূৰ্ণ কৰি তুলিছে। তাৰ দুটামান উদাহৰণ হ'ল-

'অপনা মাংসে হৰিণা বৈৰী।'
(হৰিণাৰ গাৰ মঙহেই বৈৰী)
'দুহিল দুধু কি বেণ্ট ষামায়।'
(দোৱা গাখীৰ জানো পুনৰ গাইৰ বাটত সোমায়)

চৰ্যাপদৰ পাছত প্ৰাক্-শংকৰী যুগৰ সাহিত্যতো ফকৰা-যোজনাৰ প্ৰয়োগ প্ৰচুৰ পৰিমাণে দেখা পোৱা যায়। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ,' মাধৱ কন্দলিৰ 'ৰামায়ণ' আদিত ফকৰা-যোজনাৰ প্ৰয়োগে বিশেষ মাধুৰ্য প্ৰদান কৰিছে।

অসমীয়া সংস্কৃতি তথা নাট্য সাহিত্যৰ জনক শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্যসকলৰ ৰচনাতো ফকৰা-যোজনাৰ প্ৰয়োগ দেখা পোৱা যায়। শঙ্কৰদেৱে মাধৱকন্দলীক অপ্ৰমাদী বুলি স্বীকাৰ কৰি কোৱা কথা সৰ্বজন বিদিত।

'হস্তীৰ দেখিয়া লাদ শহা যেন ফাৰ মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।'

বৈষ্ণৱ যুগৰ যিবোৰ ফকৰা-যোজনা সেইবোৰক 'ভকতীয়া ফকৰা' বুলিব পাৰি। মহেশ্বৰ নেওগে ভকতীয়া ফকৰা, ফকৰা-যোজনাৰ এটাৰ বিশেষ শ্ৰেণী বুলিছে, যাৰ বাহিৰৰ অৰ্থতকৈ পাৰমাৰ্থিক তাৎপৰ্যহে আচল। সংস্কৃত ভাষাত 'ফক্কিকা' বুলি এটা শব্দ আছে; তাৰ অৰ্থ হৈছে ন্যায় সমন্ধীয় ব্যাখ্যা। মৈথিলী ভাষাতো ফকৰা আছে, যাৰ অৰ্থ শেষৰ আখৰৰ মিল থকা চুটি বচন বা প্ৰৱচন বা ল'ৰা ওমলোৱা গীত। হেমচন্দ্ৰ বৰুৱাই হেমকোষত 'ফকৰা' মানে নীতি শিকোৱা বা কোনো কথাৰ উদাহৰণ বা দৃষ্টান্ত দেখুৱা দুই বা অধিক ফাঁকি কথা বুলি কৈছে। অসমীয়া ভাষাত নাৰায়ণ দাস ঠাকুৰ আতাৰ 'ফকৰা-যোজনা পুথি' আৰু কান্তিৰাম বুঢ়া ভকতৰ 'ফকৰা' কিতাপত পোৱা যায়। এইবোৰত জীৱনৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি গুঢ় অৰ্থক গুৰুত্ব দিয়া হৈছে। উল্লেখযোগ্য যে বহু সমালোচকে বৈষ্ণৱ যুগৰ ফকৰা-যোজনাক 'ফকৰা' বুলি অভিহিত কৰিছে।

ভাৰতীয় ফকৰা-যোজনাবোৰ চৰ্যাপদৰ

লেখীয়া। বাহিৰৰ অৰ্থৰ লগত ভিতৰুৱা অৰ্থৰ আকাশ-পাতাল প্ৰভেদ। এইবোৰত ইংগিতময় ভাষাৰে ভক্তি তত্ত্বৰ কথা বা গূঢ় অৰ্থ বুজাবলৈ বিচৰা হয়। আজিও বহু কথা বা শব্দ ইংগিতময় ভাষাৰে বুজোৱা হয়। যেনে- ভোজনঠেলা (জলকীয়া), গুৱা (তামোল-পাণ), চাউলমুঠি (ভাত) ইত্যাদি। ধৰ্মৰ গোপনীয়তা ৰক্ষা বা গাম্ভীৰ্য বৰ্দ্ধনৰ বাবে ভকতীয়া ফকৰাবোৰ ইংগিতময় ভাষাৰে ৰচিত।

পৰম্পৰা অনুযায়ী ফকৰাৰ লেখ তিনিশ তেসত্তৰ।

"কথা নহয় ফকৰা,
এটা মুগাৰ তিনিশ তিনিকুৰি
তেৰটা চোকোৰা।"

-নাৰায়ণ দাস ঠাকুৰ আতাৰ দ্বাৰা ৰচিত যিখন 'ফকৰা-যোজনা' পুথি আছে তাত দুশ পয়ষষ্ঠিটা ফঁকৰা-যোজনা আছে।

ভকতীয়া ফকৰা-যোজনাবোৰ পাৰমাৰ্থিক ভাৱব্যঞ্জক। কিছুমান ফকৰা-যোজনা পোনপটীয়া অৰ্থৰ বাহক। যেনে-

"শইচো হেৰাল মৎসো হেৰাল
হেৰাল বিৰিখৰৰ গুটি।
মহা মহা মহন্তৰ বাইক লৰিল
লৰিল ধৰমৰ খুটি"।।

পৰিৱৰ্ত্তিত সময়ত সকলো সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এনেদৰে কোৱা হয়। কেতিয়াবা কোৱা হয়।

পোনপতীয়া অৰ্থৰ ফকৰা-যোজনাৰ বাদে বাকী প্ৰায়বোৰৰ উপৰুৱা অৰ্থৰ মতে কাম কৰিবলৈ হ'লে সমাজত ভক্তি বা ধৰ্ম হোৱাৰ দূৰৰ কথা বিৰাট বিসংগতিয়ে দেখা দিব। এনেবোৰ ফকৰা-যোজনাৰ বাহিৰৰ অৰ্থ আৰু ভিততৰ গূঢ়াৰ্থ একেবাৰে সুকীয়া।

"ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা
ৰূদ্ৰক নিদিবা ঠাই;
মহা মহা মহন্তক মৰিয়াই মাৰিবা
তেহে ভকতিক পায়"।

-ইয়াত ব্ৰহ্মা, বিষ্ণু আৰু ৰূদ্ৰ হ'ল সত্ত্ব ৰজঃ আৰু তমঃ গুণ আৰু মহা মহন্ত হ'ল মানুহৰ ৰিপুসমূহ।

"বামুনে নেমাৰে গাই
ভকতে নেমাৰে ভাই
মহন্তই নেখায় মদ
এই তিনিজনে নেপায় পৰম পদ।"

ইয়াৰ অৰ্থ এনেধৰণৰ- যিজনে বেদ আৰু গায়ত্ৰী মন্ত্ৰ জপ নকৰে, যিজনে লোভ, মোহ, কাম, ক্ৰোধাদি আৰু ছয় ৰিপু দমন নকৰে, যিজনে দম্ভ, অহংকাৰ আদি এৰিব নোৱাৰে তেনেলোকে কেতিয়াও গতি নেপায়।

আকৌ কেতিয়াবা কোৱা হয়-

"মাতৃক বধিবা আগে,
পাছত ভগিনী দোকানীক আশ্ৰয় কৰি এৰিবা গৃহিনী"।

ইয়াৰ অৰ্থ এনেধৰণৰ- মাতৃ জ্ঞান, ভগিনী-মায়া, দোকানী, গুৰু-গৃহিনী, কাম-ক্ৰোধ, অসূয়া আদি। মানুহে প্ৰথমে জ্ঞানৰ আশ্ৰয়ত সংসাৰ মায়া জালৰপৰা মুক্ত হৈ গুৰু গ্ৰহণ বা নাম তত্ত্ব ললে অসূয়া, কাম-ক্ৰোধ আদি ত্যাগ হয়।

কিছুমান ফকৰা-যোজনাত কোনো ব্যক্তি শংকৰদেৱ, মাধৱদেৱ বা তেওঁৰ শিষ্য কোনোজনক উদ্দেশ্যি কোৱা হয়। দুটামান উদাহৰণ তলত দিয়া হ'ল।

"শ্ৰীশঙ্কৰে কণী পাৰে মাধৱলৈ চাই
নাৰায়ণ দাস ঠাকুৰে আজলি পাতিছে
ছয় কুৰি ছয়জন ভকতে বেৰি কুৰি চাই।"

অৰ্থ এনেধৰণে ব্যাখ্যা কৰিব পাৰি- গুৰুজনে জীৱ তৰিবৰ কাৰণে যি শৰণ, ভজন মহাপুৰুষ মাধৱক দিলে তাৰ আনন্দ ৰস মাধৱৰ সখা, নাৰায়ণ ঠাকুৰেও গ্ৰহণ কৰি ছয়কুৰি ছয়জন ভকতকো দেহ তৰিব পৰাকৈ বিলাই দিলে।

'ৰাম কৃষ্ণ দুজনা/বৈষ্ণৱ
বাৰজনা/ছজন বৈকুণ্ঠলৈ গ'ল,
তিনিজনে ললে শৰণ ভজন
তিনিজন বৰাগী হ'ল।"

ইয়াৰ অৰ্থ এনেধৰণৰ- ৰাম আৰু কৃষ্ণ দুজন অৱতাৰী পুৰুষ। বাৰজন বৈষ্ণৱৰ ছয়জনে যম, জনক, শুক, ভীম, বলী, প্ৰহ্লাদ, বৈকুণ্ঠগামী হ'ল। বাকী তিনিজন উদ্ধৱ, মৈত্ৰেয়, বিদুৰ এই তিনিজন বৰাগী। হনুমান বিভীষণ, জাম্বৱন্ত এই তিনিজনে শৰণ, ভজন ললে।

কেৱল শঙ্কৰদেৱক উদ্দেশ্যি কোৱা ফকৰা-যোজনাও পোৱা যায়। যেনেঃ

"বাৰ হাত জালৰ তেৰ হাত ফটা
ভাল মাৰিলি বাপৰ বেটা
ৰৌ, বৰালী সৰকি গ'ল
পুঠি, খলিহনা পাহে পাহে ৰ'ল।।"

বাৰস্কন্ধ ভাগৱতৰপৰা শঙ্কৰদেৱে ৰত্নাৱলী বিৰচন কৰিলে। 'ৰৌ বৰালী' বুলি দৈত্য-দানৱ বা ঈশ্বৰৰ নাম নোলোৱাসকলক বুজাইছে আৰু 'পুঠি খলিহনা' বুলি দৰিদ্ৰ, নিধনী আৰু ঈশ্বৰৰ নামলৈ আকাংক্ষ্যা থকাসকলক বুজাইছে। কিছুমান ফকৰা-যোজনাত প্ৰয়োগ হোৱা সংখ্যাই বৈষ্ণৱ ধৰ্মৰ নৱিধ ভক্তি, চাৰি পৰমাৰ্থ, চাৰি শৰণ, দ্বাদশ স্কন্ধ ভাগৱত আদি আৰু দশ ইন্দ্ৰিয়, ছয় ৰিপু আদিক বুজায়।

"নৱদ্বাৰে নগৰ শোভন
দেখিবলৈ অতি বিতোপন,
হাতী ঘোঁৰাক আহিল লৈ
প্ৰথম দুৱাৰে সোমাল গৈ।"

-(নৱদ্বাৰ)-নৱিধ ভক্তি। (নগৰ) দেহা বা শৰীৰ। (হাতী, ঘোঁৰা) কাম-ক্ৰোধাদি। যিসকল লোকে শ্ৰৱণ, কীৰ্ত্তন আদি ন-বিধ ভক্তি কৰি সদ গুণৰ দ্বাৰা শোভিত হয়, সেইসকলে কাম ক্ৰোধাদি ৰিপুবোৰক জ্ঞান অস্ত্ৰৰে দমাই থাকে।

"চাৰি চোৰ দহ হাতী
এক কাউৰে লৈ যায়
কাক কম কোনে পতিয়াব
কোনে বুলিব হয় হয়।"

-চাৰি চোৰ; কাম-ক্ৰোধ, লোভ-মোহ; দহ হাতী, দশ ইন্দ্ৰিয়; এক কাউৰ-মন।

"তিনিশ ষাঠি হস্তীৰ পাল
দ্বাদশ পৰ্বতত চৰে সৰ্বতিকাল
ন পুখুৰীত খায় পানী
চাৰি টোমত বান্ধে আনি।"

তিনিশ ষাঠি হস্তী- দেহত হাড়ৰ সংখ্যা; দ্বাদশ পৰ্বত-দ্বাদশ স্কন্ধ ভাগৱত, ন পুখুৰী- ন বিধ ভক্তি; চাৰি টোম- চাৰি শৰণ বা চাৰি পৰমাৰ্থ।

"জলত থাকে মাছো নহয়,
থলত থাকে বৃক্ষ নহয়,
দুই শৃঙ্গ দাঙ্গি যায়,
মানুহ গলে মুখ জপায়।"

জল, থল সকলোতে ঈশ্বৰ বিৰাজমান, দুই শৃঙ্গ জীৱাত্মা আৰু পৰমাত্মা মানুহৰ দেহত থাকে। মুখ জপাই এক ধ্যানে ঈশ্বৰ চিন্তা কৰিব লাগে।

অসমৰ বৈষ্ণৱ আদৰ্শত বেদান্ত দৰ্শনৰ প্ৰভাৱ অনস্বীকাৰ্য। সাংখ্য, বেদান্ত দৰ্শনৰ প্ৰভাৱ অনস্বীকাৰ্য। সাংখ্য, বেদান্ত, উপনিষদ আদি দুই-চাৰিটা তত্ত্ব ফকৰা-যোজনাৰ বুকুত সাঁথৰৰ সাঁচত সোমাই আছে। গীতাৰ উৰ্দ্ধমূলমধঃ শাখমশ্বত্থং (১৫/১) শ্লোকটিৰ অসমীয়া ৰূপ এনেধৰণৰ-

"এক জুপি বৃক্ষ আছে জগতক জুৰি,
তললৈ ডাল-পত্ৰ ওপৰলৈ গুৰি।"

ভকতীয়া ব্যাখ্যা এনেধৰণে দিব পাৰি- একমাত্ৰ ঈশ্বৰৰ লীলা চৰিত্ৰ ভাগৱতত প্ৰকাশ পাইছে। ভাগৱতৰপৰা যিবিলাক শাখা বাঢ়িছে সেইবিলাক ডাল-পাতহে মূলবস্তু হ'ল ভাগৱতী পন্থ। কেইটামান ফকৰা-যোজনাত বৈষ্ণৱ ধৰ্মৰ জনচেৰেক ভকতক সামৰি লোৱা দেখা যায়। এইবোৰৰ অৰ্থ পৰম্পৰাগতভাৱে চলি অহাৰ বাবেই জনা যায়। অন্য উপায়েৰে জনাৰ অৱকাশ নাই।

"সভাত আহিব লাগে বৰালি ভকত।
মিৰিকা নাৰিয়া দুয়ো আহক লগত।।"

বৰালি-বদুলা পদ্ম আতা; মিৰিকা পৰমানন্দ আতৈ; নাৰিয়া-নাৰায়ণ ঠাকুৰ আতা। ইয়াৰ অৰ্থ কেতিয়াবা সুকীয়া ধৰণেও পোৱা যায়।

বৰালি ভকত-নাম লগোৱা পাঠক; মিৰিকা-পাঠ পঢ়া পাঠক; নাৰিয়া (নেৰিয়া বুলিও কোৱা হয়)- অৰ্থ ব্যাখ্যা দিয়া ভকত।

পৰমাৰ্থিক অৰ্থযুক্ত, আত্মা-পৰমাত্মা, সংসাৰৰ প্ৰতি অনাসক্তি, সংযম এই সকলোবোৰ প্ৰকাশ পোৱা বৈষ্ণৱ যুগৰ ফকৰা-যোজনাবোৰৰ লগত দেহবিচাৰৰ গীতৰ সাদৃশ্যও লক্ষ্য কৰিব পাৰি। দেহবিচাৰৰ গীতবোৰ সুৰ সংযোজন কৰি গাব পাৰি; ফকৰা-যোজনাবোৰ সুৰাৰোপিত কৰিব নোৱাৰি। কিন্তু দেহবিচাৰৰ গীতত যেনেকৈ দেহৰ ক্ষণস্থায়ীত্ব, কাম-ক্ৰোধ, লোভ-মোহৰ প্ৰভাৱ ইত্যাদি আৰু প্ৰতীকৰ যোগেদি দেহটোক বা

শৰীৰটোক উপলব্ধি কৰিবলৈ চেষ্টা কৰোৱা হয়; তেনেকৈ ফকৰা-যোজনাবোৰত প্ৰতীকৰ যোগেদি কাম, ক্ৰোধ, লোভ, মোহ, দেহৰ কথা, আত্মাৰ কথা বুজাবলৈ বিচৰা হয়। আত্মাৰ অমৰত্বৰ কথা দুয়োটাতে থকা দেখা যায়।

কথাগুৰু চৰিতত ফকৰা-যোজনাৰ দ্বাৰা ভকত, বৈষ্ণৱে কথোপকথন কৰাৰ উদাহৰণ পোৱা যায়। চৰিত মতে মাধৱদেৱ আৰু চৈতন্যদেৱৰ সাক্ষাৎ কালত তেওঁলোকে ফকৰা-যোজনাই কথা পাতিছিল। "চৈতন্য ফকৰা মাতিছে- 'বোলে আহিছা হৰিপো, কি বুলি কাঢ়িলা ৰাৱ; সংসাৰ জুৰি গুৰু বহিছে ক'ত দি আহিলা পাৱ।'.... পাছে ছোট আতা মাতিছে- 'হৰিৰ আজ্ঞাতে আহিছো গোসাঁই, পৃথিৱীত দি পাৱ, হৃদয়ৰ মাঝে গুৰু আছে আত্মা বিচাৰি যাওঁ।' আকৌ চৈতন্য মাতিছে- শুদ্ধ সত্ব মাথা গোট থাকে ওপৰত। কি কাৰণে পৰি সেৱা কৰে চৰণত? ছোট আতা বোলে- 'কোনজনে সেৱা কৰে কোনজনে লয়; ইয়াৰ গুহ্য কথা মহন্তেসে কয়।"

বৈষ্ণৱ সাহিত্যৰ যিখিনি যোজনা এইখিনি প্ৰকৃততে কোন সময়ৰ ৰচনা ন দি ক'ব নোৱাৰি। কিছুমান সম্ভৱতঃ প্ৰাক্ বৈষ্ণৱ যুগৰ বুলি অনুমান কৰিব পাৰি। ইয়াৰ উদ্দেশ্য আৰু ব্যাখ্যাও বৈষ্ণৱ ধৰ্ম অনুগামী। ফকৰা-যোজনাবোৰৰ ব্যাখ্যা কেতিয়াবা বেলেগ বেলেগ ধৰণেও পোৱা যায়। গুৰুৰ সহায় বা বিজ্ঞজনৰ সহায় নললে, বা পৰম্পৰাগত অৰ্থ নেজানিলে এইবোৰৰ ব্যাখ্যা আগবঢ়োৱা কঠিন। বহুতো ফকৰা-যোজনা বৈষ্ণৱ গুৰু নাৰায়ণ দাস ঠাকুৰ আতাৰ নামত চলে।

বৈষ্ণৱ যুগৰ ফকৰা-যোজনাবোৰ অসমীয়া ভাষাৰ এক আপুৰুগীয়া সম্পদ। ইয়াৰ অৰ্থ নেজানিলে বিসংগতি যেন লাগে যদিও অৰ্থ জনাৰ পিছত উপভোগ্য হৈ পৰে। ভক্তিৰ গূঢ় ৰহস্য, উদ্দেশ্য, পদ্ধতি, আত্মা-পৰমাত্মাৰ ধাৰণা, সৎসঙ্গ, হৃদয়ত ঈশ্বৰৰ উপলব্ধি, ভকতৰ কৰণীয় কৰ্তব্য, শংকৰদেৱৰ ব্যক্তিত্ব, ৰচনাৰাজি, দেহতত্ব ইত্যাদি বিভিন্ন দিশৰ মেটমৰা জ্ঞানৰ ভাণ্ডাৰ হ'ল এই ভকতীয়া ফকৰা-যোজনাবোৰ। এইবোৰৰ মাজেদি পৰোক্ষভাৱে অসমীয়া সমাজখনো দেখা পোৱা যায়। যদিও কোনো ব্যক্তিৰ নাম এইবোৰ ৰচনাৰ ক্ষেত্ৰত পোৱা নাযায় তথাপিও ফকৰা-যোজনাবোৰ সৃষ্টিকাৰক একো একোজন পণ্ডিতেই আছিল বুলি অনুমান কৰিব পাৰি আৰু তেওঁলোক কিমান জ্ঞানী-গুণী পণ্ডিত আছিল ভাবিলে আচৰিত লাগে আৰু গৌৰৱবোধো হয়। অসমীয়া সাহিত্যৰ সম্পদ এই ফকৰা-যোজনাবোৰ সংৰক্ষণ কৰাৰ দায়িত্ব নৱ প্ৰজন্মৰ ওপৰত আৰু এইবোৰেই হ'ল অতীতৰপৰা বৰ্তমানলৈকে সাহিত্যৰ ক্ষেত্ৰত থকা যোগসূত্ৰৰ এটা সূঁতি। বেদ-উপনিষদৰ সাহিত্যৰ ক্ষেত্ৰত থকা যোগসূত্ৰৰ এটা সূঁতি। বেদ-উপনিষদৰ দিনৰপৰা বৰ্তমান সাহিত্যলৈকে ফকৰা-যোজনাৰ পৰম্পৰা চলি আহিছে। এতিয়াও ইয়াৰ আদৰ কমা নাই। ফকৰা-যোজনা বেছি ব্যৱহাৰ কৰা মানুহ মুখ চোকা প্ৰকৃতিৰ হয় বুলি ভবা হয়। এই ধাৰণাৰ বশৱৰ্তী হোৱাৰ বাবে কথিত ভাষাত ফকৰা-যোজনা ব্যৱহাৰ কৰিবলৈ সংকোচবোধ আছিল। কিন্তু ই লিখিত সাহিত্যক অলংকাৰযুক্ত কৰি তুলিছে।■■


প্ৰসংগ পুথিঃ

১। শশী শৰ্মাঃ অসমৰ লোক সাহিত্য; ষ্টুডেন্টচ্ ষ্টৰচ্ ১৯৯৩।

২। সৰ্বানন্দ ৰাজকুমাৰঃ অসমীয়া ফকৰা-যোজনা ; ১৯৮২ যোৰহাট ১।

৩। অতুলচন্দ্ৰ বৰুৱাঃ অসমীয়া লোক সাহিত্য; অসম বুক ডিপো, ১৯৮১।

৪। লীলা গগৈঃ অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা; ষ্টুডেন্টচ্ এম্পৰিয়াম ১৯৮৭।

৫। নাৰায়ণ দাস ঠাকুৰ আতাঃ ফকৰা-যোজনা পুথি।

৬। শান্তিৰাম বুঢ়া ভকতঃ ফকৰা।


*লেখিকা জ্যেষ্ঠা সহকাৰী অধ্যাপিকা, বিহপুৰীয়া মহাবিদ্যালয়*

# আদৰ্শ সমাজ গঠনত নাৰীৰ ভূমিকা

**শ্ৰীৰূপালী শইকীয়া**

ব্যক্তি সমাহাৰেই সমাজ। সমাজ বোলোতে সমাজত সাম্য, মৈত্ৰী, সভ্যতা, সাহিত্য-সংস্কৃতি, সমন্বয় আদি উপাদানবোৰ থকাকে বুজায়। বৰ্তমান সমাজখনত এনেবোৰ অৰ্থবাহক শব্দৰ ঠাইত বিপৰীত ধৰ্মী ভাৱধাৰাৰ প্ৰভাৱহে বিৰাজমান হোৱা দেখা যায়। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই এহাতে মানুহক সুখ আনন্দ যোগালেও আনহাতে আধ্যাত্মিক জ্ঞানৰ শূন্যতাই মানুহৰ অন্তৰৰ পৰা মানৱতাবোধ নাইকিয়া কৰিব ধৰিছে। ধৰ্মীয় জ্ঞানৰ আধাৰতহে মানুহৰ অন্তৰত মানৱতাবোধ জ্ঞানৰ উদয় হয়। বহুলোকে ধৰ্ম আৰু বিজ্ঞানৰ মাজত থকা সম্বন্ধ বিপৰীত ধৰ্মী বুলি ভাবিলেও বৈজ্ঞানিকসকলে ধৰ্ম আৰু বিজ্ঞানৰ মাজত সম্পৰ্ক থকাৰ কথা স্বীকাৰ কৰিছে। বিজ্ঞানৰ নোবেল বঁটা বিজয়ী চি.ভি. ৰমনৰ মতে— 'বিজ্ঞানে দিয়ে জীৱনৰ স্বচ্ছন্দতা আৰু ধৰ্মই দিয়ে গভীৰতা।'

বিজ্ঞানৰ যুগত মানুহে ধৰ্মৰ উপলব্ধি জ্ঞানক গুৰুত্ব নিদিয়া মানে বৈজ্ঞানিক দৃষ্টিভংগীক অস্বীকাৰ কৰাকে বুজাব। আধ্যাত্মিক জ্ঞানৰ অভাৱত সমাজত অপৰাধ প্ৰৱণতাই গা কৰি উঠে। আনহাতে অধিক ভোগবাদী আৰু বস্তুবাদী হ'লেও দেশৰ সভ্যতা সংস্কৃতি সাম্য, মৈত্ৰী, সমন্বয় আদিত ব্যাঘাত জন্মে। ভোগবাদীসকলে অন্যায় আৰু অসত্যক প্ৰশ্ৰয় দিবলৈ কুণ্ঠাবোধ নকৰে। অন্যায় আৰু অসত্যই মানুহৰ মন পৱিত্ৰ কৰিব নোৱাৰে। পৱিত্ৰ অন্তৰৰ লোকেহে আদৰ্শমূলক কাম কৰিবলৈ সমৰ্থ হয়। আদৰ্শপূৰ্ণ নিঃস্বাৰ্থ কৰ্মৰাজিয়ে সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ অগ্ৰগতিত অৰিহণা যোগায়।

সমাজখনক অপকৰ্ম আৰু দুৰ্নীতিৰ কবলৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব কোনে ল'ব ? দেশ ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া বীৰ বীৰাঙ্গনাসকলৰ কাহিনীও এতিয়া সাধুকথাত পৰিণত হৈছে। বৰ্তমান এই হতাশাগ্ৰস্ত সমাজখনক নতুন আশাৰে সঞ্চাৰ কৰাৰ দায়িত্ব পুৰুষৰ লগতে নাৰীয়েই সমানে আগবাঢ়ি আহি পালন কৰিব লাগিব। ভৱিষ্যৎ প্ৰজন্মক নৈতিক আৰু আধ্যাত্মিক জ্ঞানেৰে আগবঢ়াই অনাত মাতৃগৰাকীৰ দায়িত্ব অসীম।

নাৰী সৃষ্টিকৰ্তাৰ এক অপূৰ্ব সৃষ্টি। অতীতৰ পৰা বৰ্তমানলৈকে সৌন্দৰ্যৰ প্ৰতিমূৰ্তিৰূপে বৰ্ণিত আৰু বন্দিত হৈ আহিছে। নাৰীৰ অবিহনে এই বিনন্দীয়া প্ৰকৃতি অৰ্থহীন। সৃষ্টিকৰ্তা গৰাকীয়ে এই কথা স্বীকাৰ কৰি গৈছে এইদৰে—

'যাতো স্ত্ৰী নম্ৰজো এহিসে কাৰণ।
নবাঢ়য় সৃষ্টি মোৰ তুষ্ট নোহে মন।।'

— ভাগৱত, তৃতীয় স্কন্ধ

একোটা আদৰ্শ পৰিয়াল গঠনত একোগৰাকী নাৰীয়ে যথেষ্ট ভূমিকা পালন কৰে। গতিকে সমাজ গঠন, জাতি গঠনকে ধৰি ৰাষ্ট্ৰ গঠনলৈকে নাৰীৰ অৱদান পুৰুষতকৈ কোনো গুণে কম নহয়। নাৰীৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে ক'বলৈ গ'লে আমি ইতিহাসৰ পাত লুটিয়াবই লাগিব। বৈদিক যুগত আমি পাওঁ গাৰ্গী, আত্ৰেয়ী, মৈত্ৰেয়ী আদি বিদুষী মহিলাসকলৰ কথা। সেই সময়ত মহিলাসকলে পুৰুষৰ সমানে সামাজিক অনুষ্ঠানবোৰত যোগদান কৰিছিল। বৈদিক যুগ আছিল সভ্যতাৰ সোণালী পুৰা। সেই সময়ত গাৰ্গীৰ দৰে জ্ঞানী, যশস্বীনী নাৰীয়ে ঋষি যাজ্ঞবল্ক্যক তৰ্কশাস্ত্ৰৰে পৰাভূত

কৰিছিল। নৃত্য, গীত, সুকুমাৰ কলা, সৌন্দৰ্য চৰ্চা আদি বিষয়তো বৈদিক যুগৰ নাৰীয়ে পাৰদৰ্শিতা অৰ্জন কৰিব পাৰিছিল। মহাকাব্যৰ যুগতো দ্ৰৌপদী, কুন্তী, গান্ধাৰী, সীতা, কৌশল্যা আদি বিদুষী নাৰীসকলৰ ত্যাগৰ আদৰ্শ যুগে যুগে জিলিকি থাকিব। অন্যায়, অধৰ্ম, অত্যাচাৰ, অনাচাৰ দূৰ কৰিবৰ বাবে ধৰাধামত জন্মগ্ৰহণ কৰা মহাপুৰুষসকলৰ ভাৰ বহন কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰাত দায়িত্ব বহন কৰিছে সেই কথা সকলোৱে স্বীকাৰ কৰি নাৰীক শান্তি দূতৰ বাহক বুলিছে। পৃথিৱীত যিমান লোক মহান হৈছে তাৰ মূলতে একোগৰাকী নাৰীৰ ভূমিকা উল্লেখনীয়। জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ জীৱনত বুঢ়ীমাক খেৰসুঁতিৰ অৱদান, ধ্ৰুৱই দেৱলোকত স্থান পোৱাৰ মূলতে মাক সুনীতিৰ সুশিক্ষা, সহনশীলতা আৰু ভগৱৎভক্তি। মহাত্মা গান্ধী মহান হোৱাৰ মূলতে মাকৰ সৎ উপদেশ আৰু অনুপ্ৰেৰণা। এনে উদাহৰণ আৰু অনেক আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও নাৰীসকলৰ প্ৰতি গণতান্ত্ৰিক, সাৰ্বজনীন আৰু সাম্যবাদৰ চিন্তাচৰ্চাৰ মনোভাৱ তেখেতৰ লিখনিত প্ৰকাশ কৰিছিল। তাৰাই নিজেই কৈছে যে—

'স্ত্ৰী শূদ্ৰে কৰে যদি আমাত ভকতি।
তাহাত কহিবা ইটো জ্ঞান মহামতি।।

-- কীৰ্ত্তন-ঘোষা

গুৰুজনাই বুজিছিল যে, নাৰীৰ অবিহনে সৃষ্টিৰ কল্পনা কৰিব নোৱাৰি। সেয়েহে গুৰুজনাই তাৰাৰ লিখনিত সতী ৰাধিকা, ৰুক্মিণী, ৰাসৰ গোপীসকল, বিপ্ৰ পত্নীসকলৰ কৃষ্ণপ্ৰেম, চণ্ডালিনীৰ ঈশ্বৰপ্ৰেম, সীতাৰ পতিভক্তি আদি বিভিন্ন নাৰী চৰিত্ৰৰ সমাৱেশ ঘটাইছে। এই নাৰী চৰিত্ৰবোৰৰ সমাবেশে গুৰুজনাৰ সাহিত্যত সোণত সুৱগা চৰাইছে আৰু সকলো নাৰীৰ বাবে অনুকৰণীয় হৈ পৰিছে।

আমাৰ অসমীয়াত এষাৰ কথা আছে— 'আইৰ সমান হ'ব কোন? নৈৰ সমান ব'ব কোন? মাতৃৰূপী নাৰী বুলিলে নাৰীৰ প্ৰতি শ্ৰদ্ধাশীল ভাৱ এটাই মনত দোলা দি যায়। বাস্তৱ সমাজত নাৰীৰ কেতিয়াবা অৱহেলিত হ'লেও কিন্তু ধৰ্মীয় আদৰ্শত যুগে যুগে নাৰীক কুমাৰী ৰূপত, পত্নীৰূপত আৰু মাতৃৰূপত পূজা কৰি অহা হৈছে। নাৰীৰ যিদৰে কুমাৰী আৰু যুৱতী বুলি বিভিন্ন স্তৰ আছে, সেইদৰে জন্মদাত্ৰী হিচাপে মাতৃৰূপটো থাকিবই। সন্তানৰ ভৱিষ্যত সমাজ তথা জাতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে মাতৃ শক্তিৰ ওপৰত। এগৰাকী চিন্তাবিদে সেয়েহে এষাৰ উল্লেখযোগ্য কথা কৈছে— 'The future is in the hands of Mother' প্ৰকৃততে মাতৃসুলভ মহৎগুণেৰে সন্তানক বিশালতাৰ জীৱনৰ বাবে উৰ্দ্ধমুখী পথৰ সন্ধান দিব পৰাটোৰ মাতৃত্বৰ যথাৰ্থ গৌৰৱ। মাতৃহৃদয়ৰ আকলুৱা মৰমৰ উম সকলো সন্তানেই অনুভৱ কৰে। কিন্তু মনৰ উচ্চাকাংক্ষা আৰু গভীৰ দায়িত্ববোধৰ বাবে বহু কম সন্তানেহে মহাজীৱনৰ মহা মহত্ব অৰ্জন কৰে। জন্মৰ সময়ৰ পৰা নানা দুৰ্যোগ আহিলেই মাতৃৰ বিশাল মন, গভীৰ দায়িত্ববোধ আৰু অশেষ কষ্টৰ বিনিময়ত জীৱনৰ গতিধৰ্মিতা আৰু সৃষ্টিশীলতাৰে অনেক সন্তানে নিজৰ জীৱনক ঐশ্বৰ্যশীল কৰি তুলিছে। মাতৃ হৃদয়ৰ ৰূপ হ'ব লাগে এনেকুৱাহে যি ৰূপে সাগৰ সংকাশ স্নেহ, সাহস, আত্মত্যাগৰ মহত্ব আৰু সন্তানক জীৱন অমৃতৰ সন্ধান দিব পৰা এটা সৰ্বাংগসুন্দৰ পূৰ্ণাংগ ৰূপ। এনে মাতৃত্বৰ সান্নিধ্যই কেৱল নিজ সন্তানকেই যে মহৎ কৰে তেনে নহয়, সেই সন্তানৰ সান্নিধ্যত এখন সমাজৰ গতিধাৰা সলনি হ'ব পাৰে।

ত্যাগৰ উদাহৰণ বিচাৰিলে, নাৰী হিচাপে দ্ৰৌপদীৰ চৰিত্ৰত অনেকবাৰ ত্যাগৰ দৃষ্টান্ত পোৱা যায়। পঞ্চপুত্ৰক হত্যা কৰা অশ্বত্থমাক ভীমাৰ্জুনে বধ কৰিব খোজোতে বধ কৰিবলৈ বাধা দি তেওঁক সেৱাহে কৰিলে এইবুলি— 'ময়ো নাৰী অশ্বত্থামাৰ মাকো নাৰী, মই যিদৰে পঞ্চপুত্ৰৰ শোকত পুৰি মৰিছোঁ, সেইদৰে দ্ৰোণীও পুত্ৰ শোকত পুৰি মৰিব।' সেইবাবে দ্ৰোণীৰ পুত্ৰক এৰি দিবলৈ ভীম-অৰ্জুনক অনুৰোধ কৰিলে। ভীম-অৰ্জুন আচৰিত হ'ল, দ্ৰৌপদীৰ কথা শুনি। এয়া আছিল দ্ৰৌপদীৰ মহান মাতৃত্বৰ

উপলব্ধি। এগৰাকী নাৰীৰ গাত থাকিব লগা সকলো মহৎ গুণ দ্ৰৌপদীৰ গাত আছিল। সুখ-দুখ, মান-অপমান সকলোবোৰ সমানে সহ্য কৰিব পাৰিছিল এইগৰাকী নাৰীয়ে। মহাভাৰত ৰচয়িতাই যিদৰে দ্ৰৌপদীক লক্ষ্মী বুলিছে, সেইদৰে কৰ্ণই বহুবল্লভা অৰ্থাৎ চৰিত্ৰহীন বুলিছে, পাণ্ডৱসকলে যিদৰে শান্তিৰ প্ৰতীক বুলিছে, সেইদৰে দুৰ্যোধন-দুঃশাসনে বিপ্লৱৰ অগনী বুলিছে, ভীষ্মই যিদৰে বোৱাৰী বুলিছে, সেইদৰে অন্ধ ধৃতৰাষ্ট্ৰই লোকক দেখুৱাই হস্তিনাৰ ৰাজলক্ষ্মী বুলিছে। সঞ্জয় আৰু বিদুৰৰ মানত আছিল দেৱী। এগৰাকী মহীয়সী নাৰীৰ চৰিত্ৰ অধ্যয়ন আৰু অনুকৰণ কৰিলে বৰ্তমান নাৰী সমাজ উপকৃত হ'ব বুলি আমাৰ ধাৰণা। আন এগৰাকী ৰমনী কুন্তীৰ ত্যাগো লক্ষণীয়। শৈব্যাৰ চৰিত্ৰও উল্লেখনীয়।

এইসকলৰ উপৰি ইতিহাস উজলাই থকা দুগৰাকীমান নাৰীৰ নাম কাম আৰু আৰ্হি আদৰ্শ উল্লেখ কৰা হ'ল। দেশপ্ৰেমত উদ্বুদ্ধ হৈ কনকলতাই স্বদেশ-স্বজাতিৰ বাবে হাঁহি হাঁহি বন্দুকৰ গুলী বুকু পাতি লৈছিল। দেশৰ স্বাৰ্থৰ, জাতিৰ স্বাৰ্থত নিজ স্বামীক ৰক্ষা কৰি নিষ্ঠুৰ নৰপশুহঁতৰ নিৰ্মম অত্যাচাৰ সহ্য কৰি প্ৰাণ আহুতি দিলে সতী জয়মতী কুঁৱৰীয়ে। এয়া হ'ল অসমীয়া নাৰীৰ মহিমাময় অতীত। সুদূৰ কাশ্মীৰ ৰাজ মেঘবাহনৰ ৰাজকাৰেঙত অসম জীয়ৰী অমৃত প্ৰভাই যশস্যাৰ অমৃত বিলাই 'অমৃত ভৱন' বৌদ্ধ বিহাৰ নিৰ্মাণ কৰি ধৰ্মপ্ৰাণা অসমীয়া ৰমনীৰ ইতিহাস অলংকৃত কৰিছিল সেই কথা কলহন বিৰচিত কাশ্মীৰ বুৰঞ্জী 'ৰাজতৰঙ্গিনী'ত উল্লেখ আছে। এনে ধৰণৰ অনেক নাৰী আছে যিসকলৰ আদৰ্শ বুৰঞ্জীৰ পাতত জিলিকি আছে। গতিকে আমাৰ সমাজৰ নাৰীসকলে এইসকলৰ বিষয়ে অধ্যয়ন কৰি সমাজত সুস্থ-সবল ব্যক্তিত্বৰ গৰাকী হৈ সমাজৰ শান্তিপ্ৰতিষ্ঠাত অৰিহণা যোগাব পাৰে। আমিও সেইসকলৰ জীয়ৰী-বোৱাৰী আৰু বাই-ভনী। সেইসকল আমাৰো গৌৰৱ।■■

*লেখিকা কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী*
*বিদ্যালয়ৰ শিক্ষয়িত্ৰী আৰু*
*শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী।*

## ঘৰুৱা খুটি-নাটি

■ ছিল্কৰ শাৰী বা আন পোছাক ধোওতে কাপোৰ ধোৱা পানীত সামান্য নেমু ৰস মিহলাই ল'ব। কাপোৰৰ ৰং ধুনীয়া হৈ থকা লগতে চিক্‌মিকনিও বাঢ়িব।

■ টেবুলৰ জাম লগা ড্ৰয়াৰ খুলিবৰ সময়ত শব্দ হয়। কেতিয়াবা দুৱাৰ-খিৰিকী খুলিবৰ বা জপাবৰ সময়ত হোৱা কেৰেক্ কেৰেক্ শব্দ শুনিবলৈ আমনিদায়ক। কব্জাবোৰত চাবোন বা মম ঘঁহি দিলে এই বিৰক্তিকৰ শব্দ নোহোৱা হয়।

■ ঘৰৰ মজিয়া মোচোতে পানীখিনিত দুচামুচ নিমখ মিহলাই ল'বচোন। মাখিৰ অত্যাচাৰৰ পৰা ৰক্ষা পাব।